# আমি উভতি চাওঁ

তিলক চন্দ্ৰ মজুমদাৰ

REFERENCE COPY
( NOT FOR ISSUE )

# আমি উভতি চাওঁ

শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ

Acc. No. 19448
Date 27.7.91

KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

SOUL
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

S(L)A/St—2,

AMI UBHATI CHAO :
A collection of biographical sketches of some eminent men and women of Assam.
Author : Prof. Tilak Chandra Majumdar, M. A. Nagaon Girls' College, Nagaon : Assam.

891.0450481/MAJ
920.045

● পৰিবেশক ঃ *নাছিৰ হুছেইন*
আনন্দ পুস্তকালয় ঃ মণিৰাম দেৱান পথ
নগাঁও-৭৮২০০১ (অসম)

● প্ৰকাশ : ১৯৯১ (জানুৱাৰী)

● প্ৰকাশিকা : **শ্ৰীমতী উপমা দেৱী মজুমদাৰ**
জ্যোতিৰেখা : বীৰেণ মহন্ত পথ :
নগাঁও—৭৮২০০১ (অসম)

● ছপা ঃ সুছন্দা প্ৰেছ : বীৰেণ মহন্ত পথ : নগাঁও (অসম)

● স্বত্ব ঃ গ্ৰন্থকাৰ

● মূল্য : কুৰি টকা

19448
27.7.91

## *আমি উভতি চাওঁ ঃ*

সুদূৰ অতীতৰ পৰা আমি বহুদূৰ আগবাঢ়ি আহিছোঁ। আমি আগবাঢ়ি গৈ থকা জগতখন বৰ পুৰণি, আও পুৰণি। আমাৰ পথৰ যাত্ৰা কেতিয়া আৰম্ভ হৈছিল তাক ইতিহাসে নিৰ্ণয় কৰিব পৰা নাই আৰু পৰাটো সম্ভৱো নহয় নিশ্চয়। আমি মাথোন আগবাঢ়ি গৈ আছোঁ আৰু গৈয়েই থাকিম। আমাৰ পথৰ কেতিয়াকৈ ওৰ পৰিব তাক নিৰ্ণয় কৰাটো দুঃসাধ্য।


জগতত জন্ম পোৱা জীৱসমূহৰ ভিতৰত মানৱ সকলোতকৈ শ্ৰেষ্ঠ। সমাজ পাতি শৃংখলাবদ্ধ হৈ জীৱন নিৰ্বাহ কৰা মানৱে জ্ঞান-বিবেক-বুদ্ধিৰ অধিকাৰী হৈ সুকাৰ্য্যৰ দ্বাৰা জাতি, দেশ তথা জগতখন সুন্দৰ আৰু মহীয়ান কৰি তুলিব পাৰিছে। সভ্যতা-সংস্কৃতিৰ পাতনি মেলাৰ দিনাৰে পৰা কিমান মানুহ ইয়ালৈ আহিল আৰু কিমান ইয়াৰ পৰা গুচি গ'ল, তাৰ উৱা-দিহ পোৱা নাযায়। অগণন মানৱৰ লেখ-জোখ ইতিহাসে দিব নোৱাৰিলেও এই কথা ঠিক যে কিছুমান মহান ব্যক্তিৰ কৃতি-যশস্যা-প্ৰতিভা জগতত চিৰস্মৰণীয় হৈ ৰৈ গ'ল। ক্ষয়িষ্ণু শৰীৰ ইহজগতৰ পৰা বিদায় মাগিলেও তেওঁলোকৰ অমৰ কাৰ্য্য জাতি, দেশ তথা বিশ্ব-ইতিহাসৰ গাতত জিলিকি থাকিল। আমি যিমানে আগবাঢ়ি নাযাওঁ কিয়, সেইসকলক যিকোনো যুগতে জাতি বা দেশে সুঁৱৰিব লাগিব। তেওঁলোকৰ আদৰ্শ চিৰযুগমীয়া। তেওঁলোক অমৰ-পুৰুষ। অমৰ আদৰ্শৰ লোকসকল জাতি বা দেশৰ ভবিষ্যত বংশধৰসকলৰ চিৰপূজ্য। এনে অমৰ পুৰুষসকলক 'আমি উভতি চাওঁ।'

***'আমি উভতি চাওঁ'*** ক্ষুদ্ৰ কলেৱৰৰ গ্ৰন্থখনিত জগতৰ সকলো অমৰ ব্যক্তিক চাবলৈ প্ৰয়াস কৰা হোৱা নাই ; মাথোন অসমীৰ সুশীতল কোলাত আশ্ৰয় লৈ অসম-মাতৃক অত্যুজ্জ্বল আৰু গৰিমাময় কৰি তুলিবলৈ শ্ৰম-সাধনা কৰা কেইগৰাকীমান অমৰ ব্যক্তিৰ সুকৃতি আৰু প্ৰতিভাৰ কথাহে চিত্ৰিত কৰিবলৈ মানস কৰা হৈছে । সেইসকল আকাশী-পুৰুষৰ অমৰ কাৰ্য্য আৰু আদৰ্শই অসম আৰু অসমীয়া সমাজ, ভাষা, সাহিত্য, সংস্কৃতিক গৌৰবোজ্জ্বল আসনত অধিষ্ঠিত কৰি চিৰ-অমৰ কৰি থৈ গৈছে। সেইবাবে জাতিৰ সেইসকল অমৰ ব্যক্তিৰ কৃতি-যশস্যা-প্ৰতিভাক আজি ***'আমি উভতি চাওঁ'*** আৰু দেশৰ উত্তৰ পুৰুষসকলেও চাব লাগিব ।

১৯৭৪ চনৰ পিছত প্ৰকাশ পোৱা এইবাৰৰ সংস্কৰণত কেইটাও নতুন সংযোজন ঘটোৱা হৈছে। গ্ৰন্থখন যুগুত কৰোঁতে স্বনামধন্য অনেক গ্ৰন্থকাৰৰ গ্ৰন্থ অধ্যয়ন কৰা হৈছে । যিসকল গ্ৰন্থকাৰৰ গ্ৰন্থৰ ছিটিকনি আমাৰ গ্ৰন্থত পৰিছে, সেইসকলৰ ঋণ স্বীকাৰ কৰা হ'ল । বেটুপাত চিত্ৰন-ছপাত সহায় কৰা বাবে কলিকতাৰ শ্ৰীযুত তিনকড়ি দে লৈ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ ।

পঢ়ুৱৈ সমাজে আদৰ-সহানুভূতিৰে গ্ৰন্থখন হাতত তুলি ললে আমাৰ শ্ৰম সাৰ্থক হ'ব ।

নগাঁও ছোৱালী কলেজ
মাঘ সংক্ৰান্তি, ১৯৯১



আমি উভতি চাওঁ যিসকলক—

[ পুৰুষ-প্ৰতিভা ]


মহাৰাজাধিৰাজ কুমাৰ ভাস্কৰ বৰ্মা/১
মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ/৭
অসমৰ আলেকজেণ্ডাৰ চিলাৰায়/১৬
জাতীয় বীৰ লাচিত বৰফুকন/২১
সংগ্ৰামী সিংহপুৰুষ মণিৰাম দেৱান/২৮
অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা সংগ্ৰামৰ অধিনায়ক-
আনন্দৰাম ঢেকিয়ালফুকন/৩৬
জাতীয় সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা/৪১
নিস্বাৰ্থ দেশসেৱক কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ/৪৮
ত্যাগীপুৰুষ দেশভক্ত তৰুণৰাম ফুকন/৫৪
পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ/৬০
ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ/৬৮
সংস্কৃতিৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভা/৭৬


[ ৰমণী-প্ৰতিভা ]


অসম' জেউতি' অমৃতপ্ৰভা/৮৫
শান্তিসতী ৰাধিকা/৯০
বীৰাঙ্গনা মূলা গাভৰু/৯৭
আত্মত্যাগী জয়মতী/১০৩
'৪২ ৰ শ্বহীদ কনকলতা/১০৯

*অধ্যাপক শ্ৰীতিলকচন্দ্ৰ মজুমদাৰ*
*প্ৰণীত আৰু সম্পাদিত গ্ৰন্থসমূহ :*

॥১॥ প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা ॥২॥ অমৃতৰ সন্ধানত ॥৩॥ প্ৰাচীন অসমীয়া গদ্য-সাহিত্য ॥৪॥ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ শেষ লীলাভূমি বামদিয়া ॥৫॥ কথা ভীম-চৰিত ॥৬॥ শঙ্কৰ-জ্যোতি (মহাপুৰুষজনাৰ বিষয়ক মঞ্চ-সফল নাট) ॥৭॥ আমি উভতি চাওঁ ॥

*আৰু*

সম্পাদিত গ্ৰন্থসমূহ : ॥৮॥ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ৰুক্মিণী হৰণ (নাট) ॥৯॥ কালি-দমন (নাট) ॥১০॥ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ অৰ্জুন-ভঞ্জন (নাট) ॥১১॥ 'চোৰধৰা' আৰু পিম্পৰা গুচোৱা ঝুমুৰা ॥১২॥ ৰাম-সৰস্বতীৰ 'ভীম-চৰিত্ৰ' (কাব্য) ॥১৩॥ সুৰীয়া সুৰদি মাত ॥

*+ প্ৰকাশৰ পথত*

॥১৪॥ শ্ৰীশ্ৰীশঙ্কৰদেৱ : সাহিত্য আৰু সংস্কৃতি ॥

# মহাৰাজাধিৰাজ
# কুমাৰ ভাস্কৰ বৰ্মা

বিশাল দেশ ভাৰতৰ পূব প্ৰান্তত অৱস্থিত সুজলা সুফলা মনোৰম ৰাজ্যখনৰ নাম অসম । অসমৰ পুৰণি নাম আছিল কামৰূপ । ভাৰতবৰ্ষ'ৰ সভ্যতা-সংস্কৃতিৰ ইতিহাসত কামৰূপে গৌৰৱৰ আসনত বহিছিল । অসমৰ অতীত ইতিহাস ফঁহিয়াই চালে দেখা যায় যে ভাৰতৰ কোনো এখন ৰাজ্যই ধৰ্ম, ভাষা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অসমতকৈ প্ৰাচীন আৰু উন্নত নাছিল । আৰ্যসকলৰ দ্বাৰা ৰচিত নানা ধৰ্মপুথি, প্ৰাচীন বুৰঞ্জী, শিলালিপি, তাম্ৰলিপি, বিদেশী লিখকৰ টোকা আদিৰ পৰা পুৰণি অসম আৰু অসম ৰাজ্যৰ ৰজা-মহাৰজা আৰু জনসাধাৰণৰ বিষয়ে ভালদৰে জানিব পাৰি । কালৰ ধ্বংসাত্মক হাতৰ পৰা বহু বছৰ পূৰ্বৰ ইতিহাস যে আজিও পোহৰলৈ অহা নাই, এই কথা নিশ্চয় স্বীকাৰ কৰিব লাগিব । অসমীয়াৰ গৌৰৱ আৰু আনন্দৰ কথা যে ১৯৭০ চনত পণ্ডিতসকলে গুৱাহাটী মহানগৰীৰ আমবাৰীত খনন কাৰ্যৰ দ্বাৰা মাটিৰ তলত বহু যুগৰ আগৰ সভ্যতা-সংস্কৃতিৰ আভাস পাইছে । এই সভ্যতা কিমান হাজাৰ বছৰ প্ৰাচীন হ'ব তাক এতিয়ালৈকে নিৰ্ণয় কৰিব পৰা নাই । অসমৰ সকলো ধ্বংসাৱশেষ আৱিষ্কাৰ কৰিব পাৰিলে কেইবা হাজাৰ বছৰৰ পূৰ্বৰ 'ব্ৰহ্মপুত্ৰ-সভ্যতা'ৰ নিদৰ্শন দেখিবলৈ পোৱা যাব আৰু এই সভ্যতা যে 'সিন্ধু-সভ্যতা'তকৈ কোনো গুণে পিছৰ নহ'ব, ই ধ্ৰুৱপ ।

সুদূৰ অতীতৰ পৰা কামৰূপ-অসম দ্ৰাবিড়, আৰ্য্য, অনাৰ্য্য আদি লোকৰ বাসভূমি। নৰকাসুৰ, বাণ, ভগদত্ত, ভীষ্মক, শঙ্কলাদিৱ, আৰিমত্ত, চুকাফা, নীলাম্বৰ, তাম্ৰধ্বজ, নৰনাৰায়ণ, ৰুদ্ৰসিংহ প্ৰভৃতি

বাহুবলী, সাহসী, পৰাক্ৰমী নৃপতিসকলে কামৰূপত ৰাজত্ব কৰি গৌৰৱৰ দুন্দুভি বজাইছিল। কেৱাজনো ৰজাই নিজ ৰাজ্য সুচাৰুৰূপে শাসন কৰাৰ উপৰিও, অসমৰ বাহিৰৰ ৰাজ্য আক্ৰমণ কৰি নাইবা আন ৰজাৰ লগত বন্ধুত্ব সূত্ৰত আৱদ্ধ হৈ আপোন যশ-কীৰ্ত্তিৰ সুপৰিচয় দেখুৱাইছিল। অতীতৰ অসম আজি খণ্ড-বিখণ্ড হৈ অতি ক্ষুদ্ৰ আয়তনৰ হৈ পৰিছে। অতীত অসম আৰু ইয়াত ৰাজত্ব কৰা প্ৰবল প্ৰতাপী ৰজাসকলৰ যশ-কীৰ্ত্তি স্মৰণ কৰিলে আজি অসমীয়াই চমক খোৱাৰ বাহিৰে আন একো গতি নাই।

প্ৰাচীন কামৰূপত কেবাহাজাৰো বছৰ পূৰ্বে ৰাজত্ব কৰা ৰজাসকলৰ বুৰঞ্জীৰ স্পষ্ট সময় বা কাল বুৰঞ্জীবিদ্‌সকলে খাটাংকৈ নিৰূপণ কৰিব পৰা নাই। বৰ্মন বংশৰ ৰাজত্বৰ পৰা বুৰঞ্জীৰ স্পষ্ট কাল সম্পৰ্কে জ্ঞান লাভ কৰিব পৰা গৈছে। খৃষ্টীয় তৃতীয় শতিকাৰ পৰা সপ্তম শতিকালৈ বৰ্মন বংশৰ প্ৰতাপী ৰজাসকলে ৰাজত্ব কৰিছিল বুলি জানিব পৰা গৈছে। এই বংশৰ বাৰজন ৰজাই সুকীৰ্ত্তিৰে কামৰূপৰ শাসন কাৰ্য্য চলাইছিল। আটাইকেজন ৰজাৰ ভিতৰত জ্ঞানী-গুণী, বাহুবলী আৰু সুশাসক হিচাবে কুমাৰ ভাস্কৰ বৰ্মাই শ্ৰেষ্ঠত্বৰ পৰিচয় দিছিল। পুৰণি কামৰূপত প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰি ৰাজ্যৰ বাহিৰতো আপোন মহত্ব-বীৰত্ব নাইবা গুণ-গৰিমাৰ সুপৰিচয় দিয়া ৰজা-মহাৰজাসকলৰ মাজত কুমাৰ ভাস্কৰ বৰ্মা জাকত-জিলিকা। ভাস্কৰৰ জ্যোতিয়ে সকলো দিশ পোহৰাই তোলাৰ দৰে কুমাৰ ভাস্কৰৰ কীৰ্ত্তি ভাৰতৰ সকলো দিশতেই বিয়পি পৰিছিল।

"ভাস্কৰ জেউতি ভাস্কৰ বৰ্মা প্ৰাগ্‌জ্যোতিষৰ ৰজা,
ভাৰতৰ ৰজাৰ আগশাৰী ললে, নহয় ই কথা সজা।"

ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত কনৌজত হৰ্ষবৰ্দ্ধন নামৰ এজন প্ৰখ্যাত ৰজাই ৰাজত্ব কৰিছিল। হৰ্ষবৰ্দ্ধন উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰজা আছিল। অসমৰ কুমাৰ ভাস্কৰ শ্ৰেষ্ঠ সম্ৰাট হৰ্ষবৰ্দ্ধনৰহে বন্ধুত্বৰ যোগ্য মহাৰাজ আছিল।



সেই সময়ত গৌড়ৰ অধিপতি আছিল শশাঙ্ক। শশাঙ্কই কনৌজৰ ৰজা হৰ্ষবৰ্ধনৰ ককায়েক ৰাজ্যবৰ্ধনক বিশ্বাসঘাতকতা কৰি অমানুষিক-ভাৱে হত্যা কৰিছিল। আনহাতে ভাস্কৰ বৰ্মাৰ পিতৃ সুস্থিত বৰ্মাক পৰাজয় কৰি মহাসেন গুপ্তই কাঢ়ি নিয়া কৰ্ণ-সুবৰ্ণ শশাঙ্কৰ অধীনত আছিল। ককায়েকক হত্যা কৰাৰ পোতক তুলিবলৈ হৰ্ষবৰ্ধনে শশাঙ্কৰ ওপৰত চেলু বিচাৰি আছিল। কিন্তু শশাঙ্কৰ শক্তিক হৰ্ষৰ শক্তিয়ে দমাব পৰাটো সহজ কথা নাছিল। সেইবাবে হৰ্ষবৰ্ধনে কামৰূপ-অধিপতি কুমাৰ ভাস্কৰ বৰ্মাৰ লগত মিতিৰালি পাতি শশাঙ্কক আক্ৰমণ কৰিছিল।

ভাস্কৰ বৰ্মাই পিতাকৰ দিনত হেৰোৱা কৰ্ণ-সুবৰ্ণ নিজৰ অধীনলৈ আনি পূৰ্বৰ গৌৰৱ অৰ্জন কৰিলে। তাৰ উপৰি, গৌৰ ৰাজ্যৰ অধিকাংশ ভাস্কৰে কামৰূপ ৰাজ্যৰ লগত চামিল কৰে। কামৰূপাধিপতি ভাস্কৰ বৰ্মা কামৰূপ আৰু বঙ্গদেশৰ বিৰাট এক অংশ জুৰি বিশাল সাম্ৰাজ্য এখনৰ সম্ৰাট হ'ল। ভাস্কৰে 'মহাৰাজাধিৰাজ শ্ৰীপ্ৰাগ্‌জ্যোতিষেন্দ্ৰ' বুলি ভাৰতত খ্যাতিমন্ত হৈ অসমৰ গৌৰৱ বৰ্ধন কৰিলে। ভাস্কৰৰ বংশৰ পূৰ্বৰ ৰজাকেজনমানেও 'মহাৰাজাধিৰাজ' উপাধিৰ বৰমাল্য পৰিধান কৰাৰ যোগ্যতা লাভ কৰিছিল। কেৱাখনো ৰাজ্যৰ ৰজা-মহাৰজা এজন ৰজাৰ অধীনত থাকিলে 'মহাৰাজাধিৰাজ' উপাধি পায়। 'মহাৰাজাধিৰাজ' উপাধি লাভ কৰাৰ উপৰিও কুমাৰ ভাস্কৰৰ উপৰি-ৰজা মহেন্দ্ৰ বৰ্মা আৰু স্থিত বৰ্মাই দুবাৰকৈ 'অশ্বমেধ যজ্ঞ' অতি সুকলমে সমাপন কৰি মহাশ্ৰেষ্ঠত্বৰ পৰিচয় দিছিল।

প্ৰাচীন কালত চীনৰ লগত ভাৰতৰ অত্যন্ত সম্প্ৰীতি আছিল। উভয় দেশৰ মাজত সংস্কৃতি-সভ্যতা আৰু বেহা-বেপাৰৰ আদান-প্ৰদান আছিল। চীন দেশৰ পৰা জ্ঞানী-গুণী ধৰ্মাচাৰ্য্য ভাৰতলৈ আহি ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু দেশৰ শোভাত মোহ গৈ বহু বছৰ জুৰি ভাৰত ভ্ৰমণ কৰি ফুৰিছিল। ফাহিয়ান, মেগাস্থিনিচ, হিউ-য়েনচাং প্ৰভৃতি পৰিব্ৰাজকৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য। সম্ৰাট শ্ৰীহৰ্ষবৰ্ধন কনৌজত

ৰাজত্ব কৰাৰ সময়ত চীনদেশৰ পৰা হিউ-য়েনচাং নামৰ এজনা ধৰ্মাচাৰ্য্য ভাৰতলৈ আহি নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ-শাস্ত্ৰ অধ্যয়ন কৰিছিল। এইজনা জ্ঞানী পণ্ডিত ধৰ্মাচাৰ্য্যৰ চৰণ-ধূলিৰে অসম-ভূমি স্নিগ্ধ-পবিত্ৰ কৰি তুলিবলৈ মানস কৰি হংসবেগ কটকীক পঠিয়াই হিউ-য়েনচাঙক ভাস্কৰ বৰ্মাই কামৰূপলৈ ভক্তি-সন্মান সহকাৰে নিমন্ত্ৰণ জনালে। হৰ্ষবৰ্ধনৰ ৰাজ্যৰ পৰা আহি হিউ-য়েনচাং ভাস্কৰৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰত উপস্থিত হ'ল। ধৰ্মাচাৰ্য্যৰ উপস্থিতিত ভাস্কৰৰ অন্তৰৰ জ্যোতি বিৰিঙি উঠিল। মহাজ্ঞানী পণ্ডিতৰ পদাৰ্পণেৰে পবিত্ৰ কামৰূপ আৰু বেছি পবিত্ৰ হৈ পৰিল। ভাস্কৰ বৰ্মা গুণী, ধাৰ্মিক, মহানুভৱ আৰু বিদ্যোৎসাহী সম্ৰাট আছিল। জ্ঞানী-মানী মহাপণ্ডিত ধৰ্মাচাৰ্যক নিজ ৰাজধানীত পাই ধৰ্ম-চৰ্চাত কুমাৰ ভাস্কৰ এনেভাৱে ৰত হৈ পৰিল যে হিউ-য়েনচাঙক হৰ্ষবৰ্ধনৰ ৰাজ্যলৈ পঠিয়াবলৈ পাহৰি গ'ল। কনৌজৰ ৰজা হৰ্ষই ততাতৈয়াকৈ হিউ-য়েনচাঙক পঠিয়াই দিবলৈ প্ৰাগ্‌জ্যোতিষেন্দ্ৰক সঁকিয়াই দিবলৈ বাধ্য হ'ল। আনকি, হিউ-য়েনচাঙক নপঠিয়ালে কুমাৰ ভাস্কৰৰ মূৰ দিব লাগিব বুলি হৰ্ষই দাবী জনোৱাত ভাস্কৰ বৰ্মাই ধৰ্মাচাৰ্য্যক দিয়াতকৈ মূৰ দিব পাৰোঁ বুলি সমিধান দিছিল। অৱশ্যে ভাস্কৰৰ ৰাজসভাত এমাহ কাল থাকি হিউ-য়েনচাঙে কামৰূপ সম্পৰ্কে এটি টোকা লিখি থৈ পুনৰ কনৌজলৈ ঘূৰি যায়। হিউ-য়েনচাঙৰ টোকাৰ পৰা সেই সময়ৰ কামৰূপ ৰাজ্যৰ বিষয়ে সুন্দৰ আভাস পোৱা যায়।

হৰ্ষবৰ্ধনৰ মৃত্যুৰ পিছত কনৌজৰ সিংহাসনত বহে মন্ত্ৰী অৰ্জুন। চীনৰ ৰজাই সেইসময়ত কনৌজ আক্ৰমণ কৰিছিল। এই অভিযানত কুমাৰ ভাস্কৰ বৰ্মাই চীনৰ ৰজাক সহায় কৰিছিল বুলি জনা যায়। এই যুদ্ধত কনৌজ-মন্ত্ৰী অৰ্জুনক চীনৰ ৰজাই বন্দী কৰি চীন দেশলৈ লৈ যায়।

গুণীয়ে সকলো ঠাইতে পূজা পায়। কুমাৰ ভাস্কৰৰ যশ-কীৰ্তি সমগ্ৰ ভাৰততে বিয়পি পৰিছিল। গুণমুগ্ধ নৃপতি হৰ্ষবৰ্ধনে বিদেশী



পৰিব্ৰাজক হিউ-য়েনচাঙক শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰিবলৈ বৌদ্ধ ধৰ্মৰ মহোৎসৱ এখনৰ আয়োজন কৰিছিল। এই মহোৎসৱ পতা হৈছিল প্ৰয়াগত। বিভিন্ন দেশৰ শ্ৰেষ্ঠ শ্ৰেষ্ঠ ৰজা-মহাৰজা, মহান পণ্ডিত, সাধু-সজ্জন সকললৈ হৰ্ষবৰ্ধনে নিমন্ত্ৰণৰ শৰাই আগবঢ়াইছিল। কামৰূপ-অধিপতি ভাস্কৰ বৰ্মাই হৰ্ষবৰ্ধনৰ পৰা বিশেষ সন্মানেৰে আমন্ত্ৰণ পাইছিল। নিৰ্দিষ্ট দিনৰ যথাসময়ত উৎসৱৰ কাম আৰম্ভ কৰা হ'ল। বৌদ্ধ-গুৰুজনাক সন্মান-ভক্তি দেখুৱাই আগত লৈ অতি উলহ-মালহ আৰু এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত সকলোৱে সমদলে আগবাঢ়িছিল। উল্লেখযোগ্য যে কুমাৰ ভাস্কৰ বৰ্মাই পাঁচশ সুসজ্জিত হাতীৰে অলংকৃত হৈ শোভাযাত্ৰাৰ আগত গৈছিল। কনৌজৰ ৰজা হৰ্ষবৰ্ধনে ভাস্কৰৰ লগত একে শাৰীত গৈ গৌৰৱ অনুভৱ কৰিছিল। তাৰ উপৰি, এই মহোৎসৱৰ কাৰণে যি মণ্ডপ নিৰ্মাণ কৰা হৈছিল, তাত কামৰূপ-অধিপতি ভাস্কৰৰ কাৰণে বিশেষ আসন এখন যুগুত কৰি ৰখা হৈছিল। কুমাৰ ভাস্কৰ আসন গ্ৰহণ কৰিবলৈ প্ৰৱেশ কৰাৰ লগে লগে সভাগৃহত উপস্থিত থকা ৰজা-প্ৰজা, গুণী-পণ্ডিত, সাধু-সজ্জন সকলোৱে থিয় হৈ ভাস্কৰ বৰ্মাক যথাযোগ্য প্ৰণাম জনাইছিল। এজন ৰাজচক্ৰৱৰ্তী উপাধিধাৰী সম্ৰাটৰ মহাসভাত কামৰূপ–অধিপতি ভাস্কৰে অসংখ্য ভাৰতীয় ৰজা-মহাৰজা আৰু বিদ্বান পণ্ডিতৰ পৰা সন্মান-অভিবাদন লাভ কৰা কথাৰ দ্বাৰা সমগ্ৰ ভাৰতত সেই সময়ত অসমৰ যশস্যা কেনেদৰে বিয়পি পৰিছিল, তাক সহজে অনুমান কৰিব পাৰি।

বৰ্মন বংশৰ বাৰজন ৰজাৰ ভিতৰত কুমাৰ ভাস্কৰ সুশাসক, পৰাক্ৰমী আৰু বিদোৎসাহী হিচাপে অদ্বিতীয়। তেওঁ এই বংশৰ শেষ ৰজা। বাণভট্ট ৰচিত 'হৰ্ষ-চৰিত্ৰ'ত কুমাৰ ভাস্কৰক 'ভীষ্ম-ইব কুমাৰ' বুলি কোৱা হৈছে। এই কথাষাৰৰ পৰা বুজা যায় তেওঁ চিৰকৌমাৰ্য্য-ব্ৰতী বা অবিবাহিত আছিল। ভাস্কৰ বৰ্মা অবিবাহিত হৈ থকাৰ কাৰণ সম্পৰ্কে এষাৰ কথা পোৱা যায়। ভাস্কৰৰ মৃত্যুত শোকত ম্ৰিয়মান হৈ এজনী লিগিৰীয়ে সহমৰণ ইচ্ছা কৰি ভাস্কৰ বৰ্মাৰ জলন্ত চিতাত

জাপ দি প্ৰাণ ত্যাগ কৰে। এই লিগিৰীজনী চিতাত জাপ দি মৰিব পাৰে বুলি ভাস্কৰ বৰ্মাই সন্দেহ কৰি মৃত্যুৰ আগমুহূৰ্তত লিগিৰীজনীক তেনে নকৰিবলৈ বাধা দি গৈছিল। কিন্তু লিগিৰীজনীয়ে মন সংযত কৰি ৰাখিব নোৱাৰি ভাস্কৰৰ লগত চিতাত জাপ দি পৰি চিৰবিদায় মাগে। ভাস্কৰৰ প্ৰতি থকা অন্তৰৰ অপৰিসীম সেৱা-ভক্তিৰ হেতুকে এই লিগিৰীজনীয়ে ভাস্কৰৰ অন্তৰ আগুৰি ৰাখিছিল, আৰু লিগিৰীজনীৰ সেৱা ভক্তিত সন্তুষ্ট হৈ ভাস্কৰ বৰ্মা চিৰকুমাৰ হৈ আছিল। ভাস্কৰ বৰ্মা অপুত্ৰক হৈ স্বৰ্গী হোৱা বাবে প্ৰবল পৰাক্ৰমী বৰ্মন বংশ ভাস্কৰ বৰ্মাৰ মৃত্যুৰ লগে লগে নিৰ্বাপিত হৈ যায়।

পৰম ধাৰ্মিক, শাস্ত্ৰজ্ঞ, সদালাপী, জ্ঞানপিপাসু অথচ প্ৰবল পৰাক্ৰমী, শ্ৰেষ্ঠ যোদ্ধা আৰু সুশাসক ভাস্কৰবৰ্মাই আঠেকুৰি বছৰৰ ওপৰ কাল (খৃঃ ৫৯৩-৬৫০)সুখ্যাতিৰে ৰাজত্ব কৰি প্ৰাচীন অসমৰ সন্মান আৰু যশস্যা ভাৰতত বিয়পাই থৈ গৈছে ●

# মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ

জগতত জীৱন ধাৰণ কৰা জীৱসমূহৰ ভিতৰত মানৱ জীৱন সকলোতকৈ শ্ৰেষ্ঠ বুলি পৰিগণিত হৈছে। বহু পুণ্য সঞ্চয়ৰ ফলতহে জীৱ-জগতত জীৱই মানৱ ৰূপ-দেহ লাভ কৰিব পাৰিছে। মানৱ জীৱন অমূল্য—দেৱবো দুৰ্লভ বুলি কোৱা হৈছে। এনে হেন মানৱ জনম লাভ কৰি জ্ঞান-বিবেচনাৰে সমাজ-জীৱন সুন্দৰ কৰি নিজৰ সুপৰিচয় দিব পৰাটোতেই জীৱনৰ সফলতা, সাৰ্থকতা। কিন্তু এই অমূল্য জীৱনৰ অৰ্থ আৰু উদ্দেশ্য নুবুজি বা পাহৰি বহু সময়ত লোভ-মোহ-কাম-ক্ৰোধৰ বশৱৰ্ত্তী হৈ মানুহে হিতাহিত জ্ঞান হেৰুৱাই নানা অন্যায়-অনাচাৰ, অনীতি-অধৰ্মত লিপ্ত হৈ মানব সমাজ অশান্ত আৰু অপবিত্ৰ কৰি তোলে। প্ৰকৃত সত্যক আওকাণ কৰি মানুহে অসত্যৰ আশ্ৰয় লৈ নিজৰ আৰু সমাজৰ ঘোৰ অপকাৰ সাধন কৰে। সমাজৰ এনে দুৰ্যোগ বা বিপৰ্যয়ৰ মুহূৰ্ত্তত প্ৰায় দেশত ধৰ্মৰ পূজাৰী বা বিপ্লৱী মনীষাৰ আবিৰ্ভাৱ হোৱা দেখিবলৈ পোৱা যায়। চীনৰ কনফুচিয়াচ; গ্ৰীচৰ চক্ৰেটীচ, প্লেটো, এৰিষ্টটোল; ভাৰতৰ বুদ্ধদেৱ; ইউৰোপৰ যীশুখ্ৰীষ্ট; আৰবৰ হজৰত মহম্মদ প্ৰভৃতি তেনে অসাধাৰণ গুণযুক্ত অগণন মানৱৰ কল্যাণ সাধক বিশ্বৰ শ্ৰেষ্ঠ শ্ৰেষ্ঠ মনীষী। মধ্যযুগত ভাৰতৰ জনসাধাৰণক মুক্তিৰ পথ দেখুৱাবলৈ ভাৰতৰ ভিন্ ভিন্ অঞ্চলত কেবাজনো প্ৰতিভাশালী অসাধাৰণ গুণসম্পন্ন মহাপুৰুষৰ আবিৰ্ভাৱ হৈছিল। শঙ্কৰাচাৰ্য্য, ৰামানুজ, কবীৰ, ৰামানন্দ, শঙ্কৰদেৱ, নানক, হৰিব্যাস, শ্ৰীচৈতন্য প্ৰভৃতি মহাপুৰুষৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য।


অসমৰ বিশৃঙ্খল আৰু অস্থিৰ সামাজিক আৰু ধৰ্মনৈতিক

অৱস্থাই এজন সত্যান্বেষী সাধক, দূৰদৰ্শী সমাজ সংস্কাৰক মহাপুৰুষলৈ অপেক্ষা কৰি আছিল। ভাৰতৰ আন আন অঞ্চলৰ দৰে অসমতো এজন অসাধাৰণ গুণসম্পন্ন মহাপুৰুষৰ আৱিৰ্ভাৱ হ'ল। বিশাল ব্যক্তিত্বসম্পন্ন আৰু অপৰিসীম প্ৰতিভাসম্পন্ন মহাপুৰুষজনাৰ নাম শ্ৰীমন্ত শঙ্কৰ। সুবিস্তৃত অসম ভূমিত শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্মৰ বাণী আৰু তত্ত্ব প্ৰচাৰ কৰি সত্য সুন্দৰৰ আৰাধনাৰে জনসাধাৰণৰ মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰি মুক্তিৰ পথ দান কৰাৰ উপৰিও, অসমীয়া সমাজ, ভাষা, সাহিত্য-সংস্কৃতি আটাইকেটা দিশ নতুন ৰূপত ৰূপায়িত কৰিলে।

১৩৭১ (ইং ১৪৪৯) শকৰ আহিনৰ ৫ তাৰিখ শুক্ৰবাৰৰ (শুক্লা দশমী) দিনটো অসমীয়াৰ এটি পৱিত্ৰ দিন। কিয়নো সেইদিনাই নগাঁও জিলাৰ বৰদোৱাৰ পৰা তিনি মাইল দূৰত অৱস্থিত আলিপুখুৰী নামে এখন ঠাইত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হয়। শঙ্কৰ-সূৰ্য্যৰ উদয়ত বৰকাঁহ, গোমুখ, শংখ আদি স্বৰ্গীয় বাদ্যধ্বনি বাজি উঠিল আৰু চাৰিও-দিশ আলোকিত হৈ পৰিল। আনন্দত গন্ধৰ্বই বাদ্য বজালে, দেৱতাই গীত গালে আৰু অপেস্বৰাই নৃত্য কৰিলে। আনকি মেঘবোৰেও মধুৰ গৰ্জন কৰিলে। মুক্তি-পথৰ এটি সুৰ ৰিণিকি ৰিণিকি বাজি উঠিল আৰু সকলো জীৱ আনন্দত আত্মহাৰা হৈ পৰিল।

শঙ্কৰদেৱৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাকৰ নাম সত্যসন্ধা। সংসাৰত জন্ম গ্ৰহণ কৰা অনেক শিশুৱে মাক-দেউতাকৰ মৰম-স্নেহ আৰু আপডালৰ পৰা বঞ্চিত হ'ব লগীয়া হয়। শঙ্কৰদেৱৰ জীৱনতো তেনে ঘটিল। তেওঁৰ জন্মৰ পোন্ধৰ দিনৰ দিনা মাক সত্যসন্ধা আৰু পাঁচ বছৰ বয়সত দেউতাক কুসুম্বৰক নিয়তিয়ে সংসাৰৰ পৰা টানি লৈ যায়। মাতৃ-পিতৃহীন শিশু শঙ্কৰৰ লালন-পালনৰ দায়িত্ব পৰিল বুঢ়ীমাক খেৰসুতীৰ ওপৰত। মৰমৰ নাতি শঙ্কৰক আতোল-তোলকৈ বুঢ়ীমাকে তুলি-তালি ডাঙৰ-দীঘল কৰিলে। বাৰ বছৰ বয়সলৈ শঙ্কৰে ওমলি-জামলি পঢ়া-শুনা নকৰাকৈ দিন কটালে। পণ্ডিতৰ

জনতাৰ মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰি সাম্য-মৈত্ৰী-স্বাধীনতাৰ বাণীৰে মানৱৰ মাজত থকা উচ্চ-নীচ ভেদা-ভেদ ভাৱ দূৰ কৰি মানৱক সমসত্ব দান কৰি এখন সৰ্বাঙ্গ-সুন্দৰ সমাজ গঢ়াৰ মানসেৰে শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা ধৰ্ম-মন্দিৰ—



সত্ৰৰ সিংহাসন

বংশত জন্ম গ্ৰহণ কৰা শঙ্কৰে পণ্ডিতৰ বংশৰ সন্মান ৰক্ষা কৰাৰ আশা নেদেখি বুঢ়ীমাকৰ মনত বিষাদ। নানা ধৰণে বুজাই বুঢ়ীমাকে বাৰ বছৰ বয়সত বিদ্যা-শিক্ষাৰ বাবে মহেন্দ্ৰ কন্দলী নামৰ অধ্যাপক এজনৰ টোল ( গুৰুগৃহৰ পঢ়াশালি ) লৈ পঠালে। গুৰুগৃহৰ শিক্ষাত শঙ্কৰে চোকা বুদ্ধিৰ পৰিচয় দেখুৱালে। স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ লগত সাক্ষাৎ হৈয়েই শঙ্কৰে আ-কাৰ ই-কাৰ নোহোৱা এটি অৰ্থপূৰ্ণ সুন্দৰ কবিতা ৰচনা কৰি গুৰু কন্দলীক আচৰিত কৰি তুলিলে। কবিতাটো হ'ল—

"কৰতল কমল কমলদল নয়ন।
ভৱদৱ দহন গহন বন শয়ন ॥
নপৰ নপৰ পৰ শতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয় ॥
খৰতৰবৰ শৰহত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন ॥
জগদঘমপহৰ ভৱভয় তৰণ।
পৰপদলয় কৰ কমলজ নয়ন ॥"

কবিতাটো পঢ়ি চাই গুৰুদেৱ আচৰিত হৈ "তৈল লোণ নাই, শুদা ব্যঞ্জনৰ এনে স্বাদ, বিনা জৰু বন্ধন।"—বুলি কবলৈ বাধ্য হৈছিল। অতি কম দিনৰ ভিতৰতে গুৰুৰ গৃহত শঙ্কৰে পঢ়াশলীয়া সকলো বিদ্যা শিকি ললে। শঙ্কৰৰ অসাধাৰণ গুণ আৰু প্ৰতিভাত মুগ্ধ হৈ পঢ়াশালিৰ সকলো ছাত্ৰৰ মাজত গুৰুদেৱে শঙ্কৰক 'ওজা' ছাত্ৰ পাতে আৰু 'দেৱ' উপাধিৰে বিভূষিত কৰে। তেতিয়াৰে পৰা শঙ্কৰ—'শঙ্কৰদেৱ' নামে জনাজাত হয়। ব্যাকৰণ, নীতি-শাস্ত্ৰ, বেদ-বেদান্ত, ৰামায়ণ, পুৰাণ, মহাভাৰত, উপনিষদ আদি গ্ৰন্থসমূহ শঙ্কৰে গুৰুগৃহত অধ্যয়ন কৰি আয়ত্বলৈ আনিলে। গুৰুগৃহত সকলো শাস্ত্ৰ পঢ়ি অন্ত কৰি গুণমুগ্ধ গুৰুৰ পৰা 'বিজয়-পণ্ডিত' আশীৰ্বাদ লাভ কৰি শঙ্কৰদেৱ নিজ গৃহলৈ ঘূৰি আহিল।



শিৰোমণি ভূঞাৰ বংশধৰ শঙ্কৰদেৱে শিৰোমণি ভূঞাৰ বাব লৈ ৰাজকাৰ্য্য চলাব লগা হৈছিল; কিন্তু ৰাজসুখ ভোগত তেওঁৰ মন নবহিল। ভাৰতীয় শাস্ত্ৰসমূহ ভালদৰে অধ্যয়ন কৰাৰ ফলত ধৰ্মৰ প্ৰতিহে তেওঁৰ অনুৰাগ বাঢ়ি গ'ল। একৈশ বছৰ বয়সত সূৰ্য্যৱতী নামৰ এজনী সুশ্ৰী কন্যাৰ লগত শঙ্কৰদেৱ বিবাহ-পাশত আৱদ্ধ হয়। চাৰি বছৰ পাছত সূৰ্য্যৱতীয়ে মনু নামৰ কন্যা এটি জন্ম দি সংসাৰৰ পৰা বিদায় মাগে। কম বয়সতে মনু কন্যাক হৰি নামৰ এজন ডেকালৈ বিয়া দি শঙ্কৰদেৱে বিষয়-বাসনাৰ পৰা পৰিত্ৰাণ পালে। অনিত্য সংসাৰ, ক্ষণভঙ্গুৰ দেহৰ কোনো মূল্য নাই, এই কথা শঙ্কৰ-দেৱে বুজি পালে। সেয়েহে ভগৱান বুদ্ধৰ দৰে মায়া-মমতাৰ পৰা আঁতৰি থাকিবলৈ ইচ্ছা কৰি শঙ্কৰদেৱে উত্তম ধৰ্ম গ্ৰন্থৰ ওচৰ চাপিল।

নানা পুণ্য তীৰ্থৰে ভাৰতভূমি মহিমামণ্ডিত। ভাৰতৰ পুণ্য স্থানসমূহ চাবলৈ মন কৰি এটা ভকতৰ দল লগত লৈ শঙ্কৰদেৱে বিভিন্ন তীৰ্থসমূহ বহু বছৰ জুৰি ভ্ৰমণ কৰি ফুৰিলে। সেই সময়ত দূৰ-দূৰণিলৈ যাবলৈ আজিকালিৰ দৰে ৰাস্তা-ঘাট, গাড়ী-মটৰ, ৰেল-উৰা-জাহাজ আদি একোৰে উদ্ভৱ হোৱা নাছিল। যান-বাহনৰ এনে অসুবিধাৰ দিনতো শঙ্কৰদেৱে এবাৰ নহয়, দুবাৰ ভাৰতৰ পুণ্যঠাইসমূহ পদব্ৰজে ঘূৰি ফুৰিছিল। কুৰি শতিকাৰ আচাৰ্য্য বিনোৱাভাৱে পদব্ৰজে ভাৰত ভ্ৰমণ কৰাৰ আদৰ্শ মহাপুৰুষ শঙ্কৰদেৱে পাঁচ শ বছৰ আগেয়ে দেখুৱাই থৈ গৈছে। ভাৰতৰ বিভিন্ন তীৰ্থসমূহ ভ্ৰমণ কৰি ভাৰতীয় লোকৰ ধ্যান-ধাৰণা; ধৰ্ম-সংস্কৃতি সম্পৰ্কে উপলব্ধি কৰা জ্ঞান আৰু অভিজ্ঞতাৰে তেওঁ অসমৰ ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি উজলাই তুলিলে। "গা-গছত কপৌফুল গ্ৰহণীয়, ৰঘুমলা বৰ্জনীয়"—এই কথা শঙ্কৰদেৱে বুজিছিল আৰু সেইবাবে তেওঁ অসমীয়া ভাষা-সাহিত্য-সমাজ আৰু সংস্কৃতিৰ উন্নতি সাধন কৰিবলৈ আন ঠাইৰ পৰা আৱশ্যকীয় সম্পদখিনি বুটলি আনি তাক গ্ৰহণ কৰিছিল।

সেইসময়ত অসমৰ মানুহৰ মানসিক অধোগতি দেখি শঙ্কৰদেৱৰ

মন কান্দি উঠিল। অজ্ঞ জনসাধাৰণৰ মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিবলৈ শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্ত্তন কৰি এই ধৰ্ম জনসমাজৰ মাজত প্ৰচাৰ কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিলে। বেদ-বেদান্ত, পুৰাণ-উপনিষদ, ভাৰত-ৰামায়ণ আদি মহান ধৰ্মপুথিসমূহৰ পৰা সাৰতত্ত্ব বাছি লৈ তেওঁ জনসমাজৰ উপযোগীকৈ ভক্তিধৰ্ম প্ৰৱৰ্ত্তন কৰে। শঙ্কৰদেৱৰ ধৰ্মক 'একশৰণ' বা 'ভাগৱতী' ধৰ্ম বুলি কোৱা হয়। তেওঁৰ মতে "এক দেৱ এক সেৱ, এক বিনে নাই কেৱ।" শৰীৰ আৰু মনৰ পবিত্ৰতাৰে ভগৱানক উপাসনা কৰিলে নাইবা ভগৱানৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰিলে ভক্তই ভগৱানক লাভ কৰিব পাৰে। ভগৱানৰ সৃষ্টিত, ভগৱানৰ দৃষ্টিত সকলো সমান। বিশুদ্ধ চিত্তেৰে ভগৱানৰ উপাসনা নকৰিলে উচ্চ জাতত জন্ম গ্ৰহণ কৰাজন বা ধনী-মানীজনেও পৰম ফল লাভ কৰিব নোৱাৰে। শঙ্কৰদেৱৰ অনাড়ম্বৰ, সহজ-সৰল ধৰ্মমতে জনসাধাৰণৰ মন সহজে জয় কৰিব পাৰিছিল আৰু সেইবাবে অগণন জনতাই তেওঁৰ ধৰ্ম গ্ৰহণ কৰিছিল।

'যোগ্য ভোগ্য বসুন্ধৰা'— জগতত যোগ্যজনে যোগ্য আসন পাবই। ভাগৱত বা গীতা সুললিত ভাৱে গাই তত্ত্ব উপলব্ধি কৰিব পাৰিলে জন্মত শূদ্ৰই হওক বা ব্ৰাহ্মণেই হওক গীতা-ভাগৱত চৰ্চা কৰা দোষ বা পাপৰ কথা হ'ব নোৱাৰে। শূদ্ৰই ধৰ্মপুথি স্পৰ্শ কৰা বা পঢ়া শাস্ত্ৰ-নিষিদ্ধ বুলি সুবিধাবাদীসকলে কৰা ছলনাক শঙ্কৰদেৱে কুঠাৰাঘাত কৰিলে। শাস্ত্ৰ পঢ়া বা লিখা কোনো এটা সম্প্ৰদায় বা জাতিৰ একচেতীয়া সম্পদ হ'ব নোৱাৰে। জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোকে সমান চকুৰে চাই সত্য-ধৰ্ম প্ৰচাৰ কৰি শঙ্কৰদেৱে যি উদাৰতা আৰু মহানুভৱতাৰ পৰিচয় দি গ'ল তাৰ তুলনা জগতত বিৰল।

জাতিৰ পিতা মহামানৱ মহাত্মাগান্ধীয়ে কুৰি শতিকাত চলোৱা অস্পৃশ্যতা বৰ্জন অভিযান শঙ্কৰদেৱে পাঁচশ বছৰ আগেয়ে অসমত চলাইছিল। সেইসময়ৰ অবৈজ্ঞানিক সমাজ এখনত শঙ্কৰদেৱে অস্পৃশ্যতা আন্দোলন চলাই যিদৰে সাফল্যমণ্ডিত হৈছিল, আজিৰ এই বিজ্ঞানৰ



উন্নতিৰ যুগত সেইদৰে কৃতকাৰ্য্যতা লাভ কৰিছে বুলি কোনেও বুকু ডাঠি কব নোৱাৰে। শঙ্কৰদেৱে উচ্চ-নীচ ভেদাভেদ ভাব নাশ কৰাৰ কাৰণে সকলো জাতিৰ লোককে তেওঁৰ ভকত পাতি লৈছিল। আনকি পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিও শঙ্কৰদেৱৰ উদাৰ ধৰ্মমতে গঢ়ি তুলিব পাৰিছিল; যি সদ্ভাৱ বা সম্প্ৰীতি আজিৰ অসমীয়াই কঠোৰ পৰিশ্ৰম কৰিও গঢ়ি তুলিবলৈ অসমৰ্থ হৈছে। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মিৰিৰ পৰমানন্দ, ভোটৰ দামোদৰ, কছাৰীৰ ৰমাই, কৈৱৰ্ত্তৰ পূৰ্ণানন্দ, বনীয়াৰ হৰিদাস, যবন (মুছলমান) ৰ চান্দসাই প্ৰভৃতিক শঙ্কৰদেৱে ভকত পাতি লৈছিল।

"নাহি ভকতিত জাতি অজাতি বিচাৰ।
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ॥"

মানৱ সমাজত শঙ্কৰদেৱে সাম্য-মৈত্ৰী আৰু স্বাধীনতাৰ বাণী ছটিয়াইছিল : এক ঈশ্বৰৰ সন্তান সকলো সমান আৰু সকলো ভাই-ভাই। মানসিক উৎকৰ্ষ সাধন কৰি সমাজত যি কোনো ব্যক্তিয়ে উচ্চ আসন লাভ কৰিব পাৰে।

অজ্ঞ-অশিক্ষিত-অনাখৰী জনসমাজত শিক্ষা দান কৰিবলৈ স্বাধীন ভাৰতত সংগ্ৰাম চলোৱা হৈছে। জনশিক্ষা অভিযানৰ কাৰণে কোটি কোটি টকা ব্যয় কৰা হৈছে যদিও, জনসাধাৰণক শিক্ষাৰ ক্ষেত্ৰত উন্নত কৰিব পাৰিছে বুলি কোৱাৰ উপায় নাই। কিন্তু ভাবিবলগীয়া কথা যে মহাপুৰুষ শঙ্কৰদেৱে কাহানিবাই জনশিক্ষা অভিযান চলাই কৃতকাৰ্য্যতা লাভ কৰিছিল। শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰ আৰু নামঘৰত যি নাম-প্ৰসঙ্গ, বৰগীত, ভাওনা আদিৰ ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা সৰ্বসাধাৰণে আধ্যাত্মিক আৰু সামাজিক শিক্ষা সুন্দৰভাৱে লাভ কৰিব পাৰিছে। শঙ্কৰদেৱৰ এই শিক্ষাৰ দ্বাৰা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অনেক লোক উদাৰ, নিষ্কলুষ, নিৰঅহঙ্কাৰী আৰু সদালাপী হৈ উঠিছিল। আজিও শঙ্কৰদেৱৰ সেই শিক্ষাৰ সোঁত অসমৰ অনেক লোকৰ মাজত অব্যাহত আছে।

প্ৰেম, দয়া আৰু অহিংসা শঙ্কৰদেৱৰ ধৰ্মৰ মূলকথা। অকল মানুহ বুলিয়েই নহয়, ঈশ্বৰৰ সৃষ্টিৰ কোনো জীৱকেই হিংসা কৰিব নাপায়। তেওঁ কৈছে "য'ত জীৱ জঙ্গম, কীট পতঙ্গম, অগ-নগ জগতে'ৰি কায়া।" গতিকে তেওঁৰ মতে সকলো জীৱকে দয়াৰ চকুৰে চোৱা উচিত।

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো কৰিয়ো প্ৰণাম॥"

* * *

"কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত॥"

শঙ্কৰদেৱৰ সংগ্ৰাম জনগণৰ মুক্তিৰ সংগ্ৰাম। সকলো লোকক নৈতিক শিক্ষা দি দিব্য চকু দান কৰাটোৱেই তেওঁৰ একমাত্ৰ উদ্দেশ্য। স্ত্ৰী-শূদ্ৰ, জাতি-অজাতি সকলোৰে কাৰণে তেওঁৰ ধৰ্মৰ দুৱাৰ মুকলি। তেওঁ ধৰ্মক স্থায়ী ৰূপ দিবলৈ ভক্তসকলৰ কাৰণে সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰাৰ উপৰিও, ধৰ্মবাণীসমূহ লিপিবদ্ধ কৰি থৈ গৈছে। শঙ্কৰদেৱ সংস্কৃতত অগাধ পণ্ডিত আছিল যদিও, তেওঁৰ ৰচনাত সংস্কৃত ভাষাক গুৰুত্ব নিদি সেই সময়ৰ জনতাৰ দৈনন্দিন কাৰ্য্যত ব্যৱহৃত ভাষাকহে স্থান দিছিল। সেইকাৰণে তেওঁৰ ৰচনাৰ দ্বাৰা অসমীয়া ভাষা আৰু সাহিত্যৰ অসীম উন্নতি সাধন হয়।

বহুমুখী প্ৰতিভাশালী শঙ্কৰদেৱে আটাইকেটা দিশতে সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যক চহকী কৰি থৈ গৈছে। অমূল্য গ্ৰন্থ 'কীৰ্ত্তন-ঘোষা'ৰ উপৰিও অন্যান্য কেবাখনো ধৰ্মপুথি শঙ্কৰদেৱে ৰচনা কৰে। আধ্যাত্মিক ভাৰত তেৱেঁই প্ৰথম বৰগীত ৰচনা কৰি অসমৰ সঙ্গীতক উচ্চ স্থানত বহুৱায়। 'পত্নী-প্ৰসাদ', 'কালি-দমন', 'কেলি-গোপাল', 'ৰুক্মিণী-হৰণ', 'পাৰিজাত-হৰণ', 'ৰাম-বিজয়' আদি শঙ্কৰদেৱৰ বিৰচিত জনসাধাৰণৰ অতি আকৰ্ষণীয় আৰু আদৰণীয় অঙ্কীয়া নাট-ভাওনা। 'বৰগীত' আৰু 'অঙ্কীয়া নাট'ৰ জন্মদাতা বা স্ৰষ্টা শ্ৰীমন্ত শঙ্কৰদেৱ।



আন ৰাজ্যৰ মানুহৰ লগত যোগসূত্ৰ স্থাপন কৰাৰ উদ্দেশ্যেৰে বৰগীত আৰু নাটত অসমীয়াৰ লগতে ব্ৰজাৱলী ভাষাৰো ব্যৱহাৰ কৰে। ভগৱান শ্ৰীকৃষ্ণৰ লীলা-তত্ত্ব প্ৰকাশ কৰিবলৈ সত্ৰ-নামঘৰত উচ্চমানৰ শাস্ত্ৰীয় নৃত্য সম্পদৰ সৃষ্টি কৰে— যাক সত্ৰীয়া বা শঙ্কৰী নৃত্য বোলা হৈছে। সঙ্গীত আৰু নৃত্যৰ সুৰ-লয়ৰ বাবে খোল বাদ্য তৈয়াৰ কৰি তালসহ বজাইছিল।

শঙ্কৰদেৱ এগৰাকী সুনিপুণ চিত্ৰশিল্পী। বৰদোৱাত শ্ৰীকৃষ্ণৰ লীলা-মহিমাযুক্ত সাত বৈকুণ্ঠৰ চিত্ৰ পটত অঙ্কন কৰি 'চিহ্নযাত্ৰা' নামৰ এখনি অভিনৱ নাটৰ অভিনয়ৰ দ্বাৰা হাজাৰ হাজাৰ দৰ্শকক পৰম আনন্দ দান কৰে। দেৱান চিলাৰায় আৰু মহাৰাজ নৰ-নাৰায়ণে পটত শ্ৰীকৃষ্ণৰ বৃন্দাবন-লীলা দৰ্শন কৰিবলৈ ইচ্ছা কৰাত শঙ্কৰদেৱে তাঁতীকুছিত বিভিন্ন ৰঙৰ সূতাৰে শ্ৰীকৃষ্ণৰ জন্মৰ পৰা কংস-বধ পৰ্য্যন্ত লীলাসমূহ কাপোৰ বোৱাই চিত্ৰিত কৰি উলিয়ায়। ইয়াক 'বৃন্দাবনীয়া বস্ত্ৰ' (কাপোৰ) বোলে। এই বস্ত্ৰ দীঘলে ছকুৰি হাত আৰু পুতলে তিনিকুৰি হাত আছিল বুলি জনা যায়। শঙ্কৰদেৱে অসমৰ বয়ন-শিল্পত গুৰুত্ব আৰোপ কৰা কথা তেওঁৰ জীৱন-চৰিতত উল্লেখ আছে। শঙ্কৰদেৱৰ একান্ত শিষ্য মাধৱদেৱে সকলো গুণ-বিভূষিত শঙ্কৰদেৱৰ উপযুক্ত উত্তৰাধিকাৰী হৈ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ অশেষ উন্নতি কৰি থৈ যায়।

একান্ত সাধক অসমীয়া ভাষা-সাহিত্য-ধৰ্ম-সংস্কৃতিৰ আৰু জাতিৰ দৃঢ় ভেটি—সংগঠক শঙ্কৰদেৱ সকলোৰে পূজনীয়। এক শ উনৈশ বছৰ কাল জীয়াই থাকি মানৱৰ মুক্তিৰ কাৰণে কঠোৰ সংগ্ৰাম কৰি কোচবিহাৰৰ কাকতকুটা নামৰ ঠাইত ১৪৯০ শক (ইং ১৫৬৮)ত জাতীয় গুৰু শঙ্কৰদেৱ বৈকুণ্ঠগামী হয়। শঙ্কৰদেৱ আমাৰ মাজত নাই ; কিন্তু তেওঁৰ স্থাপিত সত্ৰ-নামঘৰ, তেওঁ সৃষ্টি কৰা কাব্য, গীত, নাট, নৃত্য, চিত্ৰ আৰু মহান বাণীসমূহ আমাৰ মাজত সদায় আছে আৰু চিৰকাল থাকিব। তেওঁৰ অমৰ কাৰ্য্যই তেওঁক অমৰত্ব দান কৰিলে ●

# অসমৰ আলেকজেণ্ডাৰ চিলাৰায়

পশ্চিমে কৰতোৱা নদীৰ পৰা পূৱে বৰনদীলৈকে সীমা বিস্তৃত কৰি এক বিৰাট খণ্ডত কোচ ৰাজ্য প্ৰতিষ্ঠা কৰি নিজ বাহুবল আৰু ক্ষমতাৰে ৰাজ্য শাসন কৰি সুনাম অৰ্জন কৰা নৃপতিজনৰ নাম আছিল বিশ্বসিংহ। তেওঁৰ ওঠৰ গৰাকী ৰাজৰাণী আছিল। কামৰূপ, নেপাল, কাশ্মীৰ, বাৰানসী, মিথিলা, শোণিতপুৰ প্ৰভৃতি ঠাইৰ পৰা এই ওঠৰ গৰাকী কন্যা বিশ্বসিংহই বিয়া কৰাই আনিছিল। ওঠৰ গৰাকী ৰাণীৰ ওঠৰ জন পুত্ৰ জন্মিছিল। পুত্ৰ কেইজনৰ ভিতৰত মল্লদেৱ (নৰনাৰায়ণ) আৰু শুক্লধ্বজ (চিলাৰায়) সকলোতকৈ বুদ্ধিমান, সাহসী আৰু সকলো বিদ্যাতেই পাকৈত আছিল। সৰুৰে পৰা মল্লদেৱ ৰাজকীয় লক্ষণযুক্ত আৰু শুক্লধ্বজ বীৰ লক্ষণযুক্ত। বিশ্বসিংহৰ মৃত্যুৰ পিছত সুযোগ্য সন্তান মল্লদেৱে ৰাজপাট আৰোহণ কৰি নৰনাৰায়ণ নাম গ্ৰহণ কৰে। ৰাজ্যৰ প্ৰজাবৰ্গৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতিৰ কাৰণে মহানুভৱ নৰনাৰায়ণে যি কাৰ্য্য সমাধা কৰি গ'ল, তাৰ তুলনা পাবলৈ নাই। আহোম, জয়ন্তা, কছাৰী, মণিপুৰ, ডিমৰুৱা, খৈৰাম আৰু শ্ৰীহট্ট কোচ ৰাজ্যৰ অন্তৰ্গত কৰি লৈ নৰনাৰায়ণ এখন বিশাল সাম্ৰাজ্যৰ অধিকাৰী হোৱাৰ গুৰিতে যে দিগ্বিজয়ী চিলাৰায়, এই কথা সদায় মনত পেলাব লাগিব। নৰনাৰায়ণে কোচ ৰাজ্যত সুশাসন প্ৰতিষ্ঠা কৰিবলৈ সোণালী সুযোগ লাভ কৰিছিল দিগ্বিজয়ী চিলাৰায়ক নিজৰ সেনাপতি স্বৰূপে ৰাখি দেশ জয় কৰিবলৈ সুবিধা পোৱা বাবেহে। অদ্বিতীয় মহান নৃপতি নৰনাৰায়ণে 'পূৱ



ভাৰতৰ আকবৰ' আখ্যা লাভ কৰাৰ প্ৰসঙ্গত যুৱৰাজ চিলাৰায়ৰ বীৰত্ব আৰু বাহুবলৰ কথা বুৰঞ্জীয়ে সদায় ৰিঙিয়াব।

দিগ্বিজয়ত চিলাৰায়ৰ কীৰ্ত্তি অতুলনীয়। যিখন ৰাজ্যৰ ওপৰত জপিয়াই পৰে সেইখন ৰাজ্যকে পৰাজয় কৰা শক্তি চিলাৰায়ৰ আছিল। চিলাৰ দৰে জাপ মাৰি এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্য প্ৰবল বেগেৰে জয় কৰিব পাৰে কাৰণে তেওঁক চিলাৰায় বোলা হৈছিল। অসীম উদ্যমেৰে যুদ্ধ কৰিবলৈ যাওঁতে ঘোঁৰাৰে জপিয়াই অঠাৰনি নৈ পাৰ হৈ যোৱা বাবেও তেওঁক চিলাৰায় বোলা হৈছিল বুলি কোৱা হয়। সিংহাসনৰ কাৰণে লগা ৰণত ককায়েক নৰসিংহক পৰাস্ত কৰি চিলাৰায়ে 'সংগ্ৰামসিংহ' নাম পাইছিল।

ৰাজদণ্ড হাতত লৈ নৰনাৰায়ণে সুচাৰুৰূপে ৰাজ্য শাসন কৰি প্ৰজাৰ মনত সুখ-শান্তি বিলাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। যুৱৰাজ চিলাৰায়ৰ ওপৰত দায়িত্ব পৰিছিল ৰাজ্য বিজয় কৰি কোচ ৰাজ্যৰ ক্ষমতা আৰু গৌৰৱ প্ৰতিষ্ঠা কৰাৰ। সেই সময়ত অসমৰ পূবত প্ৰবল প্ৰতাপী আহোম শক্তিয়ে ৰাজত্ব কৰিছিল। এটা বিৰাট ফৌজ লৈ সেনাপতি চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি হেন্দোলদোপে আগবাঢ়ি গ'ল। কোচ সৈন্যবোৰ আগ-বাঢ়ি যোৱাৰ সুবিধাৰ কাৰণে নৰনাৰায়ণৰ আন এজন ভায়েক গোঁহাই কমলৰ তত্বাৱধানত কোচবিহাৰৰ পৰা নাৰায়ণপুৰলৈ সুদীৰ্ঘ ৩৫০ মাইল জুৰি এটি আলি নিৰ্মাণ কৰোৱা হ'ল। দিক্ৰৌং নদীৰ পাৰত চিলাৰায়ৰ সেনা আৰু আহোম ৰজা চুক্লেনমুঙৰ সেনাৰ মাজত লগা থৈয়া-নথৈয়া ৰণত আহোমৰ হাতত কোচৰ পৰাজয় হ'ল। কিন্তু কিছুদিনৰ পিছত আহোম ৰজা চুকাম্‌ফাৰ দিনত আহোম সৈন্যক পৰা-জয় কৰি চিলাৰায়ে গড়গাঁও দখল কৰিলে। আহোম-কোচৰ মাজত হোৱা সন্ধি অনুসৰি আহোম ৰাজ্য কোচ ৰাজ্যৰ তলতীয়া হয়। পৰা-ক্ৰমী আহোম শক্তি জয় কৰাৰ পিছত চিলাৰায়ে মণিপুৰ, জয়ন্তীয়া, কাছাৰ, ত্ৰিপুৰা আৰু শ্ৰীহট্ট ৰাজ্যৰ লগত যুঁজ কৰি ইবোৰো কোচৰ

অধীনলৈ আনিলে। খেৰাম আৰু ডিমৰুৱাৰ ৰজায়ো কোচ ৰজাৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হ'ল।

বিভিন্ন ৰাজ্য জয় কৰি বীৰ সেনাপতি চিলাৰায়ে অজেয় বা অপৰাজেয় বীৰৰ গৌৰৱ-মকুট অৰ্জন কৰিলে। বীৰত্ব আৰু বিজয়ৰ তুলা-চালনিত জোখ-মাপ কৰি চাই চিলাৰায়ক 'পূব ভাৰতৰ আলেকজেণ্ডাৰ' বুলিলেহে ৰুজিতা থাব। গ্ৰীক মহাবীৰ আলেকজেণ্ডাৰৰ দিগ্বিজয়ৰ হেঁপাহ আছিল অনন্ত, অসীম। এখনৰ পৰা আন এখন ৰাজ্য জয় কৰি আগবাঢ়ি যোৱাত কোনো শক্তিয়ে আলেকজেণ্ডাৰক বাধা দিব পৰা নাছিল। সহজতে সকলো শক্তিকে পৰাজয় কৰি আলেকজেণ্ডাৰে নিজৰ অধীনলৈ আনিব পাৰিছিল। ৰাজ্য বিজয়ত বীৰ চিলাৰায়েও ঠিক তেনে শক্তিৰে সুপৰিচয় দিব পাৰিছিল।

পূৱৰ ৰাজ্যসমূহ জয় কৰি বীৰ চিলাৰায়ৰ বিজয় লিপ্সা বাঢ়ি গ'ল। নৰনাৰায়ণৰ আদেশ আৰু আশীৰ্বাদ শিৰত তুলি লৈ এইবাৰ চিলাৰায়ে পশ্চিমৰ অসীম শক্তিশালী ৰাজ্য গৌড় জয় কৰিবলৈ আগবাঢ়িল। সেই সময়ত গৌড়ৰ চুলতান আছিল কৰৰাণি। চুলতানৰ হাতত চিলাৰায় বন্দী হ'ল। পূৱৰ প্ৰচণ্ড শক্তিৰ মহাবীৰ চিলাৰায় পশ্চিমৰ গৌড়ত বন্দী হৈ থকা অৱস্থাত চুলেমান কৰৰাণিৰ সেনাপতি অত্যাচাৰী কালাপাহাৰে কোচ ৰাজ্যত প্ৰৱেশ কৰি সদায় লাখ লাখ মানুহে শ্ৰদ্ধা-ভক্তিৰে পূজা-নৈবেদ্য আগবঢ়োৱা কামৰূপৰ নীলাচলত থকা কামাখ্যা মন্দিৰ আৰু হাজোত থকা হয়গ্ৰীৱ মাধৱৰ মন্দিৰ ভাঙি চূৰমাৰ কৰি অজস্ৰ ধন-সোণ লুটি লৈ যায়। চিলাৰায়ৰ অনুপস্থিতিতহে হিন্দুৰ মঠ-মন্দিৰ কালাপাহাৰে ধ্বংস কৰিবলৈ সুবিধা পাইছিল। কিছুদিন গৌড়ত বন্দী হৈ থকাৰ পিছত নবাবৰ মাকৰ অনুগ্ৰহত মুক্তি পাই চিলাৰায় নিজ ৰাজ্যলৈ উলটি আহিল। চিলাৰায় আছিল শিৱ-ভক্ত। স্বদেশলৈ ঘূৰি আহি শিৱ-ভক্ত চিলাৰায়ে অসম-কামৰূপৰ গৌৰৱ ভাৰতৰ অদ্বিতীয় তীৰ্থস্থান কামাখ্যা আৰু হাজোৰ মন্দিৰৰ দুৰৱস্থা দেখি মনত অত্যন্ত দুখ পালে। নৰনাৰায়ণৰ লগত যুগুতি



কৰি চিলাৰায় দেৱানে নিজে গৈ কামাখ্যা আৰু হয়গ্ৰীৱ মাধৱৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰিলে। কবিয়ে গাইছে—

"নৰনাৰায়ণ, বীৰ-চিলাৰায় ৰজাই উৱালে কীৰিতি চিলা,
বান্ধিলে কামাখ্যা ভুবনেশ্বৰীৰে লুইত পাৰতে যশ ভেলা।"

মৃত্যুৰ আগমুহূৰ্তত মোগল বাহিনীক সহায় কৰি চিলাৰায়ে যি বীৰত্বৰ পৰিচয় দিলে বুৰঞ্জীয়ে তাক সদায় সুঁৱৰিব। যি সময়ত দিল্লীৰ সিংহাসনত প্ৰবল প্ৰতাপী সম্ৰাট আকবৰ, সেই সময়ত পূৱৰ কোচ ৰাজ্যৰ সেনাপতি আছিল যুৱৰাজ চিলাৰায়। চিলাৰায়ৰ অজেয় শক্তি আৰু দিগ্বিজয়ৰ কাহিনী আকবৰৰ কৰ্ণগোচৰ হৈছিল। সেই-কাৰণেই আকবৰে গৌড় ৰাজ্য জয় কৰিবলৈ সংকল্প কৰি কোচ ৰজা নৰনাৰায়ণৰ লগত বন্ধুত্বৰ পাশত আবদ্ধ হ'ল। আকবৰৰ লগত বন্ধুত্ব স্থাপিত হোৱাত চিলাৰায়ে পূৰ্বৰ গৌড় আক্ৰমণ কৰাৰ অভিলাষ পূৰণ কৰাৰ সুযোগ হাতে হাতে পালে। মোগল শক্তিয়ে পশ্চিমৰ পৰা আগবাঢ়ি আহি গৌড় আক্ৰমণ কৰিলত চিলাৰায়ে পূবৰ পৰা আগবাঢ়ি গৈ গৌড়ৰ সৈন্যৰ ওপৰত জপিয়াই পৰিল। মোগল আৰু কোচৰ প্ৰচণ্ড সম্মিলিত শক্তিৰ আগত গৌড়ৰ নবাব তিষ্ঠিব নোৱাৰিলে। এই কথা নিশ্চয়কৈ কব পাৰি যে, চিলাৰায়ৰ শক্তিৰ অবিহনে আকবৰৰ সেনাপতি মানসিংহই গৌড় জয় কৰা সম্ভৱ নহল'হেঁতেন। যুদ্ধৰ ফলস্বৰূপে গৌড়ৰ একাংশ কোচ ৰাজ্যৰ অন্তৰ্গত হয়। এই যুদ্ধৰ অৱসানৰ লগে লগে অসীম শক্তিশালী বীৰসিংহ চিলাৰায় গঙ্গা নদীৰ পাৰত বসন্ত ৰোগত আক্ৰান্ত হৈ ১৫৮৩ খৃঃত মৃত্যু মুখত পৰে।

চিলাৰায় যে অকল দিগ্বিজয়ী মহাবীৰ আছিল এনে নহয়; তেওঁ আছিল পৰম ধাৰ্মিক, ন্যায়বান আৰু বিদ্যোৎসাহী। অসম-জ্যোতি মহাপুৰুষ শঙ্কৰদেৱে নৰনাৰায়ণ-চিলাৰায়ৰ দিনত কোচ ৰাজ্যত সোমাই বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি ফুৰিছিল। অল্পজ্ঞানী, স্বাৰ্থান্বেষী ধৰ্মৰ দোকানী কিছুমানে শঙ্কৰদেৱক অধৰ্মী, অসত্যবাদী বুলি নৰনাৰায়ণৰ ওচৰত গোচৰ দিলে। স্বাৰ্থান্বেষীসকলৰ গোচৰত পতিয়ন গৈ নৰ-

নাৰায়ণে শঙ্কৰদেৱক বিচাৰি আনিবলৈ আজ্ঞা দিলে আৰু "শঙ্কৰৰ ছালেৰে ডামামা ছোৱাম, হাড়েৰে ডামামা বজোৱাম, মঙহ হেঙাল-কুকুৰক খুৱাম" বুলি ক'লে। মল্ল নৃপতিৰ এনে কঠোৰ আদেশৰ ৱতৰা পাই চিলাৰায়ে নিমিষতে শঙ্কৰদেৱক স-সন্মানে আনিবলৈ দূত পঠিয়ালে। চিলাৰায়ৰ দূতে শঙ্কৰদেৱক লৈ আহিল। সেৱা-সৎকাৰ কৰি চিলাৰায়ে শঙ্কৰদেৱক নিজৰ উদ্যানত লুকাই ৰাখিলে। নৰনাৰায়ণে এই খবৰ পাই শঙ্কৰদেৱক একো শাস্তি নিদিওঁ বুলি চিলাৰায়লৈ জনাই দি শঙ্কৰদেৱক বিচাৰ সভালৈ পঠিয়াবলৈ খবৰ দিলে। শঙ্কৰদেৱৰ প্ৰতি বীৰ চিলাৰায়ৰ ভক্তি-শ্ৰদ্ধা ইমান বেছি আছিল যে, ৰজাৰ এই কথা বিশ্বাস নকৰি নৰনাৰায়ণৰ অতি আদৰৰ পাত্ৰ এজনক নিজৰ ওচৰত ৰাখি থৈ শঙ্কৰদেৱক বিচাৰ সভালৈ পঠিয়াইছিল। ৰজে বিচাৰত পণ্ডিত, তাৰ্কিক, নৈয়ায়িক, সত্য ধৰ্ম-প্ৰচাৰক শঙ্কৰদেৱৰ আগত বিৰুদ্ধবাদী প্ৰৰোচকসকল তিষ্ঠিব নোৱাৰি লাজ-অপমান পাই পলাই পত্ৰং দিলে। শঙ্কৰদেৱৰ জয় ৱতৰাত চিলাৰায়ৰ আনন্দৰ সীমা নাইকিয়া হ'ল। জীৱনৰ অন্তিম বয়সত চিলাৰায়ে শঙ্কৰদেৱক বেহাৰৰ এখনি কলাবাৰী চাফ্‌চিকুণ কৰি তাত সত্ৰ, নামঘৰ, মনিকূট, হাটী তৈয়াৰ কৰি বৈকুণ্ঠপ্ৰয়াণৰ মুহূৰ্ত্তলৈ আদৰ-সাদৰ আৰু সেৱা-সৎকাৰকৈ ৰাখিলে। পোনতে শিৱৰ উপাসক আছিল যদিও, পিচলৈ শঙ্কৰৰ সান্নিধ্য লাভ কৰি চিলাৰায় আৰু নৰনাৰায়ণ বৈষ্ণৱ-ধৰ্মী হৈ পৰিল। বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু উন্নতিৰ কাৰণে নৰনাৰায়ণ-চিলাৰায়ে শঙ্কৰদেৱক যি সহায় আগবঢ়ালে, তাৰ কাৰণে ইতিহাসত তেওঁলোকৰ নাম শঙ্কৰদেৱৰ লগত সদায় জৰিত হৈ থাকিব।

# জাতীয় বীৰ লাচিত বৰফুকন

অপৰাজেয় মোগল শক্তিয়ে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো ৰাজ্যকে পৰাজয় কৰি এখন বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল যদিও, ভাৰতৰ পূৱ সীমান্তৰ ৰাজ্য অসমক কোনোপধ্যে পৰাজয় কৰিব নোৱাৰি ঠোঁট-মুখ চেলেকি ঘূৰি যাব লগীয়া হৈছিল। দেশৰ স্বাধীনতা আৰু জাতীয় গৌৰৱ অক্ষুন্ন ৰাখিবলৈ আহোম ৰজা আৰু বীৰ সেনানীয়ে বিদেশী শক্তি বা মোগলৰ অধীনত থকাতকৈ মৃত্যুৱেই শ্ৰেয় বুলি ভাবিছিল। মোগলৰ কেবাটাও অক্ৰেমণক অসমৰ পৰাক্ৰমী সেনাই ওফৰাই বিজয় গৌৰৱৰ দুন্দুভি বজাই সকলোকে চমকিত কৰি তুলিছিল। মোগলৰ আক্ৰমণ ব্যৰ্থ কৰি অসমৰ পৰা চিৰদিনলৈ মোগলক বাহিৰ কৰি দিয়া বীৰ লাচিতৰ স্বদেশপ্ৰেম, সাহস, বীৰত্ব আৰু জাতীয়তাবাদৰ কথা অসমৰ ইতিহাসত সদায় সোণালী আখৰেৰে লিখা থাকিব। জাতীয় কবিয়ে গৌৰৱেৰে স্মৰণ কৰিছে—

"স'উৱা বিস্তীৰ্ণ শৰাইঘাটৰ যুদ্ধক্ষেত্ৰ, য'ত আহোম ৰজা
চক্ৰধ্বজৰ, লাচিত বীৰৰ উৰিছিল ৰক্ত বিজয় ধ্বজা।
তাৰ দক্ষিণেদি স'উ যে গড়টি, সেয়েই মোমাই তামুলী গড়,
আছে তাত লিখা নেদেখা আখৰে— 'দেশতকৈ নোহে মোমাই বৰ"—

জয়ধ্বজ সিংহ স্বৰ্গদেৱ আৰু মোগলৰ মাজত হোৱা সন্ধিমতে আহোম স্বৰ্গদেৱে মোগলক গুৱাহাটী এৰি দিয়াৰ উপৰিও তিনিলাখ টকা আৰু নব্বৈটা হাতী শোধাব লগীয়া হ'ল। লগতে স্বৰ্গদেৱৰ কন্যা ৰমণী গাভৰুকো মোগল বাদ্‌চাহলৈ উছৰ্গা কৰিলে। মোগলৰ হাতত ইমান হেয় হবলগীয়া হোৱাত আহোম স্বৰ্গদেৱ জয়ধ্বজসিংহই লাজে-অপমানে জৰ্জৰিত হৈ প্ৰাণ ত্যাগ কৰে। ১৬৬৪ চনত নতুন বছৰৰ

নতুন মাহত নতুন প্ৰাণ, নতুন শক্তি লৈ সিংহাসনত বহিল চক্ৰধ্বজ সিংহ। সিংহাসনত উঠিয়েই 'বঙ্গালৰ অধীন হৈ থকাতকৈ মৰাই উচিত'-বুলি ঘোষণা কৰি চক্ৰধ্বজ সিংহই শক্তিশালী ৰাজসভা গঠন কৰিলে।

মোগলৰ অধীনৰ পৰা অসম ৰাজ্য মুক্ত কৰিবলৈ চক্ৰধ্বজ সিংহই বাহুবলী, নিৰ্ভীক, সুচতুৰ যোদ্ধা লাচিতক বৰফুকন আৰু সেনাপতি পদত নিয়োগ কৰিলে। মোমাই তামুলী বৰবৰুৱাৰ সুযোগ্য সন্তান লাচিত আছিল দেশৰ একনিষ্ঠ সেৱক আৰু শ্ৰেষ্ঠ বীৰ। বীৰ সেনাপতি লাচিতে ৰুদ্ৰমূৰ্ত্তিৰে মোগলৰ বিৰুদ্ধে অস্ত্ৰ ধৰি গড়গাঁও আৰু মোগল-অধিকৃত আন আন ঠাইবোৰ মুক্ত কৰিলে। লাচিতে আগবাঢ়ি গৈ মোগল বাহিনীক পৰাজয় কৰি গুৱাহাটী আহোমৰ হাতলৈ আনিলে। ইমানতো ক্ষান্ত নাথাকি তেজস্বী বীৰ লাচিতে মোগল সেনাক পিছে পিছে খেদি গৈ মানাহ নদীৰ সিপাৰ কৰি দি তৰোৱাল মানাহ নদীৰ পানীত ধুই পঞ্চৰতনত অসমৰ সীমা বান্ধিলে। দেশমাতৃকাৰ অৱনত শিৰ উজলাই তুলিবলৈ অসমৰ সন্তান যে শক্তি-বিহীন নহয়, লাচিতে সেই কথা ভালদৰে বুজাই দিলে। লাচিতৰ বিজয়-সন্মানৰ কাৰণে লাচিতৰ নামে বিজয়-স্তম্ভ নিৰ্মাণ কৰা হ'ল আৰু বীৰৰ দেশৰ স্বাধীনচিতীয়া ৰজাই "এতিয়াহে মই সুখেৰে ভাত এগৰাহ খাওঁ" বুলি কৈ মনত শান্তি লভিলে।

প্ৰধান সেনাপতি লাচিতৰ বীৰত্ব আৰু ৰণ-কৌশলত মোগল শক্তিৰ শোচনীয় পৰাজয় ঘটিল। মোগল সেনাপতি চৈয়দ ফিৰোজ আৰু চৈয়দ চালাক বন্দী কৰি আনি লাচিতে গাহৰি সজাত সোমাই থলে। ভাৰতৰ প্ৰান্তীয় ৰাজ্য অসমত শক্তিশালী মোগল বাহিনীৰ এনে বিপৰ্য্যয়ৰ কথা দিল্লীৰ সম্ৰাট ঔৰঙ্গজেবৰ কাণত পৰাত তেওঁ বিচূৰ্ত্তি খালে। অতিশয় অপমান বোধ কৰি ঔৰঙ্গজেৱে তত্তালিকে মান্ধাতা ৰজাৰ নাতি ৰামসিংহক প্ৰধান সেনাপতি পাতি পুনৰ অসম আক্ৰমণ কৰিবলৈ পঠালে। কেবাজনো পালি সেনাপতি আৰু ন-লাখ শকত মোগল সৈন্যৰ লগত সোণৰ মিনা কৰোৱা তৰোৱাল হাতত লৈ ৰামসিংহ



অসমত অৱতীৰ্ণ হ'ল। গোনতে তেওঁ কামৰূপৰ হাজোত থাকিবলৈ লৈ কটকী দৈৱকী নন্দনক লাচিতৰ ওচৰলৈ পঠালে। কটকীৰ হাতত আফুগুটিৰ টোপোলা এটা পঠিয়াই ভয় দেখুৱাবৰ কাৰণে ৰামসিংহই লাচিতক কোৱালে— "এই যে পোষ্টাদানা (আফুগুটি)ৰ টোপোলাটো দেখিছে, ইয়াত যিমান আফুগুটি, ৰামসিংহৰো সিমান সৈন্য আহিছে, এতেকে ভাবি চ'ক।" সাহসী বীৰ লাচিত জানো মোগলৰ এনে ওফাইদাং মৰা কথাত ভীত হ'ব। লাচিতে চুঙা চাই সোপা দিব জানে আৰু সেইবাবে তেওঁ ৰামচৰণ আৰু নিমৰ হাতত পটা-গুটি এটা আৰু পটা এখন দি পঠিয়াই ৰামসিংহক কবলৈ দিলে— "তোমাৰ যি পোষ্টাদানা পঠিয়াইছা, তাক আমি এই পটাতে পটাগুটিৰে পিছিয়া (পিহি) খাইব।" লগতে লুইতৰ বালি এগালো দি শুনাবলৈ দিলে— "এই যে দেখিছা, বালিগাল, আমাৰ সৈন্য এহ্নয় লক্ষণ।" অৰ্থাৎ অসমৰ সৈন্য নদীৰ বালিৰ দৰে, তাক পিহিলে পিহা নাযায়।

বীৰত্বপূৰ্ণ নিৰ্ভীক উত্তৰৰ দ্বাৰা ৰামসিংহৰ অসম-বিজয়ৰ অদম্য স্পৃহা আৰু উদ্যোগত লাচিতে চেঁচা পানী ঢালিলে। বিমোৰত পৰি তেওঁ হাজো-গুৱালকুছি পিনে গতি কৰিলে। হাজোৰ মাধৱ দেৱালয় দৰ্শন কৰি কুলহাটি আৰু তাৰ পাছত শৰাইঘাটৰ গড়ৰ ওচৰৰ আক্তাঠুৰিত ৰামসিংহই ছাউনী পাতি থাকিবলৈ ললে।

বীৰ লাচিতে ৰামসিংহৰ শক্তিৰ লগত যুঁজ দিবলৈ প্ৰস্তুতি চলালে। যথাস্থানত সৈন্যসকলক বহুৱাই ৰণত দায়িত্ব ন্যস্ত কৰি কৰ্ত্তব্য জ্ঞানৰ প্ৰতি সজাগ কৰি নিজে অসীম সাহসেৰে উগ্ৰমূৰ্ত্তি ধাৰণ কৰি ৰৈ থাকিল। আক্ৰমণৰ উদ্দেশ্য আগত লৈ ৰামসিংহৰ মোগল বাহিনী আগবাঢ়ি আহি শৰাইঘাটত উপস্থিত হ'ল। লাচিতৰ নেতৃত্বত অসমী সেনাই বাহুত বল বান্ধি, বুকুত হাজাৰ হাতীৰ সাহস গোটাই লৈ মোগল শক্তিৰ ওপৰত জপিয়াই পৰিল। বহাগ মাহৰ পৰা শাওণ মাহলৈ চাৰি মাহ যুঁজ চলিল, আৰু এই যুঁজত ৰাম-সিংহই উপায়ন্তৰ হৈ পাণ্ডুত গৈ ছাউনী পাতি ৰ'ল। পাণ্ডুত থকা

গড় ভেদ কৰি বঙলাৰ সৈন্যই প্ৰাণপণে যুঁজ কৰি লাচিতক পৰাজয় কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি ব্যৰ্থ হৈ আকৌ শৰাইঘাট পালে। এই-বাৰৰ ৰণত লাচিতে বঙালৰ সৈন্যক কচু কটাদি কাটিলে। মোগলৰ সেনাই যুঁজত ত্ৰাহি মধুসুদন সুৰঁৰি আজ্ঞাঠুৰিত জুম পাতি ৰ'ল।

মোগলৰ সেনা আকৌ গুৱাহাটীত প্ৰৱেশ কৰিব বুলি সন্দেহ কৰি দূৰদৰ্শী বীৰ লাচিতে মোগলৰ গতি ৰোধ কৰিবলৈ আজ্ঞাঠুৰিত এটা গড় বান্ধিবলৈ দিহা কৰিলে। 'শুভস্য শীঘ্ৰম্'—শুভ কাম সোন-কালে কৰিব লাগে। সেয়েহে ৰাতিৰ ভিতৰতে গড় তৈয়াৰ কৰি উলিয়াবলৈ বুলি লাচিতে নিজৰ মোমায়েকক গড় বন্ধা কামৰ গুৰু-দায়িত্ব অৰ্পণ কৰিলে। গড়ৰ কাম কিমান আগবাঢ়িছে লাচিতে ৰাতি চাবলৈ গ'ল। অসমৰ ভৱিষ্যতৰ ভাগ্য নিৰ্ণয় কৰা গড়ৰ কামৰ লেহেম গতি আৰু সৈন্যসকলক টোপনিত লালকাল দি শুই থকা দেখি লাচিতৰ খং মূৰৰ চুলি পালেগৈ। দেশৰ কৰ্ত্তব্যৰ প্ৰতি মোমায়েকৰ এনে অৱজ্ঞা অৱহেলাক লাচিতে কেতিয়াও ক্ষমা কৰিব নোৱাৰে। লাচিতৰ মনত—

"এইদেশ ৰাখিব লাগিব।
এইখন আপোনাৰ দেশ—
এইখন মৰমৰ দেশ,
এইখন মানুহৰ দেশ।"

জাতীয় স্বাৰ্থত আঘাত কৰা মোমায়েক কেতিয়াও দেশতকৈ ডাঙৰ হ'ব নোৱাৰে—বুলি প্ৰচণ্ড গৰ্জন কৰি মোমায়েকৰ ডিঙি লাচিতে তৰোৱালেৰে দ্বিখণ্ডিত কৰিলে। লাচিতে মোমায়েকক কাটি দ্বিখণ্ডিত কৰাত সকলো কৰ্মীবে ভয়ত ভগৰন্ত পলাল। কৰ্মীবোৰে গড়ৰ কামত এনেদৰে লাগি গ'ল যে ৰাতিৰ ভিতৰতে কাম সম্পূৰ্ণ হৈ পৰিল। এই গড়ক ইতিহাসে 'মোমাইকটা গড়' বুলি কয়।

কোনোপধ্যে মোগল সৈন্যই গুৱাহাটীত প্ৰৱেশ কৰিব নোৱাৰাকৈ গড় বান্ধি অসমক সুচতুৰ বৰফুকনে মোগলৰ আক্ৰমণৰ পৰা নিষ্কণ্টক



কৰিলে। ৰামসিংহই অসমৰ সেনাক পৰাজয় কৰিব নোৱাৰি মনত বৰ খিকাৰ পালে। মিনা কৰোৱা তৰোৱাল হাতত লৈ বিজয়ৰ উদ্যমত শেনটো হৈ আহি ৰামসিংহই পৰাজয় বৰণ কৰি ফেঁচাটো যেন হৈ যাব লগীয়া হোৱাটো জানো কম অপমানৰ কথা! ৰামসিংহই প্ৰাণে

*"দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি কোৱা*



*জাতীয় বীৰ লাচিত বৰফুকন*

নমৰি পিছ হুহঁকি আহি কোনোমতে কামাখ্যাৰ উত্তৰ পাৰৰ দলিবাৰী-পচৰীয়াত কোঠ মাৰি থাকিল গৈ। অসম অধিকাৰ কৰাটো গৌৰৱী মোগল সেনাপতিজনৰ কাৰণে এটা দুঃস্বপ্ন হৈ পৰিল। ৰামসিংহই লাচিতৰ শক্তিৰ লগত যুঁজি ইমান দুৰ্বল হৈ পৰিছিল যে, তেওঁ মোগলক গুৱাহাটী এৰি দিবলৈ অনুৰোধ কৰি তিনিলাখ টকা আৰু হীৰা-মকুতাৰ ভাৰ-ভেটী কটকীৰ হাতত লাচিতলৈ দি পঠালে। ৰাম-

সিংহৰ এনে অসৎ উদ্দেশ্যক বীৰ লাচিতে ভৰিৰে গচকিলে ।

কঠোৰ চেষ্টা কৰিও স্থলযুদ্ধত মোগলে লাচিতক পৰাজয় কৰিব নোৱাৰি এইবাৰ জলযুদ্ধত নামিল । এই উদ্দেশ্যেৰে ভাদ মাহত ব্ৰহ্মপুত্ৰৰ বুকুৰে নাৱেৰে মোগল সেনাই গুৱাহাটী লবলৈ আগবাঢ়ি আহিল । ৰামসিংহৰ হাজাৰ হাজাৰ যুঁজৰ নাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকু ভৰি পৰিল । মোগলৰ এই আক্ৰমণৰ সময়ত জাতীয় নেতা লাচিতৰ ভীষণ জ্বৰ । নৰিয়া-পাটীৰ পৰা লাচিতে যুদ্ধৰ সকলো সংবাদ লৈ আছিল । তেওঁ জানিব পাৰিলে যে মোগলৰ লগত যুঁজ কৰি অসমী-সেনাই তিষ্ঠিব নোৱাৰি পিছ হুহঁকিবলৈ ধৰিছে । অসমী-সেনাৰ এনে দুৰ্যোগৰ কথা শুনি লাচিতে নৰিয়া-পাটী ত্যাগ কৰি 'বঙালৰনো নাও কেইখন আহিছে'– বুলি কৈ সুস্থ সবল লোকৰ দৰে জাপ মাৰি নাৱত উঠি যুঁজত নামিল ।

সেই সময়ত অসমৰ প্ৰায় সেনাই হতাশ হৈ যুদ্ধৰ পৰা আঁতৰি যাবলৈ উপক্ৰম কৰিছিল । আনকি লাচিতৰ নাওবৈছা-জনেও অসমৰ শোচনীয় পৰাজয় দেখি নাও উজুৱাই দি লাচিতক পলুৱাই নিবলৈ খুজিছিল । এনে কাৰ্য্যত খং উঠি লাচিতে 'মোক উজুৱাই ক'লৈ পলুৱাই নিব খোজ ? তেনেহলে মই সি বাঘৰ পোৱালি নহও নেকি ?"— বুলি হেংদান উলিয়াই নাওবৈছাক কাটি যমপুৰীলৈ পঠিয়ালে । ৰুগ্ন লাচিতৰ এনে ৰণ-উদ্যম আৰু সাহস দেখি দলে দলে অসমী সেনা আহি মোগলৰ বিৰুদ্ধে থিয় দিলে । আমিনগাঁৱৰ ওচৰত শৰাইঘাট নামৰ ঠাইত মোগল সৈন্যৰ লগত লাচিতৰ সৈন্যৰ তয়াময়া ৰণ লাগিল । দুয়োপক্ষৰ সেনাৰ নাৱেৰে ব্ৰহ্মপুত্ৰৰ পানী নেদেখা হৈ পৰিল । লাচিতৰ প্ৰচণ্ড শক্তিৰ আগত মোগলৰ সৈন্য চেদেলি-ভেদেলি হৈ গ'ল । কিমান মোগল সৈন্যৰ প্ৰাণ বায়ু উৰি গ'ল তাৰ সীমা-সংখ্যা নোহোৱা হ'ল । ব্ৰহ্মপুত্ৰৰ পানী মোগলৰ তেজেৰে ৰাঙলী হৈ পৰিল । পৰিতাপৰ কথা যে, লাচিতৰ বীৰত্বৰ এই যুঁজখন দেখিবলৈ নৌপাওঁতে স্বাধীনচেতা স্বৰ্গদেৱ চক্ৰধ্বজ সিংহৰ মৃত্যু হ'ল । স্বৰ্গদেৱ উদয় সিংহই ৰাজপাটত বহি এই গৌৰৱপূৰ্ণ



যুদ্ধখন দেখি পৰম সন্তোষ পালে । এই যুদ্ধত লাচিতে মোগল সৈন্যক পৰাজয় কৰি মানাহ নৈ পাৰ কৰি দি সেই নৈলৈকে অসমৰ সীমা বঢ়ালে । শৰাইঘাটৰ যুদ্ধ মোগল আহোমৰ শেষ যুদ্ধ । কঠোৰ চেষ্টা কৰিও মোগলে অসম সেনাক পৰাজয় কৰিব নোৱাৰি অসম আক্ৰমণৰ আশা পৰিহাৰ কৰিবলৈ বাধ্য হয় । যি মোগল শক্তি ভাৰতৰ কোনো শক্তিৰ লগত বিফল হোৱা নাই, সেই শক্তি বীৰ লাচিতৰ শক্তিৰ আগত তেনেই নিষ্প্ৰভ হৈ পৰিল । বেচেৰা মোগল সেনাপতি ৰামসিংহই পৰাজয়ৰ গ্লানি ডিঙিত আঁৰি লৈ ঘূৰি যাবৰ সময়ত হাজোৰ মাধৱ গোঁসাইক সেৱা কৰি লাচিত আৰু অসমীয়া সেনাক প্ৰশংসা কৰি কৈ গৈছে, "বৰফুকন সামান্য লোক নহয় । প্ৰত্যেক অসমীয়া সেনাই নাও বাব পাৰে, তোপ আৰু হিলৈ মাৰিব পাৰে । জল-স্থল সকলোতে সমানে যোদ্ধা । এনে নিপুণ সৈন্য মই ভাৰতবৰ্ষত ক'তো দেখা নাই ।"

দেশ-মাতৃকাৰ লাঞ্ছনা-অপমান সহ্য কৰিব নোৱাৰি প্ৰবল প্ৰতাপী মোগলৰ বিৰুদ্ধে অস্ত্ৰ ধৰি অসমৰ স্বাধীনতা আৰু জাতীয় গৌৰৱ অটুট ৰখা লাচিতৰ বীৰত্ব, বুদ্ধি, ৰণ-কৌশল, দেশপ্ৰেম, আত্মত্যাগ আৰু স্বাৰ্থহীনতাৰ মহান আদৰ্শ জগতত অতুলনীয় । অক্লান্ত পৰিশ্ৰম, অচল-অটল ধৈৰ্য্য আৰু অসীম সাহস লৈ ১৬৬৭ খৃষ্টাব্দৰ পৰা ১৬৭১ খৃঃলৈকে পাঁচ বছৰ ধৰি শৰাইঘাটৰ ৰণত মোগল শক্তিক পৰাজয় কৰি অপৰাজেয় বীৰৰ কীৰ্তি ৰাখি থৈ ১৬৭১ খৃঃত কলিয়াবৰত কৰ্মৰ দেশ এৰি লাচিতে শান্তিৰ দেশত আশ্ৰয় ললে ●

# সংগ্ৰামী সিংহপুৰুষ মণিৰাম দেৱান

"অতিকৈ চিকুণ ঐ মুগাৰে মহৰা
অতিকৈ চিকুণে মাকো,
তাতোকৈ চিকুণে মণিৰাম দেৱান ঐ
নেকান্দি কেনেকৈ থাকোঁ ?"

স্বাধীনতা সংগ্ৰামত আগভাগ লোৱা দেশমাতৃকাৰ নিঃস্বাৰ্থ-পূজাৰী অসমীৰ সু-সন্তান মণিৰামক সাত সাগৰ তেৰ নৈৰ সিপাৰৰ পৰা আহি ভাৰত শাসন কৰা ইংৰাজে ফাঁচী কাঠত তুলিলে। স্বদেশ-প্ৰেমিক জাতীয় বীৰ মণিৰাম অসমীয়াৰ অতি আপোন; আপোনতকৈও আপোন। জাতি বা দেশৰ মুক্তিৰ হকে জীৱন উছৰ্গা কৰা দেশসেৱক বীৰপুৰুষতকৈ অসমীৰ মনত আন একোৱেই শ্ৰেষ্ঠ হ'ব নোৱাৰে। সেয়েহে তেওঁৰ মৃত্যুত সকলোৰে অন্তৰ শোকৰ জোঙাল শেলে বিন্ধিলে আৰু সকলোৱে হিয়া ঢাকুৰি কান্দিলে। স্বাধীনতা সংগ্ৰামৰ যুঁজাৰু আৰু প্ৰবীৰ ৰাজনীতিজ্ঞ হিচাপে মণিৰাম জগতত মৰিও অমৰ আৰু সেই কাৰণে তেওঁৰ জাতীয় কীৰ্ত্তি দেশৰ লোকৰ মনত যাউতিযুগীয়া হৈ ৰ'ল। অসমীৰ সু-সন্তান মৃত্যুঞ্জয়ী বীৰ মণিৰাম দেশবাসীৰ চিৰনমস্য।

উনবিংশ শতিকা ভাৰতৰ ইতিহাসত মহাসঙ্কট আৰু দুৰ্যোগৰ কাল। এই সঙ্কট আৰু দুৰ্যোগৰ বেলাতে ভাৰতৰ পূৱ সীমাৰ প্ৰদেশ অসমত মণিৰামৰ আৱিৰ্ভাৱ। শিৱসাগৰ জিলাৰ চাৰিঙত ৰামদত্ত দোলাকাষৰীয়া বৰুৱাৰ ঔৰসত কৌশল্যাৰ গৰ্ভত ১৮০৬ খৃষ্টাব্দত অসমৰ ভৱিষ্যত, মুক্তি যুঁজাৰু, দৃঢ়প্ৰতিজ্ঞ বীৰসিংহ মণিৰামৰ জন্ম হয়। ১৮১৪-১৫ চনৰ মান-মাৰণৰ দুৰ্যোগত মণিৰামৰ পৰিয়াল অ'ত অ'ত পলাই



ফুৰিব লগীয়া হৈছিল যদিও, মণিৰামে তেনে দুৰ্যোগৰ কালতো সকলো বিষয়ৰ শিক্ষা আয়ত্ব কৰি লৈছিল। বঙলা আৰু ফাৰ্চী ভাষাত মণিৰামে ব্যুৎপত্তি লাভ কৰিছিল।

মান-মাৰণ আৰু কুশাসনে অসমক জুৰুলা কৰাত ৰাজ্য খণ্ড-বিখণ্ড হৈ পৰিল। মানৰ অত্যাচাৰ-উৎপীড়ন-নিৰ্য্যাতনত অসমীয়াই থৰকাচুতি হেৰুৱালে। উচ্চ চিন্তাৰ অসমীয়া ব্যক্তিসকলে মানৰ গ্ৰাসৰ পৰা অসমক মুক্ত কৰাৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। সেই সময়ত বৃটিছসকলে ভাৰতৰ নানা ঠাই অধিকাৰ কৰি সীমা-মূৰীয়া ৰাজ্য অসমতো প্ৰৱেশ কৰিলে। ডেভিদ্ স্কট্ তেতিয়া পূৱ সীমান্তৰ গৱৰ্ণৰ জেনেৰেল। মানৰ অত্যাচাৰৰ পৰা অসমক ৰক্ষা কৰিবলৈ ডেভিদ্ স্কটে ১৮২৫ খৃঃত বঙ্গদেশৰ পৰা ইৰাজ ফৌজ অসমলৈ আনিলে। মানক অসমৰ পৰা দূৰ কৰাৰ ক্ষেত্ৰত স্কট্ চাহাৱে অসমীয়া ডা-ডাঙৰীয়াসকলক প্ৰতিশ্ৰুতি দিলে যে, ইংৰাজে অত্যাচাৰী মানক সোণ-সেৰুৱা অসমৰ পৰা খেদি অসমৰ পূৰ্বৰ ৰাজবংশৰ হাতত শাসন ভাৰ তুলি দি যাব। সেই সময়ত মণিৰাম উনৈশ বছৰীয়া চফল ডেকা। স্কটৰ এনে যুক্তি ডেকা মণিৰামে সমৰ্থন জনালে। অসমৰ শাসন যদি মানৰ হাতৰ পৰা পুনৰ ৰাজবংশধৰৰ হাতলৈ আহে তেনেহলে, তাত মণিৰাম বা আন দেশহিতৈষী লোকে আপত্তি কৰাৰ কোনো কাৰণ নেদেখিলে।

যথাসময়ত বৃটিছে অসমৰ পৰা মানক খেদি দিলে হয়, কিন্তু অসমৰ পৰা তেওঁলোক গুচি নগ'ল। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত হোৱা য়াণ্ডাবু সন্ধি মতে অসম-শাসনৰ বাঘজৰী মানৰ হাতৰ পৰা ইংৰাজৰ হাতলৈ গ'ল। মানে অসম এৰি যোৱাৰ পিছত আপোনতে মণিৰামে ইংৰাজক বিভিন্ন কামত সহায় কৰিবলৈ ধৰিলে। মণিৰামৰ দৰে এজন বিচক্ষণ আৰু নিৰ্ভীক ব্যক্তিক হাতত পাই ডেভিদ্ স্কট্ চাহাবে সকলো কাম সচাৰুৰূপে সম্পন্ন কৰিবলৈ সক্ষম হ'ল। দেশত শান্তি-শৃঙ্খলা-স্থিৰতা স্থাপন কৰা কাৰ্য্যত মণিৰাম ইংৰাজৰ সোঁহাত

স্বৰূপ হৈ পৰিল। বিশেষকৈ চিংফৌ, মটক, খাচীয়া আদি পাহাৰীয়া জাতি-উপজাতিবোৰক ইংৰাজৰ অধীনলৈ অনা কাৰ্য্যত বৃটিছে মণিৰামৰ শ্ৰমৰ মাৰ্য্যাদা ভালদৰে বুজিলে। মণিৰামৰ বুদ্ধি, সাহস, দূৰদৰ্শিতা, কৰ্মনিপুণতা দেখি ইংৰাজে তেওঁক পেচ্কাৰ, চিৰস্তাদাৰৰ দৰে দায়িত্বপূৰ্ণ কামত নিযুক্ত কৰিলে।

১৮৩৩ খৃঃত পুৰন্দৰ সিংহক যেতিয়া উজনি খণ্ডৰ শাসক পতা হয়; বিচক্ষণ, ৰাজনীতিজ্ঞ মণিৰাম তেতিয়া পুৰন্দৰৰ দেৱান (ঘাই মন্ত্ৰী) আছিল। অতি আচৰিত কথা যে, পাঁচ বছৰ পিছত বৃটিছে পুৰন্দৰ সিংহক ৰজা ভাঙি উজনি অসমৰ শাসনৰ ভাৰ তেওঁলোকৰ হাতলৈ নিলে। মণিৰামে ইংৰাজক সহায় কৰিছিল মাথোন মানৰ কুশাসন আৰু অত্যাচাৰ অসমৰ পৰা ওফৰাবলৈহে; ইংৰাজ শাসন তাৰ ঠাইত প্ৰতিষ্ঠা কৰিবলৈ নহয়। কিন্তু হিতে বিপৰীত হ'ল। সমগ্ৰ অসমৰ শাসন ইংৰাজে কাঢ়ি লৈ গ'ল। ইংৰাজসকলৰ এনে কাৰ্য্য স্বাধীনমনা দেশপ্ৰেমিক মণিৰামৰ সহ্য নহ'ল। পুৰন্দৰ সিংহক ৰজা ভাঙি ইংৰাজ শাসন প্ৰতিষ্ঠা কৰা কাৰ্য্যত মণিৰামে দুৰ্ঘোৰ প্ৰতিবাদ জনালে। কলিকতালৈ গৈ বৰলাট অৰ্কলেণ্ডক সাক্ষাৎ কৰি মণিৰামে অসমৰ ৰাজপাটত পুৰন্দৰ সিংহ নাইবা ৰাজবংশৰ সুদক্ষ ৰাজকোঁৱৰ এজনক বহুৱাই স্বাধীন অসমৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ টানি অনুৰোধ জনালে। বৰলাটে মণিৰামৰ অনুৰোধ ৰক্ষা নকৰি মণিৰামক উচ্চ বিষয়াৰ লোভ দেখুৱালে, কিন্তু মণিৰামে তেনে পদবীক ভৰিৰে গচকিলে।

ইয়াৰ পাছত মণিৰামক 'আসাম কোম্পানী' নামৰ চাহ বাগিচা এখনৰ দেৱানৰ ভাৰ লবলৈ বৰলাটে অনুৰোধ কৰিলে। বৰলাটৰ অনুৰোধ ৰক্ষা কৰি মণিৰামে 'আসাম কোম্পানী'ৰ দেৱান পদ গ্ৰহণ কৰিলে। কেইবছৰ মান পিছত কোম্পানীৰ চাহাবৰ লগত কথাৰ অমিল ঘটাত মণিৰামে দেৱানৰ পদ ইস্তফা দিলে আৰু পিছলৈ নিজে শিৱসাগৰত চেনিমৰা আৰু চেংলুং নামৰ দুখন চাহ বাগিচা খুলিলে।

অসমত বৃটিছৰ শাসন জাতিৰ বন্ধু মণিৰামৰ কাৰণে হৈ পৰিল



এক অভিশাপ। বৃটিছৰ কুশাসন ওফৰাবলৈ তেওঁ নানা উপায় চিন্তিবলৈ ধৰিলে। ১৮৫৩ চনত বৃটিছ শাসন পৰ্য্যবেক্ষণ কৰিবলৈ কলিকতা সদৰ আদালতৰ বিচাৰক এ, জে, মোফাট মিল্চ অসমলৈ আহে। দূৰদৰ্শী ৰাজনীতিজ্ঞ মণিৰামে মোফাট মিল্চৰ হাতত এখন আবেদন দাখিল কৰিলে। এই আবেদনত বৃটিছ শাসনৰ কুফলবোৰ জুকিয়াই দেখুৱাই অসমৰ শাসন ভাৰ আহোম ৰাজবংশৰ হাতত তুলি দিবলৈ মণিৰামে স্পষ্টকৈ চাহাবজনাক জনালে। লগতে কানি বৰবিহৰ যোগান বন্ধ কৰি অসমীয়া লোকক ৰক্ষা কৰিবলৈ আবেদনখনত কোৱা হ'ল। দেশপ্ৰেম, জাতীয়তাবাদ আৰু উচ্চ ৰাজনৈতিক বিচক্ষণতাৰ ইয়াতকৈ আৰু কি ডাঙৰ উদাহৰণ থাকিব পাৰে! কিন্তু মণিৰামৰ এই আবেদনৰ কথা বৃটিছ শাসকে ভ্ৰাক্ষেপ নকৰিলে; মাথোন ইংৰাজ চৰকাৰৰ ৰঙাচকুহে মণিৰামৰ ওপৰত পৰিল।

অসমক বৃটিছ শাসনৰ পৰা মুক্ত কৰিবলৈ মণিৰামে যি কঠোৰ শ্ৰম আৰু ত্যাগ কৰিলে সি অবিস্মৰণীয় হৈ ৰ'ব। পৰাধীনতাৰ গ্লানিত মণিৰামৰ চকুত টোপনি নাইকিয়া হ'ল। ১৮৫৭ চনত তেওঁ দ্বিতীয় বাৰ কলিকতালৈ গৈ বৰলাটক অনুৰোধ কৰিলে পুৰন্দৰ সিংহৰ নাতিয়েক কন্দৰ্পেশ্বৰ সিংহক অসম ৰাজ্যৰ শাসনত অধিষ্ঠিত কৰিবলৈ। কিন্তু মণিৰামৰ অনুৰোধ নৰজিল। গ্লানি আৰু হতাশা বুকুত বান্ধি লৈ মণিৰাম কলিকতাত থাকিল। দূৰদৰ্শী মণিৰামে খুব ভালদৰে বুজিলে ইংৰাজ শাসক-ৰাক্ষসে অসম শাসনৰ লোভ সম্বৰণ কৰিব নোৱাৰে। মানৰ অত্যাচাৰ আৰু অপশাসন অসমৰ পৰা দূৰ কৰি অসমৰ শাসন ভাৰ অসমৰ ৰাজবংশৰ হাতত তুলি দিম বুলি কোৱা প্ৰতিশ্ৰুতি ইংৰাজে ৰক্ষা নকৰিলে। ইংৰাজ শাসন গোঁজেই গছ হৈ পৰিল। এচাম প্ৰভু-ভক্ত নিষ্প্ৰাণ অসমীয়া লোকে বৃটিছ চৰকাৰৰ চাকৰি কৰি আমোদ-প্ৰমোদত দিন কটাব পাৰি অসমৰ পূৰ্বৰ স্বাধীনতাৰ গৌৰৱ আৰু জাতীয় ঐতিহ্য সমূলি পাহৰি গ'ল। কিন্তু মণিৰামৰ দৰে জাগ্ৰত সিংহপুৰুষে পৰাধীনতাৰ দাসত্ব ঘোৰ

*বিদ্ৰোহ-বহ্নিৰ জলন্ত ফিৰিঙতি হৈ দেশৰ পৰাধীনতাৰ গ্লানি-দুৰ্দশাত চকুপানী টুকি ফাঁচীকাঠত ওলমি মৰণক আকোঁৱালি লোৱা মৃত্যুঞ্জয়ী বীৰ—*



## সংগ্ৰামী সিংহপুৰুষ মণিৰাম



অপমানজনক বুলি বিদ্ৰোহ নকৰাকৈ হাত সাৱটি বহি থাকিব নোৱাৰিলে।

ভাৰতৰ ইতিহাসত ১৮৫৭ চন বিশেষ গুৰুত্বপূৰ্ণ। ভাৰতৰ পোন-প্ৰথম স্বাধীনতা সংগ্ৰামৰ জুইকুৰা এই বছৰতে দপ্‌দপকৈ জ্বলি উঠি সমগ্ৰ ভাৰতবৰ্ষ কপাঁই তুলিলে। ইমূৰৰ পৰা সিমূৰলৈ সকলোতে বৃটিছ শাসনৰ বিৰুদ্ধে বিদ্ৰোহীসকল গুজৰি-গুমৰি উঠিল। বিদ্ৰোহৰ ৰুদ্ৰ-শঙ্খধ্বনিয়ে গোটেই দেশ ঝঙ্কাৰিত কৰি তুলিলে। ইংৰাজসকলে এই বিদ্ৰোহক চিপাহী বিদ্ৰোহ বুলি অভিহিত কৰিছে যদিও, প্ৰকৃততে ক'বলৈ গলে এই বিদ্ৰোহ আছিল সমগ্ৰ দেশপ্ৰেমিক, জাতীয়ভাৱাপন্ন ভাৰতীয় জনগণৰহে বিপ্লৱ। বৃটিছ শাসনৰ বিৰুদ্ধে ভাৰতীয় জনতা ঐক্যবদ্ধ হৈ স্বাধীনতাৰ মহামন্ত্ৰেৰে জাগি উঠিল। হিন্দুস্থানী চিপাহী-সকলে দেশব্যাপী বিদ্ৰোহৰ জুই জ্বলাই তুলিলে। লাখ লাখ দেশহিতৈষী ভাৰতীয় জনতাই বিপ্লৱত জপিয়াই পৰি প্ৰাণ আহুতি দিলে। এই মুক্তি সংগ্ৰামৰ জুইকুৰাই অসমকো ছানি ধৰিলে। অসমৰ লুপ্ত স্বাধীনতাৰ গৌৰৱ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সুচল আৰু সুবিধা বিচাৰি হাবাথুৰি খোৱা মণিৰাম দেৱানে এই বিদ্ৰোহৰ সময়ত এক নতুন পথৰ সন্ধান পালে। তেওঁৰ নিৰাশ মনত আশাৰ সঞ্চাৰ হ'ল; নতুন উৎসাহ, নতুন বলত বলীয়ান হৈ বৃটিছৰ শাসন অসমৰ পৰা মষিমূৰ কৰাৰ আনন্দত উগ্ৰাৱল হৈ পৰিল।

দেশৰ বিভিন্ন ঠাইত সংঘটিত বিদ্ৰোহৰ আলেখ-লেখ বুজি মণিৰামে কলিকতাৰ পৰা অসমৰ কন্দৰ্পেশ্বৰ সিংহ, পিয়লি বৰুৱা আৰু আন আন বিশ্বাসযোগ্য ব্যক্তিলৈ গোপনে চিঠি প্ৰেৰণ কৰিবলৈ ধৰিলে। এই চিঠিবোৰ কলিকতাৰ পৰা কটকীয়ে আনি পিয়লি বৰুৱাৰ হাতত দিয়ে আৰু পিয়লিয়ে সকলোৰে মাজত বিতৰণ কৰি দিয়ে। ইংৰাজক অসমৰ পৰা খেদিবলৈ যুঁজ কৰাৰ অনুপ্ৰেৰণা মণিৰামৰ এই চিঠি-বোৰে অসমলৈ কঢ়িয়াই আনে। এবাৰ কন্দৰ্পেশ্বৰ সিংহলৈ লাখুটিৰ ভিতৰত এনে এখন চিঠি লিখি হৰকৰা (কটকী) ৰ হাতত মণিৰামে কলিকতাৰ পৰা পঠালে। কন্দৰ্পেশ্বৰ সিংহক হৰকৰাই চিনি নাপাই

চিঠিখন দিলে বৃটিছৰ পৰম ভক্ত অসমীয়া ডাৰোগা পৰ্বতীয়া বৰুৱা হৰনাথৰ হাতত। এই ডাৰোগাজন অসমীয়া লোক যদিও বৃটিছৰ কিনা গোলাম, দাসৰো দাস। তেওঁ আপোন ক্ষমতা আৰু স্বাৰ্থৰ বশৱৰ্ত্তী হৈ দেশ আৰু জাতিৰ স্বাৰ্থ সমূলি পাহৰি গৈছিল। পৰ্বতীয়া বৰুৱাই চিঠিখনৰ আখৰ মণিৰাম দেৱানৰ বুলি চিনি পালে। কৃতিত্বৰ গৌৰৱেৰে গোলামী মনোবৃত্তিৰ ডাৰোগা গৈ শিৱসাগৰ জিলাৰ ডেপুটি কমিচনাৰ হলৰুইডৰ ওচৰ পালেগৈ। তেওঁ চিঠিখন হলৰুইডৰ হাতত দিলে। হলৰুইড্ আৰু হৰনাথে অনুসন্ধান কৰি কন্দৰ্পেশ্বৰ সিংহক গ্ৰেপ্তাৰ কৰি কলিকতাৰ আলিপুৰ জেললৈ পঠিয়ালে। লগতে পিয়লি বৰুৱাকো একে অপৰাধত বন্দী কৰিলে। সিফালে কলিকতাৰ পৰা স্বাধীনতা সংগ্ৰামৰ বা-বাতৰিৰে অসমত থকা জাতীয় ভাৱাপন্ন লোকক উত্তেজিত কৰা মণিৰাম দেৱানক কলিকতাত আটক কৰি ৰখা হ'ল।

দেশৰ স্বাধীনতা আৰু জাতীয় গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ প্ৰাণপণে চেষ্টা কৰাটো সচেতন লোকৰ দায়িত্ব আৰু কৰ্ত্তব্য। সেয়েহে ভাৰতৰ মুক্তি সংগ্ৰামলৈ অনেক লোক ধৈৰ্য্য আৰু সাহসেৰে আগবাঢ়ি আহিল। অতি পৰিতাপৰ কথা, ভাৰতৰ স্বাধীনতাৰ হেতু সংগ্ৰাম কৰা এই লোকসকলক বৃটিছ চৰকাৰে বিদ্ৰোহী বুলি অভিহিত কৰিলে। বিদ্ৰোহী-সকলৰ ষড়যন্ত্ৰৰ বিচাৰ কৰিবলৈ সকলো প্ৰকাৰৰ ক্ষমতা শিৱসাগৰ জিলাৰ ডেপুটি কমিচনাৰ হলৰুইড্ চাহাবক দিয়া হ'ল। এইজনা বিচাৰক চাহাবৰ একপক্ষীয় বিচাৰত বিনাদোষী কিমানে প্ৰাণ হেৰুৱালে, কিমানে ফাটেক খালে আৰু কিমানে দ্বীপান্তৰ হ'ল তাৰ সীমা-সংখ্যা নাই। অসমত বৃটিছ খেদা আন্দোলনৰ গুৰিয়াল মণিৰাম দেৱান। বন্দী মণিৰাম বৃটিছৰ প্ৰধান চিকাৰ। আগে ফাঁচী, পিছত বিচাৰ (We'll hang you first, try you afterwards) যিজনা বিচাৰকৰ বিচাৰ ৰীতি; সেইজনা হলৰুইড্ চাহাবৰ যোৰহাট আদালতত বন্দী মণিৰামক বিচাৰৰ বাবে হাজিৰ কৰা হ'ল। ১৮৫৮ খৃষ্টাব্দৰ ২৩ ফ্ৰেব্ৰুৱাৰী তাৰিখে হলৰুইড্ চাহাবে আদালতত বিচাৰৰ ভেকো-



ভাওনা পাতিলে। দেশপ্ৰেমিক আৰু মুক্তি সংগ্ৰামৰ অক্লান্ত যুঁজাৰু নেতা মণিৰামক এই বিচাৰত ৰাজদ্ৰোহী বুলি ঘোষণা কৰি ফাঁচী কাঠত তুলি মৃত্যুদণ্ড বিহিবলৈ আদেশ দিয়া হ'ল। ফাঁচী কাঠৰ নিমন্ত্ৰণ মণিৰামে গ্ৰহণ কৰিলে—

"ফাঁচী কাঠে মাতিছে আমাক
আমি তাৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই।"

সুদূৰৰ বিদেশী বৃটিছ শাসকে বিচাৰ কৰি অসমীয়াৰ সুসন্তান মণিৰামক অসমীৰ বুকুত ফাঁচী কাঠত তুলি ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত আমাৰ মাজৰ পৰা চিৰ বিদায় দিলে। দেশপ্ৰেমিক, বিচক্ষণ ৰাজনীতিজ্ঞ, স্বাধীনমনা অক্লান্ত সংগ্ৰামী, নিঃস্বাৰ্থ অসমী সন্তান, সিংহপুৰুষ মণিৰাম দেৱানে জীৱনৰ শেষ নিশ্বাস পৰ্য্যন্ত বিদ্ৰোহ-বহ্নিৰ জলন্ত ফিৰিঙতি হৈ দেশৰ পৰাধীনতাৰ গ্লানিৰ দুৰ্দশাত চকুপানী টুকি বিদায় মাগিলে। অসমৰ স্বাধীনতা যুঁজৰ পিছৰ যুঁজাৰুসকলৰ আদৰ্শ-সিংহপুৰুষ মণিৰামে দেশমাতৃকাৰ সেৱা কৰিবলৈ গৈ ফাঁচী কাঠত ওলমি মৰণক আঁকোৱালি লৈ মৃত্যুঞ্জয়ী বীৰ হৈ জগতত অক্ষয় কীৰ্ত্তি ৰাখি থৈ গ'ল।

NOWGONG GIRL'S COLL.G. LIBRARY
ACC No 19448
Date ..........
NOWGONG (ASSAM)

*অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা সংগ্ৰামৰ অগ্ৰিনায়ক*

# আনন্দৰাম ঢেকিয়ালফুকন

অসমৰ ৰাজ্যিক ভাষা অসমীয়া। অসমীয়া ভাষা অতি প্ৰাচীন আৰু চহকী। কিন্তু অতি পৰিতাপৰ কথা যে ইংৰাজে অসম লোৱাৰ পিছৰে পৰা অসমীয়া ভাষা লুপ্ত হৈ যাবলৈ উপক্ৰম কৰে। ইংৰাজ শাসকসকলৰ লগত অসমলৈ অহা অনা-অসমীয়া কেৰাণী, মহৰী, টেকেলা আদিৰ কুপ্ৰৰোচনাত ইংৰাজী ১৮৩৬ চনৰ পৰা অসমৰ শিক্ষালয় আৰু আদালতৰ পৰা অসমীয়া ভাষাই বিদায় মাগিলে। অসম মাতৃৰ প্ৰকৃত সন্তান অসমীয়া ভাষাৰ ঠাইত মাহীমাকৰ সন্তান বঙলা ভাষাই খোপনি পুতিলে। সেইসময়ৰ অসমীয়া ভাষাৰ বিপৰ্য্যয়ৰ কাহিনী মনত পৰিলে ভাষা-প্ৰেমিকে দুধাৰি চকুপানী নুটুকি নোৱাৰে। কিয়নো ১৮৩৭ চনৰ আইন আৰু দণ্ডবিধি মতে ভাৰতৰ প্ৰত্যেক ৰাজ্য বা প্ৰদেশত নিজ নিজ আঞ্চলিক ভাষা শিক্ষালয় আৰু আদালতত ব্যৱহাৰ কৰিব দিয়া হ'ল; কিন্তু অসমীয়া ভাষা সেই আইনৰ পৰা বঞ্চিত হৈ থাকিল। অসমীয়া ভাষাৰ ঠাই বঙলা ভাষাই দখল কৰা সময়ত অসমীয়া ভাষাৰ হৈ বুকু ডাঠি কবলৈ আগবাঢ়ি অহা বা আন্দোলন চলাব পৰা অসমীয়াৰ উমৈহতীয়া শক্তিৰ অভাৱ আছিল। এনে দুৰ্যোগৰ সময়ত সুদূৰ আমেৰিকাৰ পৰা ধৰ্ম প্ৰচাৰক কেইজনমান আহি অসমত পদাৰ্পণ কৰিলে—খৃষ্টান ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যেৰে। এই প্ৰচাৰকসকলে "অচমিয়া ভাসা ব্ৰহ্মপুত্ৰ নদিৰ সোঁতৰ নিচিনাকৈ ৰাজ্যৰ মাজত একেদৰে আছে আৰু আগলৈকো চলিব।"—বুলি স্পষ্টকৈ কবলৈ ধৰিলে আৰু লগে লগে কাৰ্য্যক্ষেত্ৰত জপিয়াই পৰিল। মাইলচ্ ব্ৰন্সন নামৰ এজন ধৰ্মপ্ৰচাৰকে অসমীয়াত অভিধান নথকাৰ বাবে



চৈধ্যহেজাৰ (১৪,০০০) শব্দযুক্ত এখন অভিধান উলিয়ালে আৰু অসমীয়া ভাষা অসমৰ ৰাজ্যভাষা হ'বই লাগিব বুলি দাবী উত্থাপন কৰিলে।

ইংৰাজ শাসকসকলৰ লগত আমেৰিকান ধৰ্মপ্ৰচাৰসকলৰ ভাষা সম্পৰ্কীয় বাক্-বিতণ্ডাত যোগ দিবলৈ সেই দুৰ্যোগৰ ক্ষণত আগবাঢ়ি আহিল অসমীয়া জাতীয় বীৰ আনন্দৰাম ঢেকিয়ালফুকন। "বঙ্গদেশত ব্ৰহ্মপুত্ৰ সোমোৱাৰ দৰে এদিন নিশ্চয় চহকী সাহিত্য বঙলা ভাষা অসমত সোমাবই।" — বুলি ইংৰাজসকলে কৰা ষড়যন্ত্ৰ আৰু অপচেষ্টাত চেঁচাপানী ঢালিবলৈ অসমীয়া ভাষাৰ হকে যুক্তি তৰ্ক কৰা আমেৰিকান ধৰ্ম প্ৰচাৰকসকলে আনন্দৰামৰ সহায়-সহযোগ পাই যথেষ্ট শক্তি আৰু সুবিধা পালে।

অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ অক্লান্ত শ্ৰম আৰু সাহসেৰে আগবঢ়া আনন্দৰামৰ জন্ম হয় হলিৰাম ঢেকিয়ালফুকনৰ গৃহত ইং ১৮২৯ চনত। তেওঁৰ মাকৰ নাম আছিল প্ৰসুতি। আনন্দৰামৰ দেউতাক হলিৰাম ঢেকিয়ালফুকন সেইসময়ত এজন বিজ্ঞ ব্যক্তি আছিল। 'কামাখ্যা যাত্ৰা পদ্ধতি' নামৰ সংস্কৃত গ্ৰন্থ আৰু 'আসাম বুৰঞ্জী' নামৰ বঙলা ভাষাত ৰচনা কৰা গ্ৰন্থ দুখনিৰ ৰচকজনাই আছিল হলিৰাম ঢেকিয়ালফুকন। পাঁচ বছৰ বয়সত আনন্দৰামৰ বিদ্যা-শিক্ষা আৰম্ভ হয়। তেওঁ অতি কম দিনৰ ভিতৰতে শিক্ষাত বিশেষ পাৰদৰ্শিকতা দেখুৱাই সুপ্ৰতিভাৰ পৰিচয় দিলে। সেই সময়ৰ ৰীতিমতে বঙলা ভাষা শিকিবলগীয়া হৈছিল যদিও কিবা আচহুৱা আৰু পৰ পৰ যেন লাগি তেওঁ বঙলা ভাষাত বুৎপত্তি লাভ কৰিব নোৱাৰিলে। ১৮৩৫ চনত চৰকাৰে গুৱাহাটীত যি ইংৰাজী পঢ়াশালি প্ৰতিষ্ঠা কৰিছিল; সেই পঢ়াশালিত ১৮৩৭ চনত আনন্দৰামে ইংৰাজী পঢ়িবলৈ লয়। কমিছনাৰ কেপ্তেইন জেন্‌কিন্স আৰু ডেপুটি কমিছনাৰ কেপ্তেইন জেম্‌চ মেথীৰ পৰা মৰম আৰু উৎসাহ পাই আনন্দৰামে ইংৰাজী শিক্ষাত সুখ্যাতি লাভ কৰে। ১৮৪১ চনত মেথী চাহাবৰ লগত বিদ্যা শিক্ষা লবলৈ নাৱেৰে কলিকতালৈ গৈ হিন্দু কলেজত জুনিয়ৰ বিভাগৰ তৃতীয় শ্ৰেণীত নাম ভৰ্তি

কৰে। ১৮৪৪ চনলৈ চাৰি বছৰ শিক্ষা লাভ কৰি চিনিয়ৰ বিভাগৰ তৃতীয় শ্ৰেণীত নাম ভৰ্ত্তি কৰাৰ পিছতে ঘৰুৱা অশান্তিত মাক প্ৰসূতিয়ে মাতি পঠালত তিমানতে শিক্ষাৰ ওৰ পেলাই আনন্দৰাম অসমৰ ঘৰলৈ ঘূৰি আহিল।

১৮৪৫ চনৰ বহাগত পশুপতি ফুকনৰ দ্বিতীয় কন্যা মাহিন্দ্ৰীৰ লগত আনন্দৰামৰ বিবাহ কাৰ্য্য সম্পাদন হয়। আৰ্থিক অভাৱৰ কাৰণে জেন্‌কিন্স আৰু মেথী চাহাবৰ পৰামৰ্শ মতে ফুকনে ১৮৪৭ চনত খাতা জিন্মাদাৰৰ পদ গ্ৰহণ কৰে। এবছৰ পিছত নলবাৰীত অস্থায়ী মুন্সিফ, ১৮৪৯ চনত ছব্‌-এছিচ্‌টেণ্ট আৰু কিছুদিন পিছত বিজনী ৰজা অমৃতনাৰায়ণ ভূগৰ দেৱান পদ গ্ৰহণ কৰে। শেষত আনন্দৰামে এছিচ্‌টেন্ট কমিছনাৰ আৰু সদ্‌ৰামিনৰ দৰে মৰ্য্যাদাৰ পদো পায়। মাথোন কেইবছৰমানৰ ভিতৰতে ডেকা ফুকনে কেইবাটাও পদবী গ্ৰহণ কৰি দক্ষতাৰ পৰিচয় দিবলৈ সমৰ্থবান হয়।

বিভিন্ন চাকৰিত বিভিন্ন ঠাইত ঘূৰি ফুৰিবলৈ সুবিধা পাই ফুকনে অসমৰ বিভিন্ন অৱস্থাৰ বিষয়ে সুজ্ঞান লাভ কৰিলে। উপযুক্ত সময়ত জাতিৰ কামত দেহ-মন অৰ্পণ কৰিবলৈ ঢেকিয়ালফুকনে দৃঢ়সংকল্প গ্ৰহণ কৰিলে। সেই সময়ত ঢেকিয়ালফুকনে দেখিলে বঙলা ভাষাই অসমীয়া ভাষাক গিলি পেলাবলৈ উপক্ৰম কৰিছে। অসমীয়া ভাষাৰ এনে দুৰ্দ্দশা দেখি তেওঁৰ অন্তৰ কান্দি উঠিল। চিৰচেনেহী ভাষা-জননীক মুক্ত কৰিবলৈ তেওঁ সংগ্ৰামত জপিয়াই পৰিল। সেই উদ্দেশ্যৰে ফুকনে বঙলা, হিন্দী, ফাৰ্চী আৰু ইংৰাজী ভাষা ভালদৰে আয়ত্ব কৰি ললে। ইংৰাজী চাহাবৰ দৰে অকণো আৱ্ (খোঁকোজা) নলগাকৈ সৰ্‌সৰাই ফুকনে ইংৰাজী কব পৰা হ'ল। সেইদৰে আনকেইটা ভাষাতো সুন্দৰভাবে বক্তৃতা দিয়াৰ ক্ষমতা তেওঁ অৰ্জন কৰিলে। বঙলা, হিন্দী আদি ভাষাৰ লগত অসমীয়া ভাষাৰ তুলনামূলক আলোচনাৰ দ্বাৰা ফুকনে প্ৰমাণ কৰিলে যে ভাৰতীয় কোনো প্ৰাদেশিক ভাষাতকৈ অসমীয়া ভাষা নিম্ন খাপৰ নহয়। বাক্‌পটু, যুক্তিবাদী ফুকনে অসমীয়া ভাষাৰ হকে যুক্তি তৰ্ক কৰি জাতীয় প্ৰেমৰ সুপৰিচয় দেখুৱাই থৈ গ'ল।



১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা আমেৰিকান ধৰ্মপ্ৰচাৰকসকলে 'অৰুনোদই' নামৰ এখনি আলোচনী কাকত উলিয়ায়। এইখনেই অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী। এই আলোচনী প্ৰায় ৩৮ বছৰ জুৰি চলিছিল। 'অৰুনোদই' ৰ পাতত অসমীয়া লোকসকলৰ মাজত যিসকল খ্যাতিৱন্ত লোক ওলাইছিল তাৰ মাজত আনন্দৰাম ঢেকিয়ালফুকন আছিল অদ্বিতীয়। আনন্দৰামৰ আদৰ্শেৰে গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে যি অৱদান আগবঢ়াই থৈ গ'ল, তাৰ মূল্য অতুলনীয়।

অসম আৰু অসমীয়া ভাষা ফুকনৰ অতি আপোন, আপোনতকৈও আপোন। অসমীয়া ভাষাৰ উন্নতিয়েই অসমৰ উন্নতি বুলি ফুকনে ভালদৰে বুজিছিল। অসমৰ পঢ়াশালিত বঙলা ভাষাৰ প্ৰচলন ফুকনে সহ্য কৰিব নোৱাৰি পঢ়াশলীয়া পাঠ্যপুথিৰ উপযোগীকৈ ১৮৪৯ খৃঃত 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামৰ পুথি এখন লিখি উলিয়ায়। 'অসমীয়া ল'ৰাৰ মিত্ৰ' পুথিখন সম্পৰ্কে 'অৰুনোদই' নামৰ আলোচনীখনে আগবঢ়োৱা মন্তব্যৰ পৰা অসমীয়া ভাষা-সাহিত্য আৰু জাতিৰ উন্নতি আৰু মঙ্গলৰ কাৰণে ফুকনে কেনে চিন্তা আৰু শ্ৰম কৰিছিল তাক সহজে বুজিব পাৰি। 'অৰুনোদই'ত উল্লেখ আছে "শ্ৰীজুত বাবু আনন্দিৰাম ফুকনে কলিকতালৈ গৈ হিন্দু কলেজত ভালৰূপে ইংৰাজী বিদ্যা সিকিলে। পিচে গুআহাটীলৈ উভতি আহি আপোন অসম দেশৰ উপকাৰ হবৰ নিমিত্তে চিন্তা কৰি যেতিয়া আহৰি পাই—তেতিয়া অলপ অলপকৈ এনে কিতাপ লিখিবলৈ ধৰিলে আৰু বহু পৰিশ্ৰমেৰে ইংৰাজি ভাষাৰ পৰা অসমীয়া ভাষালৈ এই কিতাপ লেখি আৰু কলিকতাত সুন্দৰ আখৰেৰে চপালে" ঢেকিয়ালফুকনৰ অসম প্ৰেমৰ ইয়াতোকৈ আৰু কি ডাঙৰ উদাহৰণ লাগে। ওঠৰ বছৰ বয়সত 'অৰুনোদই'ত প্ৰকাশ হোৱা 'ইংল্যাণ্ডৰ বিৱৰণ' প্ৰবন্ধ ফুকনৰ সাহিত্যিক জীৱনৰ আৰম্ভণি। আধুনিক যুগৰ গদ্য-সাহিত্যৰ প্ৰবৰ্ত্তক স্বৰূপে ফুকন এজন শ্ৰেষ্ঠ গদ্য-সাহিত্যিক বুলি পৰিগণিত হৈছে।

অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষাৰ বেদখল জাতিৰ সু-সন্তান ফুকনে সহিব নোৱাৰিলে। অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সাহসী ফুকনে কৰা কঠোৰ প্ৰচেষ্টা বিশেষ মন কৰিবলগীয়া। ১৮৫৩ চনত অসমৰ প্ৰশাসন বিষয়া মোফাট্ মিল্‌ছ বিচাৰৰ বাবে অসমলৈ অহাত ঢেকিয়ালফুকনে অসমীয়া ভাষাৰ ন্যায্য দাবী স্পষ্ট ভাষাত লিখি এখন যুক্তিপূৰ্ণ প্ৰতিবেদন দাখিল কৰে। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, প্ৰাচীনতা আৰু কিয় অসমত অসমীয়া ভাষা প্ৰচলন হব লাগে, তাক অখণ্ড যুক্তিৰে প্ৰতিপন্ন কৰিবলৈ ১৮৫৫ ত তেওঁ আন এখন কিতাপ লিখিলে। ইংৰাজীত লিখা এই কিতাপখনৰ নাম আছিল A Few Remarks on the Assamese Language and Vernacular Education in Assam অৰ্থাৎ অসমীয়া ভাষা সম্পৰ্কে কেইটিমান কথা—পুথিখন A Native ছদ্মনামত প্ৰকাশ পায় যদিও অসমীয়া লোক আনন্দৰামে লিখা বুলি সকলোৱে বুজিলে। আমেৰিকান ধৰ্ম প্ৰচাৰকসকলে ফুকনৰ এনে বলিষ্ঠ কাৰ্য্যৰ কাৰণে অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু বেচি সুচল আৰু সাহস পালে। বৃটিছ শাসনৰ আমোলত বিলুপ্ত হোৱা অসমীয়া ভাষা পুনৰ প্ৰচলন কৰিবলৈ ঢেকিয়াল-ফুকনে যি সংগ্ৰাম আৰম্ভ কৰিলে সেই সংগ্ৰামৰ আদৰ্শত অনুপ্ৰাণিত হৈ পিছৰ যুঁজাৰুসকলে অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰিলে।

"দীৰ্ঘাকৃতি বদন-মণ্ডল, উন্নত আৰু বহল কপাল, নিকা বগা দাঁতৰ শাৰী, উন্নত আৰু সুদীৰ্ঘ নাক, পাতল গোঁফ, বহল বুকু, লাহী কঁকাল, ডিঙিলৈ বাগৰি পৰা চুলি" বে সুদৰ্শন পুৰুষ আনন্দৰাম ঢেকিয়ালফুকনক ১৮৫৯ খৃঃত ত্ৰিশ বছৰ পূৰ নৌহওঁতে নিষ্ঠুৰ কালে হৰি লৈ যায়। এনে এজনা সংগ্ৰামশীল কৃতী সন্তানৰ অকাল মৃত্যু নিশ্চয় দেশৰ কাৰণে দুৰ্ভাগ্যৰ কথা। মাথোন এটা দশকহে মাতৃ ভাষা আৰু জাতিৰ সেৱা কৰিবলৈ সুযোগ পোৱা ঢেকিয়ালফুকনৰ কৰ্ত্তব্যনিষ্ঠা, ভাষাপ্ৰেম, জাতীয়তাবাদ, যুক্তিবাদ আৰু নিৰ্ভীকতা অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা থাকিব ●

# জাতীয় সাহিত্যিক
# লক্ষ্মীনাথ বেজবৰুৱা

"মৰিও অমৰ তেওঁ লিখনীৰে আপোনাৰ,
অসমীয়া ভাষা নাম আছে মানে জগতত,
কৃপাবৰ লক্ষীনাথ অমৰ ই মৰতত।"

মহান ব্যক্তিসকলে নিজৰ জাতিৰ উন্নতি সাধন তেওঁৰ জীৱনৰ ব্ৰত আৰু একমাত্ৰ উদ্দেশ্য বুলি ভাবে। জাতিৰ উন্নতিৰ কাৰণে সৰ্বস্ব ত্যাগ কৰি তেওঁলোকে জীৱনত শান্তি লাভ কৰে। অসমীয়া জাতিৰ উন্নতি আৰু মঙ্গলৰ কাৰণে জীৱন উছৰ্গা কৰি নিজক সৰ্বাঙ্গসুন্দৰ আৰু মহীয়ান কৰি তোলা ব্যক্তিসকলৰ ভিতৰত লক্ষীনাথ বেজবৰুৱা অন্যতম। শাৰীৰিক, মানসিক আৰু নৈতিক শক্তি প্ৰয়োগ কৰি জাতিৰ সেৱা কৰা বেজবৰুৱা অসমীয়াৰ চিৰনমস্য। জাতিৰ লগত সাহিত্যৰ সম্পৰ্ক অবিচ্ছেদ্য। বেজবৰুৱাই ভাষা-সাহিত্যৰ জৰিয়তে জাতিৰ সেৱা কৰি মৰতত অমৰ হৈ থাকিল।

যিসময়ত অসমীয়া ভাষা-সাহিত্যক বঙলা ভাষা-সাহিত্যই নিৰ্মূল কৰিবলৈ চেষ্টা কৰিছিল, সেইসময়ত অসমত কেইজনমান স্বদেশানুৰাগী-লোকৰ আৱিৰ্ভাৱ হৈছিল। অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে জীৱন উছৰ্গা কৰা জাতীয় নেতাসকলৰ ভিতৰত বেজবৰুৱা অদ্বিতীয়। জাতিৰ উন্নতিৰ মূলত যে মাতৃভাষা তাক বেজবৰুৱাই ভালদৰে উপলব্ধি কৰিছিল। বেজবৰুৱাৰ ভাষাত "এই মাতৃভাষাৰ সেৱাই আমাৰ দেশৰ সেৱা, আমাৰ জাতীয় জীৱনৰ আনন্দৰ বিজয় পতাকা, আমাৰ লুপ্ত গৌৰৱৰ পুনৰুত্থান—আমাৰ জীৱন-কৰ্ত্তব্যৰ শিৰৰ মুকুট।" সচাকৈয়ে মাতৃভাষাৰ সেৱা বেজ-বৰুৱাৰ জীৱনৰ একমাত্ৰ সাধনা আছিল।

আমাৰ সমাজত কথাৰ ফুলজাৰি মৰা লোক বহুত দেখিবলৈ পোৱা যায়। সমাজক ফাঁকি দি মাথোন স্বাৰ্থসিদ্ধি কৰাতহে তেনে লোকসকল ব্যস্ত। নিস্বাৰ্থ ভাৱে সমাজ বা জাতিৰ সেৱা কৰা লোক নিচেই কম। কোনো স্বাৰ্থ নোহোৱাকৈ বেজবৰুৱাই ভাষা, সাহিত্য, সমাজ আৰু জাতিৰ উন্নতিৰ কাৰণে যিখিনি কৰি গ'ল, তাৰ তুলনা পাবলৈ নাই। তেওঁ কথাতকৈ কাম বেচি কৰি দেখুৱাবলৈ সদায় যত্ন কৰিছিল।

অসমীয়া ভাষা-সাহিত্য আৰু জাতিৰ উন্নতিৰ কাৰণে অক্লান্ত শ্ৰম কৰা পুৰুষজনাৰ জন্ম কাহিনী অভিনৱ। বেজবৰুৱাৰ দেউতাক দীননাথ বেজবৰুৱা চৰকাৰী মুন্সিফ আছিল। চৰকাৰী চাকৰি বদলি হোৱাত দীননাথ বেজবৰুৱা নগাঁৱৰ পৰা বৰপেটালৈ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি নাৱেৰে সপৰিয়ালে যাত্ৰা কৰিলে। আঁহতগুৰি নামৰ ঠাইত সন্ধিয়া নাও ৰ'ল। আচৰিত কথা, তাতে লুইতৰ বুকুত নাৱৰ কুন্ধিত সৰিয়হৰ থৈলাৰ ওপৰত বানেশ্বৰী দেৱীৰ গৰ্ভত বেজবৰুৱাৰ জন্ম হ'ল। সেইদিনা আছিল লক্ষ্মী-পূৰ্ণিমা; ১৮৬৮ (১৮৬৪ ?) চনৰ ৫ অক্টোবৰ। শাৰদীয় পূৰ্ণিমাৰ জ্যোতিয়ে বৰ্ণমান বেজবৰুৱাৰ শৰীৰ উজ্জ্বল কৰি তুলিলে। পিছলৈ এই সুলক্ষণযুক্ত পুত্ৰটিয়ে পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে পোহৰ বিলাই জাতিৰ অন্ধকাৰ আঁতৰাই অসমক পোহৰাই তুলিলে।

ডাঙৰীয়া দীননাথ বেজবৰুৱাই চৰকাৰী কামত বিভিন্ন ঠাই ঘুৰি ফুৰিব লগা হৈছিল। দেউতাকৰ লগত পুত্ৰ লক্ষ্মীনাথে বৰপেটা, তেজপুৰ, উত্তৰ লখিমপুৰ, গুৱাহাটী প্ৰভৃতি ঠাইলৈ গৈ অসম মাতৃৰ লগত সম্পৰ্ক গঢ়ি তোলাৰ সুযোগ পাইছিল। দেউতাকৰ তেৰটি ল'ৰা আৰু চাৰিজনী ছোৱালীৰ মাজত লক্ষ্মীনাথ জাকতজিলিকা আৰু দেখনিয়াৰ। সকলো বিধৰ খেলা-ধূলা আৰু বল-বিক্ৰমত লক্ষ্মীনাথৰ সমকক্ষ কেওঁ নাছিল। দলচেলাই মাছমৰা, বৰশী বোৱা, গছত বগোৱা, পানীত সাতোঁৰা, ভুৰ খেলা আদি বিদ্যাত পাকৈত বুলি অযাইতং লক্ষ্মীনাথৰ সুনাম আছিল।



পঢ়া-শুনাৰ প্ৰতি লক্ষ্মীনাথৰ অনুৰাগ তিমান নাছিল। দেউতাকে চৰকাৰী কামৰ পৰা অৱসৰ লৈ শিৱসাগৰত থকিবলৈ লোৱাত তাতে বেজবৰুৱাক বঙলা আৰু ইংৰাজী বিদ্যালয়ত নাম লগাই দিয়ে। খেলা-ধূলাত ব্যস্ত, দুষ্ট ছাত্ৰৰ সঙ্গী লক্ষ্মীনাথৰ প্ৰথমতে পঢ়া-শুনাত অকণো মন নবহিল। এদিন এজন শিক্ষকে "তুমি সিংহৰ পোৱালী হৈ শৃগালৰ মিচিনা হলা কিয় ?"—বুলি তিৰস্কাৰ কৰাত লক্ষ্মীনাথে অন্তৰত আঘাত পাই পঢ়া-শুনাত মন দিলে। শিৱসাগৰ উচ্চ বিদ্যালয়ৰ পৰা ১৮৮৬ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ লক্ষ্মীনাথে কুৰি টকীয়া বৃত্তি এটা লাভ কৰিলে। তাৰ পিছত উচ্চ শিক্ষাৰ বাবে নতুন উৎসাহ-উদ্দীপনাৰে কলিকতালৈ গৈ এফ, এ আৰু বি, এ উপাধি লাভ কৰি দেউতাকৰ মনত আনন্দ দিয়ে। এম, এ আৰু বি, এল পঢ়িবলৈ লৈছিল যদিও বেজবৰুৱাৰ সেই উপাধি লাভ কৰা নহ'ল।

বি, এ উপাধি লাভ কৰাৰ পিছত অসম চৰকাৰে বেজবৰুৱাক দুবাৰো মুন্সিফ্ কাম যাচিছিল। কিন্তু স্বাধীনচেতা বেজবৰুৱাই চৰকাৰী চাকৰি গ্ৰহণ নকৰিলে। কলিকতাত উচ্চ শিক্ষা লৈ থকা সময়ত চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ লগত বেজবৰুৱাৰ মিলন ঘটে। বেজবৰুৱা, আগৰৱালা আৰু গোস্বামীৰ সন্মিলিত ত্ৰি-শক্তিয়ে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধন কৰিবলৈ চেষ্টা চলালে। তেওঁলোকে জাতীয় ভাষা-সাহিত্যক এক নতুন ৰূপ দান কৰি সকলোৰে সুদৃষ্টি আকৰ্ষণ কৰিলে।

চৰকাৰী চাকৰি নেওচা দি বেজবৰুৱাই স্বাধীন ব্যৱসায় কৰি স্বাধীন চিন্তাৰে জাতিৰ সেৱা কৰিবলৈ উঠিপৰি লাগিল। জাতিৰ সেৱা জীৱনৰ উদ্দেশ্য বুলি ধৰি বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ অক্ষয় বন্তিগছি জ্বলালে। পোনতে তেওঁ কলিকতাৰ প্ৰখ্যাত অসমীয়া সদাগৰ ভোলানাথ বৰুৱাৰ লগত কাঠৰ ব্যৱসায় কৰি যথেষ্ট উন্নতি কৰিলে। ভোলানাথ বৰুৱাৰ লগত ব্যৱসায় সংক্ৰান্তত মনোমালিন্য ঘটাত বেজবৰুৱাই স্বাধীনভাৱে সম্বলপুৰত কাঠৰ কাৰবাৰ কৰিবলৈ

**'অ' মোৰ অসমী আই' বুলি ভাষা-সাহিত্য-সংস্কৃতি-সেৱাবে অসমীয়া জাতিক সৰ্বাঙ্গ-সুন্দৰ কৰি তুলিবলৈ জীৱন জুৰি সাধনা কৰি মৰিও অমৰ হোৱা—**



# জাতীয় সাহিত্যিক লক্ষ্মীনাথ



ললে। কাঠৰ ব্যৱসায় বেজবৰুৱাৰ জীৱিকাৰ পথ। চাকৰিলৈ লিপ্সা নথকা শিক্ষিত লোক সেই সময়ত নাছিলেই। বেজবৰুৱাই তেনে উচ্চ ডিগ্ৰী লাভ কৰিও যাচি দিয়া হাকিম পদ প্ৰত্যাখ্যান কৰি মহান ত্যাগৰ আদৰ্শ দাঙি ধৰিলে। বেজবৰুৱাই ব্যৱসায়ৰ দ্বাৰা জীৱিকা চলাই স্বদেশ বা জাতিৰ মঙ্গলৰ কাৰণে সাহিত্য সেৱা কৰি যি আদৰ্শ দেখুৱালে তেনে আদৰ্শ আমাৰ মাজত বিৰল।

বেজবৰুৱা উন্নত মনৰ মহান ব্যক্তি। কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ লগত তেওঁৰ বৈবাহিক সম্বন্ধ ঘটে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভতিজা ছোৱালী প্ৰজ্ঞাসুন্দৰীক তেওঁ বিয়া কৰায়। বঙালী ছোৱালীক বিয়া কৰোৱা সেইসময়ত অসমীয়া সমাজত ডাঙৰ বাধা আছিল। বেজবৰুৱাই এনে বাধাৰ কোনো যুক্তি নেদেখিলে। সেই সময়ত লক্ষ্মীনাথ বেজবৰুৱাই বঙালী ছোৱালী বিয়া কৰাই সৎসাহস আৰু উচ্চ মনৰ সুপৰিচয় দিলে। সুবিখ্যাত বঙলা সাহিত্যিক ঠাকুৰ পৰিয়ালৰ লগত যদিও বৈবাহিক সম্বন্ধ পাতিলে, নাইবা অসমৰ বাহিৰত কলিকতা আৰু সম্বলপুৰত ব্যৱসায় কৰিলে; তথাপি বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰাত অকণো অমনোযোগী বা অনুৎসাহিত নহ'ল। বৰঞ্চ তেওঁ অসমীয়া বিৰোধী বঙালীসকলৰ আগত বিজয়-দুন্দুভি বজাই অসমীয়া ভাষা অ'ৰু সাহিত্যৰ জেউতি আৰু গৌৰৱ বঢ়ালেহে।

বেজবৰুৱা বৰ্ত্তমান যুগৰ বহুমুখী প্ৰতিভাশালী অসমীয়া শ্ৰেষ্ঠ সাহিত্যিক। অসমীয়া সাহিত্যৰ আটাইকেইটা অঙ্গ বেজবৰুৱাৰ লেখনিৰ দ্বাৰা পৰিপুষ্ট হৈছিল। গল্প, উপন্যাস, নাটক, ৰচনা, সাধুকথা, কবিতা, জীৱনী, ধৰ্মমূলক আখ্যান-তত্ত্ব আদি বিষয়ৰ সাহিত্য বেজবৰুৱাই ৰচনা কৰিছিল। আধুনিক অসমীয়া সাহিত্যৰ সবাতোকৈ শ্ৰেষ্ঠ আসনখন বেজবৰুৱাই লাভ কৰিছে। বহুমুখী সাহিত্যিক হিচাবে আধুনিক সাহিত্যিক বেজবৰুৱাক প্ৰাচীন যুগৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক শঙ্কৰদেৱৰ লগতহে তুলনা কৰিব পাৰি। পাঁচ শ বছৰ পূৰ্বে শঙ্কৰ-

দেৱে বহুমুখী প্ৰতিভাৰে অসমীয়া ভাষা–সাহিত্য আৰু জাতিক নতুন আলোক দান কৰাৰ দৰে বৰ্ত্তমান যুগত বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্য আৰু জাতিক সজীৱ আৰু উজ্জ্বল কৰি থৈ গৈছে ।

১৮৮৯ চনৰ জানুৱাৰী মাহত 'জোনাকী' কাকত ওলায় । চন্দ্ৰ-কুমাৰ আগৰৱালা এই কাকতৰ প্ৰথম সম্পাদক । 'জোনাকী' আলোচনীত বেজবৰুৱাৰ প্ৰথম ধেমেলীয়া নাট 'লিতিকাই' প্ৰকাশ পায় । 'লিতিকাই' ৰ পিছত লঘু কাৰ্য্যৰ জৰিয়তে জনসাধাৰণক হাঁহিৰ খোৰাক যোগাবলৈ 'চিকৰপতি-নিকৰপতি', 'নোমল' আৰু 'পাচনী' নামৰ ধেমেলীয়া নাট বেজবৰুৱাই ৰচনা কৰে । বেজবৰুৱা মানুহজন কিমান হাস্যৰসিক তাৰ প্ৰমাণ উক্ত নাট কেইখনে দাঙি ধৰিছে । অসমীয়া সমাজৰ মলি-মামৰবোৰ আঁতৰ কৰিবলৈ বেজবৰুৱাই কঠোৰ চেষ্টা কৰিছিল । সমাজৰ আৱৰ্জনাসমূহ আঁতৰ কৰিবলৈ ব্যঙ্গ আৰু হাস্যৰসৰ গদ্য পুথি কেইখনমানো তেওঁ ৰচনা কৰে । 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', 'কৃপাবৰ বৰুৱাৰ ওভতনি', 'বৰবৰুৱাৰ ভাৱৰ বুৰ্‌বুৰণি', 'বৰবৰুৱাৰ বুলনি' নামৰ পুথিকেইখন এই প্ৰসঙ্গত উল্লেখযোগ্য । বেজবৰুৱা আছিল অসমীয়া জনসাধাৰণৰ মাজৰ এজন । অসমীয়া জনসাধাৰণৰ মাজত চলা অতি আমোদজনক আৰু সৰৰ্‌হী কথাবোৰ বেজবৰুৱাৰ বৰ ভাল লাগে । সেয়েহে তেওঁ 'সাধুকথাৰ কুকি' 'জোনৰিৰি', 'সুৰভি', 'ককাদেউতা আৰু নাতিল'ৰা', 'বুঢ়ীআইৰ সাধু' 'জুনুকা' নামৰ গল্প বা সাধু কিতাপ কেইখন ৰচনা কৰিছিল । ধেমেলীয়া নাট কেইখনৰ উপৰিও, বেজবৰুৱাই কেইখনমান বুৰঞ্জীমূলক নাটো ৰচনা কৰে । বুৰঞ্জীৰ ঘটনাৰ আলমত ৰচনা কৰা 'বেলিমাৰ', 'জয়মতী কুঁৱৰী', 'চক্ৰধ্বজ সিংহ' আৰু 'গদাধৰ' অসমীয়া নাট্য-সাহিত্যৰ অমূল্য সম্পদ ।

বেজবৰুৱা কবি আৰু ঔপন্যাসিকো । 'কদমকলি' এখন উৎকৃষ্ট অসমীয়া কবিতা পুথি । 'কদমকলি' স্বদেশপ্ৰেম আৰু ওখ ভাবৰ কবিতাৰে পৰিপুষ্ট । 'পদুম-কুঁৱৰী' নামৰ এখন উপন্যাসো বেজবৰুৱাই ৰচনা কৰে । এইখন এখন বুৰঞ্জীমূলক অনুপম উপন্যাস । 'শ্ৰীশ্ৰীশঙ্কৰদেৱ', 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ', 'দীননাথ বেজবৰুৱা' এই তিনিখন তেওঁৰ অতি সুন্দৰ জীৱনীমূলক গ্ৰন্থ । 'তত্ত্বকথা', 'শ্ৰীভাগৱত-কথা,' 'কামত কৃতিত্ব লভিবৰ সঙ্কেত', 'বাখৰ' আদি বেজবৰুৱাৰ সাবলীল ভাষাত ৰচনা কৰা পুথি । 'জোনাকী' আলোচনীৰ মৃত্যুৰ পিছত ১৯০৯ চনত 'বাঁহী' নামৰ আন এখন আলোচনী উলিয়াই বেজ-বৰুৱাই অসমীয়া কাব্য-সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়ায় । অসমৰ সমাজ, ভাষা, ধৰ্ম, শিক্ষা, সাহিত্য আদিক 'বাঁহী'য়ে পোহৰাই তোলে । এককথাত 'জোনাকী'ৰ আধৰুৱাখিনি 'বাঁহী' আলোচনীয়ে সম্পূৰ্ণ কৰে ।



বেজবৰুৱা আছিল সুবক্তা । অসমৰ বাহিৰত তেওঁ অসমৰ গৌৰৱ বঢ়াইছিল । বৰদাত গাইকোঁৱৰৰ আমন্ত্ৰণ ক্ৰমে ১৯৩৩ চনত বৈষ্ণৱ ধৰ্ম আৰু শ্ৰীকৃষ্ণৰ ৰাসক্ৰীয়াৰ ওপৰত দিয়া বক্তৃতা অতি উচ্চ খাপৰ আৰু আকৰ্ষণীয় হৈছিল । নাগপুৰত অনুষ্ঠিত ভাৰতীয় কংগ্ৰেছ মহা-সভাৰ অধিবেশনত অসমৰ প্ৰতিনিধি স্বৰূপে বেজবৰুৱাই পোন প্ৰথমে যোগদান কৰিছিল । সম্বলপুৰত থাকোঁতে তাত একেৰাহে তিনিবাৰকৈ পৌৰসভাৰ সদস্য আছিল । অসম সাহিত্য সভাৰ ৯ম অধিবেশনত সভাপতিৰ পদ বেজবৰুৱাই শুৱনি কৰিছিল । সেই অধিবেশনত তেওঁ অসমীয়া জনগণক ভাষা-সাহিত্য আৰু জাতিৰ উন্নতিৰ কাৰণে হিয়া-খুলি যি অনুপ্ৰেৰণা আৰু উৎসাহ দান কৰিলে তাৰ দ্বাৰা বেজবৰুৱাৰ অসম আৰু অসমীয়াৰ প্ৰতি থকা কৰ্ত্তব্যৰ সুপৰিচয় পোৱা যায় ।

'অ' মোৰ অসমী আই' বুলি মনেপ্ৰাণে চিঞৰা বেজবৰুৱাই পৃথিবীৰ ক'তো অসমৰ দৰে চিকুণি সুৱলা-সুফলা মৰমৰ ঠাই এখন নাপালে । যিখন দেশ তেওঁ অন্তৰেৰে ভাল পায়, যিখন দেশৰ সুৱদী সুৰীয়া মাত-কথা সদায় শুনি থাকিবৰ মন যায়, যিখন দেশৰ অপৰূপ ৰূপ সদায় চাই থাকিবৰ তেওঁৰ হাবিয়াস, সেইখন দেশ অসমত ১৯৩৮ খৃঃত বেজবৰুৱাৰ জীৱনৰ পৰিসমাপ্তি ঘটে ।।

ভাষা, সমাজ, সাহিত্য, সংস্কৃতি-সেৱাৰে অসমীয়া জাতিক সৰ্বাঙ্গ-সুন্দৰ কৰি থৈ যোৱা বেজবৰুৱাৰ জ্যোতি চিৰদিনলৈ জিলিকি থাকিব ●

# নিস্বাৰ্থ দেশসেৱক

# কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

"ডেকা গাভৰুৰ দল, বীৰ বীৰাঙ্গনাৰ দল,
নতুন তেজেৰে ৰাঙলী ৰূপহী কৰাহি ধৰণী তল—
খোজৰ ভৰত কপঁক ধৰণী,
তৰুণ চকুত জ্বলক অগনি
শত সহস্ৰ মৃত্যু নেওচি
ব'ল আগুৱাই ব'ল।"

ডেকা-গাভৰু, বীৰ-বীৰাঙ্গনাক মৃত্যুলৈ ভয় নকৰি স্বাধীনতাৰ মহাৰণত জপিয়াই পৰিবলৈ আৱাহন জনোৱা নিৰ্ভীক, ত্যাগী আৰু দেশ-সেৱক পুৰুষজনাই আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। পৰাধীনতাৰ শিকলিৰ পৰা ভাৰতক মুক্ত কৰিবলৈ মুক্তি সংমাগ্ৰত জপিয়াই পৰা অসমী আইৰ আগৰণুৱা বৰদলৈদেৱৰ ওচৰত অসমীয়া জাতি চিৰঋণী। কৰ্ত্তব্যৰ প্ৰতি সোঁৱৰাই দি অসমৰ জনসাধাৰণক জগাই তুলিবলৈ কৰ্মবীৰ বৰদলৈদেৱে জীৱন জুৰি যি কঠোৰ শ্ৰম কৰিলে সি অতুলনীয়। স্বাৰ্থত্যাগী, দেশপ্ৰেমিক বীৰ, অক্লান্ত কৰ্ম্মী বৰদলৈদেৱ ১৯৩৬ চনৰ ১৬ ফেব্ৰুৱাৰীত গুৱাহাটীৰ শান্তি-ভৱনত চিৰশান্তিধামলৈ গুচি যায় যদিও তেওঁৰ আদৰ্শ জাতীয় বুৰঞ্জীয়ে সদায় গৌৰৱেৰে ঘোষণা কৰিব।

মান-মাৰণৰ কালত কোনোমতে প্ৰাণ লৈ জীয়াই থকা কল্পনাথ বৰদলৈৰ নাতিল'ৰা নবীনচন্দ্ৰ। ইংৰাজী ১৮৭৫ চনত উত্তৰ গুৱাহাটীত অসমৰ ভবিষ্যত জাতীয় বীৰ নবীনচন্দ্ৰ বৰদলৈৰ জন্ম হয়। নবীন চন্দ্ৰ বৰদলৈৰ দেউতাক মাধৱ বৰদলৈ অসমীয়া ভাষা-সংস্কৃতিৰ সেৱক,

অসমৰ ইমুৰৰ পৰা সিমূৰলৈ বজ্ৰ কণ্ঠেৰে আহ্বান জনাই জনতাক আন্দোলনমুখী কৰি তুলি স্বদেশ-স্বজাতিৰ মান-মৰ্য্যাদা আৰু স্বাধীনতা ৰক্ষা কৰিবলৈ যিজনাই ওবে জীৱন সংগ্ৰাম কৰিছিল সেইজনা—



নিস্বাৰ্থ দেশসেৱক নবীন চন্দ্ৰ

উচ্চ শিক্ষিত আৰু বুদ্ধিসম্পন্ন ব্যক্তি আছিল । তেওঁৰ মাক আছিল সৰলমনা ভক্তিপৰায়ণা ৰমণী সোমেশ্বৰী দেৱী । দেৱীস্বৰূপা মাকৰ প্ৰভাৱত শিশুকালতে নবীনচন্দ্ৰ ধাৰ্মিক, উদাৰ, কৰ্ত্তব্যপৰায়ণ আৰু মহৎ অন্তৰৰ হৈ উঠিছিল ।

নবীনচন্দ্ৰৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ হয় উষাৰ নগৰী তেজপুৰত । তেজপুৰ উচ্চ বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া শিক্ষা লাভ কৰিবলৈ তেওঁ কলিকতালৈ যায় । কলিকতাৰ চেণ্ট জেভিয়াৰ্চ কলেজৰ পৰা এফ, এ আৰু প্ৰেচিডেন্সি কলেজৰ পৰা বি,এ ডিগ্ৰী লাভ কৰে । তাৰ পিছত তেওঁ ওকালতি পঢ়িবলৈ লয় । ১৮৯৯ চনত বি, এল ডিগ্ৰীৰ মালা পৰিধান কৰি গুৱাহাটীলৈ ঘূৰি আহি আইন ব্যৱসায়ত লাগে । গুৱাহাটী নগৰীত দুবছৰ সুনাম আৰু যশস্যাৰে ওকালতি কৰি ১৯০৯ চনত কলিকতালৈ যায় । কলিকতাৰ উচ্চ ন্যায়ালয়ত ন বছৰ আইন ব্যৱসায় কৰি বৰদলৈদেৱে অপৰিসীম খ্যাতি অৰ্জন কৰিলে ।

হাড়ে-হিমজুৰে বৰদলৈদেৱ আছিল অসমীয়া । ভাৰতৰ আন আন প্ৰদেশতকৈ অসম পিছপৰা বা অনুন্নত হোৱা কথা তেওঁ সহ্য কৰিব নোৱাৰিছিল । উন্নত প্ৰদেশসমূহৰ লগত অসমক সমানে আগবঢ়াই নিবলৈ তেওঁ মনেপ্ৰাণে চেষ্টা কৰিছিল । অসম-মাতৃক ওখ আসনত প্ৰতিষ্ঠিত কৰি অতীত গৌৰৱ অক্ষুন্ন ৰাখিবলৈ নবীনচন্দ্ৰ বৰদলৈদেৱে যি ত্যাগ স্বীকাৰ কৰিলে সি অতুলনীয় ।

ভাৰতৰ সীমামূৰীয়া প্ৰদেশ অসমক শাসন সংস্কাৰৰ পৰা বঞ্চিত কৰাৰ কাৰণে ভাৰতৰ শাসকসকলে এটা অপচেষ্টা চলাইছিল । তেতিয়া মণ্টেগু চেমচ্‌ফৰ্ড শাসন সংস্কাৰৰ অযোগ্য বুলি ভাবি অসমক হেয়জ্ঞান কৰা হৈছিল । সেই কথাত অসমীৰ সুসন্তান নীৰৱে থাকিব নোৱাৰিলে । বৃটিছ সাম্ৰাজ্যবাদৰ লগত যুদ্ধ কৰিবলৈ জন্ম পোৱা অসম এছোচিয়েচনে এনে অপচেষ্টাৰ ঘোৰ প্ৰতিবাদ জনালে । অসমৰ ন্যায্য দাবী প্ৰতিপন্ন কৰিবলৈ ১৯১৯ চনত কৰ্মবীৰ বৰদলৈ আৰু



প্ৰসন্ন বৰুৱা বিলাতলৈ যায় । বৰদলৈদেৱে বিলাতলৈ গৈ মণ্টেগু চেমচ্‌ফৰ্ডৰ আগত অসমৰ দাবী ইমান অকাট্য যুক্তিৰে দাঙি ধৰিলে যে শেষত ভুল স্বীকাৰ কৰি মণ্টেগু চাহাবে অসমৰ দাবী মানি লবলৈ বাধ্য হ'ল । বৰদলৈদেৱৰ কঠোৰ চেষ্টা আৰু নিৰ্ভীকতাৰ কাৰণে ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমতো স্বায়ত্ত শাসন চলিল ।

ভাৰতৰ জাতীয় আন্দোলনৰ সময়ত সৰ্বভাৰতীয় নেতাসকলে অসমৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নাছিল । শাসক সম্প্ৰদায় আৰু ভাৰতীয় নেতাবৃন্দৰ আগত অসম জাতীয় গৌৰৱ আৰু সন্মান ৰক্ষা কৰাটো বৰদলৈদেৱৰ মুখ্য কৰ্ত্তব্য হৈ পৰিল । অসম ভাৰতৰ আন প্ৰদেশসমূহৰ লগত সমানে ফেৰ মাৰিব পৰা প্ৰদেশ বুলি বৰদলৈদেৱে নানা যুক্তি আগবঢ়ালে । বৰদলৈদেৱৰ আপ্ৰাণ চেষ্টাৰ ফলত ভাৰতীয় নেতাসকলে অসমক প্ৰকৃত প্ৰদেশৰ মূল্য দিবলৈ বাধ্য হ'ল ।

১৯২০ চনত কলিকতাত বহা জাতীয় কংগ্ৰেছ মহাসভাত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হ'ল । বৃটিছৰ কুশাসন আৰু কুকাৰ্য্য ভাৰতীয় লোকৰ মনত অসহনীয় হৈ উঠাত মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ১৯২১ চনত অসহযোগ আন্দোলন ভাৰতৰ চাৰিওফালে বিয়পি পৰিল । বৃটিছৰ শাসন ওফৰাই ভাৰতৰ স্বাধীনতা ৰক্ষা কৰাটোৱেই আছিল এই আন্দোলনৰ মুখ্য উদ্দেশ্য । দুবছৰ ধৰি প্ৰবলৰূপে এই আন্দোলন চলিছিল । দেশৰ স্বাধীনতাৰ এই আন্দোলনত অসমৰ জনতাৰ বৰঙণি উল্লেখযোগ্য । অসমত অসহযোগ আন্দোলনৰ নেতৃত্বৰ দায়িত্ব বিশেষকৈ বৰদলৈদেৱৰ ওপৰতেই পৰিল । দেশৰ মুক্তি আন্দোলনত কৰ্মবীৰ এনে একাণপতীয়াকৈ উঠি-পৰি লাগিল যে শেষত তেওঁ আইন ব্যৱসায় তুচ্ছ জ্ঞান কৰিলে । গুৱাহাটীত বহা ছাত্ৰ সন্মিলনৰ অধিবেশনত বৰদলৈ ডাঙৰীয়াই দেশৰ স্বাৰ্থৰ কাৰণে প্ৰাণ উছৰ্গা কৰিম বুলি দৃঢ়মত ঘোষণা কৰি নিজৰ লাভজনক ওকালতি ব্যৱসায় বৰ্জন কৰিলে । এনে ত্যাগৰ আদৰ্শ নিশ্চয় প্ৰশংসনীয় । স্বদেশ উদ্ধাৰৰ কাৰণে অসমৰ ইমুৰৰ পৰা সিমুৰলৈ সকলো লোকক বজ্ৰকণ্ঠেৰে আহ্বান জনাই

তেওঁ জনতাক আন্দোলনমুখী কৰি তুলিলে। ১৯২২ চনত হোৱা ছাত্ৰ ধৰ্মঘটত বৰদলৈদেৱে অগণন মুক্তি-যুজাৰু ছাত্ৰৰ লগত সংগ্ৰামত জঁপিয়াই পৰিল। আন্দোলনৰ ফল স্বৰূপে বৰদলৈ আৰু হাজাৰ হাজাৰ লোক কাৰাবাস বৰণ কৰিবলগীয়া হ'ল। ডেৰ বছৰ কাল কাৰাবাস খাটিবলগীয়া হোৱাত কৰ্মবীৰ বৰদলৈৰ সুঠাম দেহ ভাঙি পৰে আৰু তেওঁ ঘোৰ আৰ্থিক অনাটনৰ সন্মুখীন হয়। জাতিৰ বা দেশৰ মুক্তিৰ বাবে পোৱা এনে দুখ-নিৰ্যাতনক মহান পুৰুষ বৰদলৈদেৱে আশিস নিৰ্মালি বুলি গ্ৰহণ কৰি শান্তি লভিলে।

অসমৰ স্বাধীনতা সংগ্ৰামৰ নায়ক বৰদলৈদেৱে অসমীয়া লোকৰ স্বদেশপ্ৰেম, জাতীয় চেতনা আৰু সাহস-উদ্দীপনাৰ সুপৰিচয় সকলো ভাৰতীয়ক দেখুৱাবলৈ ভাৰতীয় কংগ্ৰেছ মহাসভা অসমলৈ নিমন্ত্ৰণ কৰি আনে। ১৯২৬ চনৰ ডিচেম্বৰ মাহত পাণ্ডু নগৰত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ ৪১তম্ অধিবেশন অতি গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশ আৰু উৎসাহ-উদ্দীপনাৰে সমাপন হৈ যায়। অসমৰ সৌন্দৰ্য্য আৰু অসমীয়া লোকৰ কৰ্ম-উদ্যম, জাতীয় শিল্পৰ চানেকি, জাতীয় চেতনা আৰু আত্মবল দেখি দূৰ প্ৰদেশৰ বিশিষ্ট নেতাসকল মুগ্ধ হয়। এই মহাসভাৰ মূল অধিবেশনৰ সভাপতি আছিল নিবাস আয়েঙ্গাৰ। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণ ৰাম ফুকন আছিল অভ্যৰ্থনা সমিতিৰ সম্পাদক আৰু সভাপতি। এই দুজনা স্বদেশনুৰাগী মহানপুৰুষৰ শাৰীৰিক আৰু মানসিক কষ্ট আৰু আৰ্থিক ত্যাগৰ কথা জাতীয় কংগ্ৰেছে কেতিয়াও পাহৰিব নোৱাৰে।

অসমীয়া সমাজ, ভাষা আৰু সাহিত্যৰ উন্নতি বৰদলৈদেৱৰ জীৱনৰ মুখ্য উদ্দেশ্য আছিল। সেই সময়ত অসমত উচ্চ শিক্ষাৰ কাৰণে কলেজ স্থাপিত হোৱা নাছিল আৰু সেই কাৰণে অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে কলেজীয়া শিক্ষা লাভ কৰিবলৈ অসুবিধাৰ সন্মুখীন হৈছিল। কলিকতালৈ মাথোন কেইজনমানহে ছাত্ৰই গৈ কলেজীয়া শিক্ষা লাভ কৰিছিল। গুৱাহাটীৰ কটন কলেজ, উত্তৰ গুৱাহাটীৰ কমলদেৱ উচ্চ বিদ্যালয়, গুৱাহাটীৰ



কামৰূপ একাডেমি, কুমাৰ ভাস্কৰ নাট্য মন্দিৰ, উত্তৰ গুৱাহাটীৰ আনন্দৰাম পুথিভৰাঁল স্থাপনৰ লগত বৰদলৈদেৱৰ ত্যাগ আৰু শ্ৰম সদায় মনত ৰাখিবলগীয়া। ১৯১৮ চনত অসমত এখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে বুলি বৰদলৈদেৱে প্ৰস্তাৱ আগবঢ়াইছিল। বৰ্ত্তমান ১৯৪৮ চনত স্থাপন হোৱা বিশ্ববিদ্যালয়খনৰ কথা দুৰদৰ্শী বৰদলৈ ডাঙৰীয়াই ত্ৰিশ বছৰ পূৰ্বে ভাবিছিল। শিক্ষাৰ প্ৰতি থকা বৰদলৈ-দেৱৰ প্ৰগতিবাদৰ এইয়া নিশ্চয় সুন্দৰ উদাহৰণ।

অসমীয়া ভাষাক বঙলা ভাষাই গ্ৰাস কৰিবলৈ লোৱাত বৰদলৈ-দেৱে অন্তৰত আঘাত পাইছিল। তেওঁ যিসময়ত উচ্চ শিক্ষা গ্ৰহণ কৰিছিল, সেই সময়ত অসমীয়া লোকৰ নামৰ আগত 'বাবু' লিখা নিয়ম গা কৰি উঠিছিল। এইয়া বঙলাৰ অনুকৰণৰ বাহিৰে আন একো নাছিল বুলি ভালদৰে উপলব্ধি কৰি তেওঁ 'বাবু' লিখা কথাটো সহ্য কৰিব নোৱাৰিলে। বৰদলৈয়ে 'বাবু'ৰ বিৰুদ্ধাচৰণ কৰি তাৰ ঠাইত 'শ্ৰী' লিখাৰ ফালে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে।

অসমীয়া সাহিত্যত বৰদলৈদেৱৰ এখনি সু-আসন আছে। স্বৰ্গত-কৈও শ্ৰেষ্ঠ জননী আৰু জন্মভূমিৰ সেৱা কৰিবলৈ জীৱন উছৰ্গা কৰাৰ লগতে তেওঁ মাতৃ ভাষাৰ পূজাৰেও জীৱন ধন্য কৰি তুলিছিল। অসমীয়া ভাষাৰ উন্নতিৰ লগত যে অসমীয়া জাতিৰ উন্নতি নিৰ্ভৰ কৰে এই কথা বৰদলৈদেৱে বুজিছিল। সেয়ে তেওঁ অসমীয়া ভাষাত নাট, কবিতা, গীত, ব্যঙ্গ ৰচনা, সাধু, উপন্যাস, অনুবাদ পুথি ৰচনা কৰি সাহিত্য ভৰাঁল চহকী কৰি থৈ গৈছে। বৰদলৈদেৱৰ প্ৰায় ৰচনাতে স্বদেশপ্ৰেমৰ চিটিকনি পৰা দেখা যায়। জাতীয় চেতনা জগাই তুলিবলৈ ৰচনা কৰা তেওঁৰ সঙ্গীত আৰু কবিতাসমূহ চিৰদিনলৈ জাতীয় সাহিত্যৰ অমূল্য সম্পদ হৈ থাকিব।

মহান কৰ্মী বৰদলৈদেৱ আমাৰ মাজত নাই; কিন্তু তেওঁৰ অমৰ কাৰ্য্যাৱলীৰ কাৰণে তেওঁ সদায় আমাৰ মাজত থাকিব। তেওঁৰ দেশপ্ৰেম, জাতিপ্ৰেম, সাহস, ত্যাগ আজিৰ সমাজ বা দেশসেৱকৰ আদৰ্শ হ'লেহে কৰ্মবীৰ বৰদলৈদেৱৰ অমৰ আত্মাই স্বৰ্গত শান্তি লাভ কৰিব। ০০০

# ত্যাগীপুৰুষ
# দেশভক্ত তৰুণৰাম ফুকন

ভাৰতৰ স্বাধীনতা আন্দোলনত সমগ্ৰ দেশৰ নিৰ্ভীক, স্বদেশ-প্ৰেমিক, জাতীয়তাবাদী মহান ব্যক্তিসকলে ইংৰাজৰ শাসন ওফৰাই পেলাবলৈ কঠোৰ সংগ্ৰাম আৰু অক্লান্ত পৰিশ্ৰম কৰিছিল। সৰ্বভাৰতীয় এই আন্দোলনত অসমৰ কেইগৰাকীমান জাতীয় সেনানীয়ে যোগদান কৰি অসমী আইক গৌৰৱৰ আসনত বহুৱাই থৈ গৈছে। দেশৰ প্ৰতি থকা ভালপোৱা ভাৱৰ কাৰণে আপোন স্বাৰ্থক বলি দি সেই সময়ৰ জনতাক স্বদেশপ্ৰেমেৰে উদ্বুদ্ধ কৰি তুলিবলৈ যিসকল অসম-বীৰে আপ্ৰাণ চেষ্টা কৰিছিল, সেইসকলৰ ভিতৰত তৰুণৰাম ফুকন জাকত-জিলিকা। দেশ সেৱাৰ একান্ত ভকত হৈ নিজৰ জীৱন উছৰ্গা কৰি তৰুণৰাম ফুকনে দেখুৱাই থৈ যোৱা মহান আদৰ্শ স্বাধীনতাৰ ইতিহাসত যাউতিযুগীয়া হৈ ৰ'ব।

অসমীয়া ভাষাৰ অধিনায়ক আনন্দৰাম ঢেকিয়ালফুকনৰ বংশত ১৮৭৭ চনত জন্ম গ্ৰহণ কৰা তৰুণৰাম অসমৰ সিংহপুৰুষ। তেওঁৰ দেউতাক বলোৰাম ফুকন এজন ধাৰ্মিক, সাহিত্য আৰু সঙ্গীত প্ৰিয়; সমাজ সংস্কাৰক আৰু সুনিপুণ চিকাৰী আছিল। তেওঁৰ মাক ভাগিৰথী দেৱী দেৱীগুণসম্পন্না ৰমণী আছিল। তৰুণৰামৰ দুৰ্ভাগ্য যে সৰুকালতে তেওঁ দেউতাকক হেৰুৱাব লগা হৈছিল। তৰুণৰামৰ প্ৰতিভা আৰু কৃতিত্বই পৰিয়ালৰ অতীত গৌৰৱ আৰু বেচি মহীয়ান কৰি তুলিব পাৰিছিল।

গুৱাহাটীৰ গৃহত থাকি তৰুণৰামে কলেজিয়েট উচ্চ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি ১৮৯২ চনত বৃত্তি সহ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ




হয়। সেই সময়ত অসমত কোনো কলেজ নথকাত বিচক্ষণ বুদ্ধিৰ তৰুণৰামে উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ গৈ প্ৰেচিডেন্সি কলেজত পঢ়িবলৈ লয়। তাৰ পৰা এফ, এ পৰীক্ষাত উত্তীৰ্ণ হৈ অসমলৈ উভতি আহে। তৰুণৰামে উচ্চ শিক্ষালৈ থকা হাবিয়াস পূৰণ নহ'ল। তেওঁৰ বেৰিষ্টাৰ পঢ়িবৰ বাবে বিলাতলৈ যাবলৈ একান্ত ইচ্ছা আছিল। কিন্তু ইচ্ছা থাকিলেই সকলো সমাধা নহয়। ফুকনৰ 'মনে খোজে ৰজা হব, বিধাতাই নিদিয়ে খুজি খাব'— এনে অৱস্থা হ'ল। পৰিয়ালৰ নানা দুৰ্যোগ আৰু আৰ্থিক অনাটন যেন তৰুণৰামৰ উচ্চ হাবিলাসৰ অন্তৰায় হৈ পৰিল। কিন্তু মনৰ এই সঙ্কল্প পূৰণ কৰিব নোৱাৰিলে তেওঁ মনত শান্তি নাপায়। বিলাতলৈ গৈ তৰুণৰামে নিজৰ ভৱিৰ ওপৰত ভৰ দি চলিব লাগিব। এয়া জানো সম্ভৱ? গতিকে তেওঁ বিবুদ্ধিত পৰিল। তথাপি 'মন কৰিলে চন কৰিব পাৰি'—এইষাৰ কথা তৰুণৰামে দৃঢ়তাৰে ভাবিলে।

"মন দি পঢ়া, তোমাক মই বিলাতলৈ পঠিয়াম"—বুলি বহুদিন আগে দদায়েকৰ লৰালিৰ বন্ধু ভোলাৰাম চৌধুৰীয়ে কোৱা কথাষাৰ তৰুণৰামৰ হঠাৎ মনত পৰিল। নানা চেষ্টা কৰি ভোলানাথ চৌধুৰীৰ জৰিয়তে তিনি হাজাৰ টকা সংগ্ৰহ কৰি তৰুণৰাম বিলাতলৈ গ'ল। বিলাতত চাৰি বছৰ কাল অধ্যয়ন কৰি 'বেৰিষ্টাৰ' হৈ ফুকনে নিজ দেশলৈ ঘূৰি আহি কলিকতাত ওকালতি আৰম্ভ কৰিলে। বাক্‌পটু আৰু চতুৰ বুদ্ধিসম্পন্ন গুণৰ বাবে ফুকন আইন ব্যৱসায়ত অদ্বিতীয় হৈ পৰিল। তেওঁ যি পক্ষৰ হৈ ওকালতি কৰে সেই পক্ষৰ জয় অনিবাৰ্য্য। অসমীয়া বেৰিষ্টাৰ ফুকনৰ প্ৰতিভা আৰু যশস্যা কলিকতাৰ আদালতত বিয়পি পৰিল। ১৯২২ চনত ফুকনে নিজৰ জন্মভূমিলৈ আহি গুৱাহাটীৰ আদালতত আইন ব্যৱসায় কৰিবলৈ লয়। ফুকন অসমৰ আইন ব্যৱসায়ীসকলৰ মাজত ভোটাতৰা হৈ জিলিকি উঠিল। বেৰিষ্টাৰ ফুকনৰ নাম সকলোৰে মাজত জনাজাত হৈ পৰিল।

অসমৰ শ্ৰেষ্ঠ নগৰী গুৱাহাটীত আইন ব্যৱসায় কৰিবলৈ লোৱাত

'মৰিলে স্বৰ্গ, তৰিলে দেশ'— যি জনাৰ জীৱন মন্ত্ৰ সেইজনা ত্যাগীপুৰুষ—



দেশভক্ত তৰুণৰাম



ফুকনে অসমৰ উন্নয়নমূলক কামত হাত দিবলৈ সুবিধা পালে। অসমৰ সমাজ, শিক্ষা, সাহিত্য, ৰাজনীতি আদি বিভিন্ন দিশ উন্নত কৰিবলৈ তেওঁ অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হ'ল। গুৱাহাটীৰ লোকেল বোৰ্ডৰ চেয়াৰমেন, সোণাৰাম উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰিচালনা কমিটিৰ সভাপতি, গুৱাহাটী কুষ্ঠাশ্ৰম আৰু আইন কলেজ ( আৰ্ল-ল-কলেজ ) ৰ প্ৰতিষ্ঠাতা হিচাপে ফুকনৰ নাম সদায় স্মৰণ কৰিব লাগিব। আইন কলেজ স্থাপন হোৱাত প্ৰথমতে তেওঁ অধ্যাপক হৈ কাম কৰিবলৈ ধৰিলে। একেৰাহে দহ বছৰ জুৰি ফুকন দিল্লীৰ ব্যৱস্থাপক সভাৰ সদস্যও আছিল।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনে গোটেই দেশ কঁপাই তোলাত অসমৰ জাতীয় বীৰ কেইজনমানে এই আন্দোলনত জঁপিয়াই পৰিল। 'কৰ্মবীৰ' বুলি খ্যাত নবীনচন্দ্ৰ বৰদলৈ উৎসাহ-উদ্দীপনাত সুবিখ্যাত উকীল, আইন কলেজৰ অধ্যাপক তৰুণৰাম ফুকন সক্ৰিয় ৰাজনীতিত নামিল। মহাত্মাৰ অসহযোগ আন্দোলনৰ প্ৰতি আকৃষ্ট হৈ ফুকনে ব্যৱস্থাপক সভাৰ সদস্য পদ আৰু আইন কলেজৰ অধ্যাপকৰ দায়িত্ব দেশ-মাতৃকাৰ সেৱাৰ আগত তুচ্ছ জ্ঞান কৰিলে। এনে উচ্চ মৰ্য্যাদাৰ গাদী ত্যাগ কৰি ফুকনে ত্যাগৰ মহান আদৰ্শৰে সকলোকে স্তম্ভিত কৰি তুলিলে।

পৰাধীন ভাৰতক মুক্ত কৰাটো ফুকনৰ জীৱনৰ একমাত্ৰ ব্ৰত হৈ পৰিল। অতীতৰ গৌৰৱময় দেশৰ দুৰ্দশা দেখি তেওঁৰ অন্তৰত দেশপ্ৰেমৰ জুইকুৰা দপ্ দপ্ কৈ জ্বলি উঠিল। সমগ্ৰ ভাৰত ব্যাপী মুক্তি যুঁজৰ খলকনি উঠাত ফুকন আৰু বৰদলৈৰ বজ্ৰ-নিনাদত অসমবাসী ৰাইজ সজাগ আৰু উত্তেজিত হৈ উঠিল। 'মৰিলে স্বৰ্গ, তৰিলে দেশ' এই কথা উপলব্ধি কৰি অসমৰ হাজাৰ হাজাৰ জনতাই এই আন্দোলনত জঁপিয়াই পৰিল। ১৯২১ চনৰ আগষ্ট মাহত মহামানৱ মহাত্মা অসমলৈ আহিছিল। ফুকনৰ ঘৰৰ অতিথি মহাত্মাই ফুকনৰ ঘৰত বিদেশী বৰ্জন আন্দোলনৰ দৃশ্য দেখি ফুকনৰ দেশপ্ৰেম

আৰু ত্যাগৰ আদৰ্শত মুগ্ধ হৈছিল। এই বিদেশী বৰ্জন আন্দোলনত তৰুণৰামে নিজৰ ঘৰৰ চোতালত হাজাৰ হাজাৰ টকা মূল্যৰ বংচঙীয়া আটকধুনীয়া বিলাতী কাপোৰ পৰ্বতাকাৰে দম কৰি পুৰি পেলাইছিল। যি ফুকনে এযোৰ চকুৰোৱা বিলাতী কাপোৰ কেইবা শ টকা দি কিনি লৈ পৰিধান কৰিছিল, সেই ফুকনে তেনে অনেক কাপোৰ পুৰি ছাই কৰি পেলোৱাটো সচাঁকৈয়ে দেশসেৱাৰ কাৰণে কম ত্যাগৰ কথা নহয়।

আন্দোলনৰ সময়ৰ অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি তৰুণৰাম আৰু সম্পাদক কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ নেতৃত্বত সমগ্ৰ অসমবাসী বিপ্লৱমুখী হৈ উঠিছিল। গাঁৱে-ভূঁৱে সোমাই তেওঁলোকে অসমৰ জনতাক আহ্বান জনাইছিল স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিবলৈ। ফুকন আছিল তেজস্বী বক্তা। তেওঁৰ বক্তৃতাত দেশপ্ৰেম এনেদৰে নিগৰি পৰিছিল যে, সহজ সৰহ হোজা মানুহেও বগা চাহাবক দেশৰ পৰা খেদিবলৈ আগবাঢ়ি আহিছিল। দেশ উদ্ধাৰৰ কাৰণে বিপ্লৱৰ নেতৃত্ব লোৱা ফুকনে নিৰ্য্যাতন ভোগ কৰি, কাৰাবাস খাটি জীৱন ধন্য কৰি তুলিছিল।

১৯২৬ চনত ভাৰতীয় কংগ্ৰেছ মহাসভা অসমৰ পাণ্ডু নগৰত বহিছিল। কংগ্ৰেছ মহাসভাৰ কৃতকাৰ্য্যতাৰ গুৰিতে আছিল ফুকনদেৱ। তেওঁ অভ্যৰ্থনা সমিতিৰ সভাপতি হৈ সৰ্বভাৰতীয় সন্মিলনখনত অসমৰ গৌৰৱ অটুট ৰাখিছিল। ফুকনে যে অকল শাৰীৰিক আৰু মানসিক কষ্টহে কৰিছিল এনে নহয়, জাতিৰ এনেকুৱা অনুষ্ঠান সুচাৰুৰূপে চলাবলৈ কৰ্মবীৰ বৰদলৈৰ লগত তেওঁ প্ৰায় পয়ত্ৰিশ হাজাৰ টকাৰ ঋণ পৰিশোধ কৰাৰ দায়িত্ব লৈছিল। দেশক দুৰ্দশাৰ পৰা মুক্ত কৰিবলৈ, গণ-আন্দোলনক প্ৰকৃত ৰূপ দিবলৈ, জাতি আৰু দেশৰ সন্মান ৰক্ষা কৰিবলৈ জাতীয় অনুষ্ঠানক আপোনৰো আপোন বুলি আঁকোৱালি লোৱা দেশ-সেৱকৰ দৃষ্টান্ত সমাজত নিশ্চয় বিৰল। স্বাধীনতা আন্দোলনত অসমৰ গুৰি ধৰি ফুকনে অসমবাসীৰহে যে অন্তৰ জয় কৰিছিল এনে নহয়; তেওঁ ভাৰতীয় নেতাসকলৰো অন্তৰ স্পৰ্শ কৰিব পাৰিছিল। অসমভূমিৰ দুৰৱস্থাৰ কথা ফুকনে গভীৰভাৱে উপলব্ধি কৰিছিল।



অসমীয়া জাতিৰ উন্নতিৰ কাৰণে ফুকন সদায় সজাগ আছিল। অতীতৰ গৌৰৱময় ঐতিহ্যৰে অসমীয়াক জাগ্ৰত কৰি তুলিবলৈ ফুকনে অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত কৈছিল, "ভাই অসমীয়া! অতীত গৌৰৱৰ কথা স্মৰণ কৰি বৰ্ত্তমান অৱস্থা উপলব্ধি কৰা, যুক্তিযুক্ত অনুমানৰ দ্বাৰা ভৱিষ্যত প্ৰত্যক্ষ কৰা, শৰীৰত তেজ, মাংস যদিহে প্ৰকৃততে আছে, তেন্তে গা শিয়ঁৰি উঠিব, মন উত্তাৱল হ'ব, হৃদয় অশান্তিৰে ভৰি পৰিব। কিন্তু শোক কৰিলেই নহ'ব। শোকৰ যাই কাৰণ গুচাবলৈ যথাসাধ্য চেষ্টা কৰিব লাগিব। মৃতপ্ৰায় জননীক জাতীয়তাৰ দ্বাৰাই অনুপ্ৰাণিত কৰিব লাগিব।"

তৰুণৰাম ফুকন কবি-সাহিত্যিকো আছিল। চৌৱাল্লটা কবিতাৰ সমষ্টিৰে 'স্তুতিমালা' পুথি ফুকনে শিলচৰ কাৰাগাৰত ৰচনা কৰিছিল। যৌন-বিজ্ঞান সম্পৰ্কীয় 'যৌন-বিজ্ঞান' নামৰ অসমীয়া পুথিখন ফুকনৰ ৰচনা। নানা মানুহৰ সংস্পৰ্শলৈ যোৱা ফুকনে কামৰূপৰ কথিত গাঁৱলীয়া ভাষাত 'নিংনি ভাৱৰীয়াৰ গীত' ৰচনা কৰি সকলোকে হ'হুৱাইছিল। চিকাৰী ফুকনে চিকাৰ কাহিনী কেইটামান প্ৰাঞ্জল ভাষাত অতি আকৰ্ষণীয়কৈ লিখি থৈ গৈছে। তেওঁৰ জাতীয় কংগ্ৰেছ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ, অসম ছাত্ৰ সন্মিলনীৰ ভাষণ আৰু অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ অসমীয়া সাহিত্যৰ অমূল্য সম্পদৰূপে পৰিগণিত হৈছে।

১৯৩৯ চনৰ জুলাই মাহত নিৰ্ভীক মুক্তি যুজাঁৰু, ত্যাগীবীৰ, অসমৰ সিংহপুৰুষ তৰুণৰাম ফুকনে দেশমাতৃক শোকত পেলাই থৈ অজানদেশলৈ গতি কৰিলে।

দেখিবলৈ সুঠাম গঢ়ৰ, ওঁঠত চিৰ উজ্বল হাঁহি বিৰাজিত, ধুনীয়া পোচাক-পৰিচ্ছেদে শোভনীয় চিৰডেকা, ধীৰ স্থিৰ-উদাৰ সকলোৰে প্ৰিয় ফুকনদেৱ আঁতৰি গ'ল যদিও, তেওঁৰ সাহস আৰু ত্যাগৰ আদৰ্শ মৰতত চিৰদিনলৈ ৰৈ গ'ল। অসমীয়া তথা ভাৰতীয় মাত্ৰেই দেশভক্ত তৰুণৰাম ফুকনৰ দেশ-সেৱাৰ ওচৰত সদায় ঋণী হৈ থাকিব। ●

# পণ্ডিতপ্রবৰ কৃষ্ণকান্ত সন্দিকৈ

সুদূৰ অতীতৰ পৰা অসম—মাতৃৰ বুকুত জন্ম গ্ৰহণ কৰা সুযোগ্য সন্তানে মাতৃভূমি আৰু জনগণৰ মঙ্গলৰ হকে জীৱন ব্যাপী অহোপুৰুষাৰ্থ কৰি জীৱন ধন্য কৰি থৈ গৈছে । মহান ব্যক্তিসকলে ব্যক্তিত্ব আৰু প্ৰতিভাৰে জাতীয় জীৱনলৈ আগবঢ়োৱা অনন্য অৱদানৰ ফলত অসম আৰু অসমীয়াই ভাৰত তথা বিশ্বত নিজৰ সুপৰিচয় দিবলৈ সক্ষম হৈছে । সেইসকল পুৰুষৰ সাধনা, নিস্বাৰ্থ সেৱা আৰু ত্যাগৰ আদৰ্শ জাতীয় জীৱনৰ অক্ষয়-বন্তি স্বৰূপ । সেই বন্তিৰ জ্যোতিয়ে অসমীয়া জাতিক যুগে যুগে আলোকিত কৰি ৰাখিছে আৰু সেইধাৰে তেনে মহান ব্যক্তিসকল জাতিৰ চিৰনমস্য ।

সাম্প্ৰতিক কালত অসমত ভাষা, সাহিত্য, ধৰ্ম, সংস্কৃতি, শিক্ষা সকলো দিশতে একনিষ্ঠ সেৱক বা সাধক মনীষাৰ বাৰুকৈয়ে অভাৱ পৰিলক্ষিত হৈছে । তাৰ মাজতে আঙুলিৰ মূৰত লেখিব পৰা তেনে সাধক মনীষাসকলৰ ভিতৰত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ নাম বিশেষ উল্লেখযোগ্য ।

অসমৰ জাতীয় জীৱনৰ ইতিহাসত সাতঘৰীয়া আহোমৰ 'সন্দিকৈ' (হুন-দি-কাই) বংশৰ অৱদান এক গৌৰৱৰ অধ্যায় । এই বংশতে অসমৰ খ্যাতনামা বিদগ্ধ পণ্ডিত, সাধক শিক্ষাবিদ কৃষ্ণকান্ত সন্দিকৈ-দেৱ জন্ম গ্ৰহণ কৰে ১৮৯৮ খৃঃৰ ২০ জুলাইত । তেওঁৰ পিতৃ দানবীৰ ৰাধাকান্ত সন্দিকৈ আৰু মাতৃ লক্ষ্মীস্বৰূপা নাৰায়ণী সন্দিকৈ । অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা-প্ৰচাৰ, সমাজ তথা জাতিৰ মঙ্গল আৰু উন্নতি সাধন



কৰাটোৱেই আছিল ৰাধাকান্তৰ জীৱনৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য । দেশৰ পৰাধীনতাৰ কালত অসমীয়া ভাষাৰ সাহিত্য-সমাজ-সংস্কৃতিৰ বিপৰ্য্যয় দূৰ কৰিবলৈ নানা ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈয়ো তেওঁৰ লক্ষ্য আৰু উদ্দেশ্য বাস্তৱত পৰিণত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল । উচ্চ-শিক্ষাকাংক্ষী ৰাধাকান্তই কলিকতালৈ গৈ কলেজীয়া শিক্ষা আৰম্ভ কৰি এফ, এ পৰীক্ষাত উত্তীৰ্ণ হৈ বি-এ মহলাত নাম ভৰ্ত্তি কৰিছিল । কিন্তু ঘৰৰ আৰ্থিক অনাটনৰ বাবে ডিগ্ৰী শেষ নকৰাকৈ ঘৰলৈ ঘূৰি আহি চাকৰি জীৱনত প্ৰবেশ কৰে । বি-এ জগন্নাথ বৰুৱাৰ উৎসাহত চাকৰিৰ প্ৰতিমাহৰ দৰমহাৰ আধা টকা জমা থৈ কষ্টেৰে জীৱন-যাপন কৰি পিছলৈ তিৰুৱাল চাহ বাগিছাত মালিক হৈ দোপতদোপে উন্নতি কৰি নানা জাতীয় অনুষ্ঠানলৈ অৰ্থ দান কৰি ৰাধাকান্ত 'দানবীৰ' বুলি সুপৰিচিত হয় ।

কৃষ্ণকান্ত, চন্দ্ৰকান্ত, লক্ষ্মীকান্ত আৰু ইন্দ্ৰকান্ত— এই চাৰি গৰাকী ৰাধাকান্ত সন্দিকৈৰ সুযোগ্য সন্তান । উচ্চাকাংক্ষী, সাহসী, বুধিয়ক সন্দিকৈ বংশৰ সুসন্তান ৰাধাকান্তই ইংৰাজ শাসন কালত মিতব্যয়ী হৈ ধন উপাৰ্জন কৰি পুত্ৰসকলক সুশিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল । প্ৰথম পুত্ৰ কৃষ্ণকান্ত আৰু তৃতীয় পুত্ৰ লক্ষ্মীকান্তক বিলাতলৈ উচ্চ শিক্ষা গ্ৰহণৰ বাবে পঠাইছিল । তেওঁলোক বিলাতত পঢ়ি থাকোতে ১৯২৩ চনত তিৰুৱাল বাগিছা পৰিচালনা কৰি থকা বি-এ ডিগ্ৰী লাভ কৰা চন্দ্ৰকান্ত আৰু কটন কলেজত বি-এ পঢ়ি থকা সঙ্গীতপ্ৰিয় অমায়িক চতুৰ্থ পুত্ৰ ইন্দ্ৰকান্ত— দুই পুত্ৰ সন্নিপাত ৰোগত আক্ৰান্ত হৈ ২২ দিনৰ ভিতৰত দৃঢ়মনা পিতৃ ৰাধাকান্ত আৰু মোহময়ী জননী নাৰায়ণী সন্দিকৈক দাৰুণ শোকত পেলাই ইহসংসাৰৰ পৰা চিৰবিদায় মাগে । অসম মাতৃৰে ভবিষ্যতৰ আশাৰ থলী দুজনা সুসন্তানক অকালতে হেৰুৱাটো জাতিৰ কাৰণে পৰম দুৰ্ভাগ্যৰ কথা । পুত্ৰ-শোকত ম্ৰিয়মান পিতৃ ৰাধাকান্তই উপাৰ্জনৰ ধন-সম্পদ ভাষা-সাহিত্য, শিক্ষা, সমাজৰ কাৰণে দান কৰাৰ উপৰিও অতি মৰমৰ পুত্ৰ কৃষ্ণকান্ত (ৰৰমইনা) আৰু লক্ষ্মী-

কান্ত (মিৰি)কো সমাজ আৰু দেশক দান কৰা বুলি কৈ গৈছে। অসমৰ জাতীয় জীৱন সৰ্বাঙ্গ-সুন্দৰ কৰি তুলিবলৈ উদাৰচিত্তে দান আগবঢ়োৱাৰ ক্ষেত্ৰত অসমত ৰাধাকান্ত সন্দিকৈ অদ্বিতীয়।

দানবীৰ ৰাধাকান্ত সন্দিকৈয়ে সমাজ আৰু দেশলৈ আগবঢ়োৱা বৰপুত্ৰ কৃষ্ণকান্তই সাধনা, ব্যক্তিত্ব আৰু প্ৰতিভাৰে অসম-মাতৃক গৌৰৱান্বিত কৰি থৈ গৈছে। ছাত্ৰাৱস্থাৰে পৰা কৃষ্ণকান্তই মেধা শক্তিৰ পৰিচয় দিব পাৰিছিল। তেওঁ অকল স্কুলীয়া পাঠ্য-পুথি পঢ়াতে আবদ্ধ নাথাকি ভাষা-সাহিত্যৰ বিভিন্ন গ্ৰন্থসমূহ একাণপতীয়াকৈ অধ্যয়ন কৰিছিল। প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষা সংস্কৃতৰ প্ৰতি সন্দিকৈদেৱ বিশেষ ভাবে আকৰ্ষিত হৈছিল। যোৰহাটৰ উচ্চ বিদ্যালয়ৰ পৰা ১৯১৩ চনত প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ পৰা ১৯১৫ চনত জলপানীসহ আই-এ পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত কলেজৰ পৰা ১৯১৭ চনত সংস্কৃতত প্ৰথম শ্ৰেণীৰ সন্মান (অনাৰ্ছ) সহ বি-এ পাছ কৰে। সংস্কৃত ভাষা-সাহিত্যত ব্যুৎপত্তি অৰ্জন কৰা সন্দিকৈদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ৰ বৈদিক শাখাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম-এ ডিগ্ৰী লাভ কৰি সুখ্যাতি অৰ্জন কৰে। তাৰ পাছতে পাশ্চাত্য শিক্ষা লাভৰ বাবে ১৯২০ চনত ইংল্যাণ্ডৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত ভৰ্তি হয়। তাতে ফৰাচী আৰু জাৰ্মান ভাষা শিকি ১৯২৩ চনত আধুনিক বুৰঞ্জীত অনাৰ্ছসহ এম এ ডিগ্ৰীৰ অধিকাৰী হয়। তিনি বছৰ কাল অক্সফোৰ্ডত শিক্ষা-অধ্যয়ন সমাপ্ত কৰি পেৰিছ আৰু বাৰ্লিন বিশ্ববিদ্যালয়ত গ্ৰীক, লেটিন, ইটালিয়ান ভাষা-সাহিত্য গভীৰভাৱে অধ্যয়ন কৰে। সেই সময় ছোৱাত স্পেনিচ আৰু ৰুছ ভাষাও আয়ত্ত কৰি ১৯২৭ চনত বিলাতৰ পৰা অসমৰ নিজ গৃহলৈ উভতি আহে।

সাত বছৰ কাল বিলাতত থাকি বিভিন্ন ভাষাৰ সাহিত্য অধ্যয়ন কৰি জ্ঞানপুষ্ট হৈ সন্দিকৈদেৱ অসমলৈ বিলাতী সাজ-পাৰ পিন্ধা 'চাহাব' হৈ ঘূৰি নাহিল, আহিল ধুতি-কামিজ পিন্ধা অসমীয়াহে হৈ। বিলাত



বিদেশতো বাদেই, প্ৰায় অসমীয়াই পাশ্চাত্য শিক্ষাৰ অলপ গোন্ধ পালেই 'চাহাব' হোৱাৰ প্ৰৱণতাৰে জাতীয় কথাক হেয়জ্ঞান কৰা দেখা যায়। কিন্তু সাত বছৰ কাল বিলাতত থকাৰ পিছতো সম্ভ্ৰান্ত বংশৰ সন্দিকৈদেৱ নিৰ্ভাজ অসমীয়া হৈ থাকিল। তেওঁৰ খোৱা-বোৱা, থকা-মেলা, ধৰণ-কৰণ সকলো অসমীয়া। অসমৰ শিক্ষা-দীক্ষা, সাহিত্য-সংস্কৃতিৰ উন্নতি সাধন কৰি বিশ্বৰ জগত অসমীয়াক চিনাকি কৰি দিবলৈ সন্দিকৈদেৱে গভীৰ চিন্তা কৰি তাক বাস্তৱত ৰূপ দিবলৈ অসীম চেষ্টা কৰিছিল।


শিক্ষাত সৰ্বোচ্চ ডিগ্ৰী লাভ কৰিও সন্দিকৈদেৱে পৰাধীন ভাৰতত বিদেশী চৰকাৰৰ অধীনত চাকৰি কৰি তেওঁৰ ব্যক্তিত্ব আৰু জাতীয় চৰিত্ৰক অৱনমিত হ'বলৈ নিদিলে। সুশিক্ষাৰে পৰিপুষ্ট হৈয়ো দেউতাকৰ তিৰুৱাল বাগিছা চোৱা-চিতাতহে মনোনিবেশ কৰিলে। ইতিমধ্যে যোৰহাটত কেইজনমান উদ্যোগী শিক্ষিত ডেকাই আধুনিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এখনি কলেজ প্ৰতিষ্ঠা কৰাৰ উদ্যোগ কৰে। সমাজপ্ৰিয়, সৎসাহসী আৰু মহান পুৰুষ উজনি অসমৰ প্ৰথম বি,এ বুলি জনাজাত জগন্নাথ বৰুৱাৰ (অসমৰ প্ৰথম বি,এ আনন্দৰাম বৰুৱা আৰু জগন্নাথ বৰুৱাৰ দ্বিতীয় বি. এ) সোঁৱৰণত ১৯৩০ চনত প্ৰতিষ্ঠা কৰা জগন্নাথ বৰুৱা কলেজৰ শিক্ষাবিদ্ পণ্ডিত সন্দিকৈদেৱে অধ্যক্ষৰ পদ গ্ৰহণ কৰে। কলেজ প্ৰতিষ্ঠাৰে পৰা ১৯৪৭ চনলৈ সুদীৰ্ঘ সোতৰ বছৰ কাল এই কলেজত অধ্যক্ষ পদ অলংকৃত কৰি জগন্নাথ বৰুৱা কলেজৰ জেউতি চৰায়।

১৯৪৭ চনত অসমত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। গুৱাহাটীত এখনি অসমীয়াৰ বিশ্ববিদ্যালয় স্থাপনৰ আৱশ্যকতাৰ বিষয়ে ১৯৩৭ চনত কৃষ্ণকান্ত সন্দিকৈয়ে অসম সাহিত্য সভাৰ অধিবেশনত দাঙি ধৰা বক্তব্য বাস্তৱত পৰিণত হ'ল। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ কাৰণে এজন উপযুক্ত শিক্ষাবিদ্, জ্ঞানী-গুণী বিজ্ঞ ব্যক্তিৰ আৱশ্যক হ'ল। সেইসময়ত জাতীয় নেতা মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈ-

দেৱৰ পৰামৰ্শমতে খ্যাতিতুল্য ব্যক্তি কৃষ্ণকান্ত সন্দিকৈক 'অসমৰ প্ৰথম বিশ্ববিদ্যালয়খনৰ প্ৰথম উপাচাৰ্য্য পদত অধিষ্ঠিত কৰা হয়। জ্ঞানৰ সাধক, বিশ্ব-বিশ্ৰুত পণ্ডিত সন্দিকৈদেৱক জাতিৰ সৰ্বোচ্চ শিক্ষানুষ্ঠান বিশ্ববিদ্যালয়ৰ গুৰি ধৰোঁতা হিচাবে পোৱাটো অসমৰ জাতীয় শিক্ষা জগতৰ গৌৰৱময় ইতিহাস। বিশ্ববিখ্যাত দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৃষ্ণকান্ত সন্দিকৈদেৱৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যক ভাৰতৰ ভিতৰতে অতুলনীয় বুলি স্বীকাৰ কৰি গৈছে। গোনতে গুৱাহাটীৰ কটন কলেজত আৰম্ভ কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম-কাজ পৰি-দৰ্শন কৰিবলৈ আহোঁতে ড° ৰাধাকৃষ্ণণক কটন কলেজ ছাত্ৰ একতা সভাই সম্বৰ্দ্ধনা জনাইছিল। সেই সম্বৰ্ধনাৰ উত্তৰত মহান দাৰ্শনিক পণ্ডিতজনাই কৈছিল : "ভাৰতৰ আন আন প্ৰদেশত এখন বা ততোধিক বিশ্ববিদ্যালয় আছে, কিন্তু তোমালোকৰ ইয়াত নাই। ভাৰতৰ সেই বিশ্ববিদ্যালয়বোৰত এটা বস্তু নাই, যিটো তোমালোকৰ আছে, আৰু সেয়া হৈছে তোমালোকৰ উপাচাৰ্য্য পণ্ডিত সন্দিকৈ।"

অসমৰ শিক্ষা-জগতৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হৈ সন্দিকৈদেৱে সহজ-সৰল জীৱন-যাপন কৰি উচ্চ চিন্তা আৰু গভীৰ অধ্যয়নত ব্ৰতী হৈ কেবাখনো গৱেষণামূলক গ্ৰন্থ ৰচনা কৰি বিশ্বৰ পণ্ডিত সমাজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। গ্ৰন্থ কেইখন হ'ল— শ্ৰীহৰ্ষৰ 'নৈষধ-চৰিত' (১৯৩৪), 'সোমদেৱ সুৰীৰ 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি' (১৯৪৯), প্ৰবৰসেনৰ 'সেতুবন্ধ' (১৯৭৬)'। এনে তত্ত্বগধুৰ প্ৰাচীন ভাৰতীয় গ্ৰন্থ টীকা সম্বলিত অনুবাদ কৰি কোনো অসমীয়াই বিশ্বত পাণ্ডিত্যৰ পৰিচয় দিব পৰা নাই। তেখেতৰ চিন্তা-চৰ্চা আৰু গধুৰ জ্ঞানেৰে ৰচনা কৰা প্ৰবন্ধৰাজি অসমীয়া সমালোচনা সাহিত্যৰ অতু-লনীয় সম্পদ। অসমৰ বিভিন্ন আলোচনীত প্ৰকাশ পোৱা কেবাটাও প্ৰবন্ধই অসমৰ পাঠক-পাঠিকাক নতুন জ্ঞানৰ সন্ধান দিয়ে। 'সাংখ্য দৰ্শন', 'গ্ৰীক ভাষা', 'ৰুচ-অভিনয়', 'অনুবাদৰ কথা', 'য়ুৰোপৰ ভাষা আৰু সাহিত্য', 'স্পেনিছ সাহিত্যৰ 'ৰমিঅ'-জুলিয়েট', 'গ্ৰীক নাটকৰ

অধ্যয়নেই যিজনাৰ জীৱনৰ ব্ৰত সেইজনা—



জ্ঞানৰ সাধক কৃষ্ণকান্ত সন্দিকৈ

গান', ভাৰতীয় চিন্তা', প্ৰাচীন বেবিলনৰ বেদ'. 'চক্ৰেটীছৰ মতে কবিৰ প্ৰকৃতি'– আদি সন্দিকৈ ৰচিত উল্লেখযোগ্য প্ৰবন্ধ। অধ্যয়ন কৃষ্ণকান্ত সন্দিকৈদেৱৰ জীৱনৰ একমাত্ৰ ব্ৰত। জ্ঞানৰ অন্বেষণ কৰাত তেওঁ আছিল তাপসিক ঋষিৰ দৰে। অধ্যয়নত যাতে কোনো বাধা আহি পৰিব নোৱাৰে তাৰ বাবে সদায় সতৰ্ক আছিল। সভা-সমিতি, আনন্দ-উৎসৱ অনুষ্ঠানাদিত যোগ দি সময় কটোৱাতকৈ গ্ৰন্থ অধ্যয়ন কৰি সময়ৰ সদ্ব্যৱহাৰ কৰিছিল।

আত্ম-প্ৰচাৰ বিমুখ সন্দিকৈদেৱ সভা-সমিতিত ঘূৰি ফুৰাৰ পক্ষপাতী নাছিল যদিও আৱশ্যকমতে অতি গুৰুত্বপূৰ্ণ সভা বা অধিবেশনত যোগ দি কৃতিত্বৰ পৰিচয় দিছিল। ইংৰাজী, ফৰাচী, জাৰ্মান, গ্ৰীক, লেটিন, সংস্কৃত আদি কেবাটাও ভাষাত বিজ্ঞ সন্দিকৈদেৱে অসমীয়াত বক্তৃতা দিওঁতে এটিও আন ভাষাৰ শব্দ ব্যৱহাৰ নকৰিছিল। এইটো তেওঁৰ ভাষণৰ এক বিশেষত্ব।

১৯২৯ চনত গোলাঘাটত বহা অসম ছাত্ৰ সন্মিলন, ১৯৩৭ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশন, ১৯৫১ চনত লক্ষ্ণৌত বহা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ সংস্কৃত বিভাগৰ সভা, ১৯৫২ চনত মাদ্ৰাজত বহা ভাৰতৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য সন্মিলন, ১৯৫৩ চনত ৱাল্টাৱাৰত ভাৰতৰ আন্তঃবিশ্ববিদ্যালয় পৰিষদৰ বাৰ্ষিক অধিবেশনত কৃষ্ণকান্ত সন্দিকৈদেৱে সভাপতিৰ আসন সুশোভিত কৰি নিজৰ ধ্যান-ধাৰণা আৰু জ্ঞানৰ পৰিচয় দি অসমৰ গৌৰৱ বিয়পাইছিল।

১৯৩৭ চনত অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতিৰ চমু ভাষণত অসমীয়া ভাষা-সাহিত্য আৰু জাতিৰ উন্নতি-প্ৰগতিৰ কাৰণে গঠনমূলক দিহা-পৰামৰ্শ দি গৈছে। অসমীয়া ভাষা-সাহিত্যলৈ অসমত থকা অন-অসমীয়া লোকৰ আদৰ কেনেকৈ জন্মিব, পৰ্বতীয়া জাতিৰ লোকসমূহে অসম সাহিত্য সভাত প্ৰতিনিধিত্ব কৰাৰ ওপৰত গুৰুত্ব দি আৰু অসমীয়া সাহিত্যক বিশ্ব সাহিত্যৰ লগত চিনাকি কৰি দিয়াৰ



বাবে বহুমূলীয়া বাণী শুনাইছিল। ভাষা-সাহিত্যৰ প্ৰচাৰত তেওঁ খুব গুৰুত্ব দিছিল। "ভাষা আৰু জাতীয় প্ৰগতিৰ কাৰণে শঙ্কৰ মিশ্যন স্থাপন তিথি পালনতকৈও বেছি আৱশ্যকীয় বুলি বোধ হয়।" জ্ঞানী মনীষীজনাৰ কথা কাৰ্য্যত খটুৱাবলৈ জানো অসমৰ জাতীয় অনুষ্ঠানৰ বিষয়-ববীয়াৰ সময় হাতত আছে? ভাষা আৰু জাতীয় প্ৰগতিৰ কথা চিন্তা কৰিয়েই 'চন্দ্ৰকান্ত' অভিধানৰ পুনৰ সংস্কৰণ আৰু পৰিবৰ্ধনৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ক ৩৭'০০০'০০ (সাতত্ৰিশ হাজাৰ) টকা সন্দিকৈদেৱে দান কৰিছিল। অভিধানখনৰ ৩য় ছপাৰ বাবেও বিশ্ববিদ্যালয়ক একলাখ পয়ষঠি হাজাৰ টকা দিয়া বুলি জনা যায়। বিশ্ববিদ্যালয়ে তেওঁৰ আশা পূৰ্ণ কৰিলে এক মহৎ জাতীয় কাম সম্পন্ন কৰা হ'ব। জগন্নাথ বৰুৱা কলেজৰ বিজ্ঞান শাখা খুলিবলৈও সন্দিকৈয়ে ১১'০০০'০০ (এঘাৰ হাজাৰ) টকা দান দিছিল। ইয়াৰ উপৰিও, ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ-মূৰ্তি নিৰ্মাণ, চন্দ্ৰকান্ত সন্দিকৈ ভৱন মেৰামতি আৰু কেবাখনো গ্ৰন্থ প্ৰকাশৰ বাবে শকত দান অসম সাহিত্য সভালৈ আগ বঢ়াইছিল। জীৱিত কালতে বিশ্বৰ অমূল্য গ্ৰন্থ-সমৃদ্ধ লাখ টকাৰ অধিক মূল্যৰ পুথিভৰ্তি ৫০টা আলমাৰী সহ গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰি গৈছে।

ঋষিতুল্য জ্ঞানৰ সাধক বিশ্ববিশ্ৰুত পণ্ডিত, চিন্তাশীল মনীষী কৃষ্ণকান্ত সন্দিকৈৰ অসমত জন্ম হোৱা কাৰণেই অসমীয়াই গৌৰৱ কৰি ক্ষান্ত থাকিলে নহ'ব। সেইজনা পুৰুষৰ আদৰ্শক অমৰ কৰি ৰাখিবলৈ দৃঢ়প্ৰতিজ্ঞাবদ্ধ হ'লেহে অসমীয়া ভাষা-সাহিত্য তথা জাতীয় প্ৰগতি সম্ভৱ হৈ উঠিব। কৃষ্ণ-সূৰ্যৰ হিৰণ-কিৰণে অসমৰ উত্তৰ-পুৰুষক উদ্ভাসিত কৰি তোলক; তেহে ১৯৮২ চনৰ ৭ জুনত ইহলীলা সম্বৰণ কৰা কৃষ্ণকান্তৰ অমৰ আত্মাই শান্তি পাব। ●

# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ

অসমীয়া সংস্কৃতিৰ একান্ত পূজাৰী জ্যোতিপ্ৰসাদ। তেওঁৰ প্ৰতিভা আছিল বহুমুখী। দুকুৰি আঠ বছৰীয়া জীৱন এটাত জ্যোতিপ্ৰসাদৰ যি বহুমুখী প্ৰতিভা বিকশিত হৈ উঠিছিল, তাক দেখিলে তবধ মানিব লাগে। অসমীয়া জনগণৰ মনোবেদনা, দুখ-বেথা, আৰ্ত্তনাদ, কামনা আৰু অভিলাস শিল্পী জ্যোতিপ্ৰসাদে অন্তৰেৰে উপলব্ধি কৰিছিল। জনসাধাৰণৰ মনোভাৱ নিখুঁত ৰূপত প্ৰকাশ কৰিব পৰা শিল্পী জ্যোতিপ্ৰসাদ বৰ্ত্তমান যুগৰ শ্ৰেষ্ঠ শিল্পী। অসমীয়া সঙ্গীত, কবিতা, নাটক, নৃত্য, গদ্য, চিত্ৰ-বোলছবি প্ৰভৃতি দিশত এই শিল্পীজনাই আগবঢ়োৱা অৱদানৰ তুলনা পাবলৈ নাই। অসমীয়া জাতীয় জীৱন আৰু সাহিত্য-সংস্কৃতিক অত্যুজ্জ্বল কৰি তুলিবলৈ শ্ৰম আৰু সাধনা কৰা শিল্পী অসমীয়া সংস্কৃতিৰ ইতিহাসত আঙুলিৰ মূৰত লেখিব পাৰি। পৰাধীন দেশৰ মুক্তি-যুজাঁৰু হিচাপেও শিল্পী জ্যোতিপ্ৰসাদৰ অৱদান লেখত লবলগীয়া। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ শিল্পী সমাজ আৰু অসমীয়া জাতিৰ অতি আদৰৰ, শ্ৰদ্ধা-ভক্তিৰ পাত্ৰ।

বঙালী বা হিন্দুস্থানীৰ প্ৰভাৱত এসময়ত অসমীয়া সংস্কৃতিয়ে মূৰ দাঙি উঠিবলৈ সুবিধা নোপোৱা হৈছিল। অসমীয়া সাহিত্য-সংস্কৃতিৰ এনে মুমূৰ্ষু অৱস্থাত আৱিৰ্ভাৱ হৈছিল ক্ষণজন্মা উজ্জ্বল জ্যোতিষ্ক জ্যোতিপ্ৰসাদৰ। জ্যোতিপ্ৰসাদৰ পূৰ্বপুৰুষ অনা-অসমীয়া। বৃটিছ শাসনৰ আগ মুহূৰ্ত্তত বণিজ কৰিবলৈ মাৰোৱাৰৰ পৰা নৱৰঙ্গ নামৰ এজন লোক অসমলৈ আহিছিল। নৱৰঙ্গ নামৰ সাউদ জনাই আছিল জ্যোতিপ্ৰসাদৰ আজোককা। নৱৰঙ্গৰ পুত্ৰ হৰিবিলাস আগৰৱালা। অসমীয়া ভাষাৰ অমূল্য পুথি কীৰ্ত্তন, গুণমালা, ভাগৱত, ভটিমা, বৰগীত ছপা কৰি হৰিবিলাস হাড়ে-হিমজুৱে অসমীয়া হৈ পৰিছিল। এই হৰিবিলাসৰ পুত্ৰ পৰমানন্দ আছিল অসমৰ জাতীয়তাবাদী আৰু স্বদেশানুৰাগী ব্যক্তি। অসহযোগ আন্দোলনৰ লগত হৰিবিলাসৰ ওতঃপ্ৰোত সম্বন্ধ আছিল। পৰমানন্দৰ ঔৰসত সতীসাধ্বী কিৰণময়ীৰ গৰ্ভত ১৯০৩ চনত অসমীয়া সংস্কৃতিৰ সাধক আৰু দেশৰ মুক্তি-যুজাঁৰু জ্যোতিপ্ৰসাদৰ জন্ম হয়।



অভিজাত পৰিয়ালত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদৰ শিক্ষা আৰম্ভ হয় তেজপুৰত। মাক-দেউতাকৰ মৰম-চেনেহত জ্যোতিপ্ৰসাদ বৰ দুষ্ট আৰু অঘাইতং হৈ পৰিল। সৰুৰে পৰা নানা খেলা-ধূলা, ৰং-তামচাত জ্যোতিপ্ৰসাদৰ ব্যস্ততা অসীম। তেওঁৰ সাহস আৰু নিপুণতাই সকলোকে আচৰিত কৰি তুলিলে। স্বাধীনমনা আৰু সাহসী জ্যোতিপ্ৰসাদৰ মন স্কুলীয়া দিনতে স্বাধীনতা সংগ্ৰামৰ পিনে ধাবিত হ'ল। অসহযোগ আন্দোলন দেশত বিয়পি পৰিলত তেওঁ প্ৰৱেশিকা পৰীক্ষাৰ বাছনি পৰীক্ষা দিয়েই এই আন্দোলনত জঁপিয়াই পৰিল। মহাত্মা গান্ধীৰ ১৯২১ চনৰ অসহযোগ আন্দোলনত দেশৰ স্বাধীনতাৰ কাৰণে যোগ দান কৰা কলেজীয়া ছাত্ৰসকলৰ লগত জ্যোতিপ্ৰসাদেও অংশ গ্ৰহণ কৰিলে। দুখ-কষ্ট কাতি কৰি থৈ আন্দোলনত ঘূৰি ফুৰাত কম বয়সৰ ছাত্ৰ জ্যোতিপ্ৰসাদৰ স্বাস্থ্যৰ অৱনতি ঘটিল। কিছুদিন পিছত তেওঁ কলিকতাৰ নেশ্যনেল স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাৰ দুৱাৰ পাৰ হয়। ১৯২৬ চনত উচ্চ শিক্ষাৰ প্ৰতি থকা ধাউতি পূৰাবলৈ জ্যোতিপ্ৰসাদ বিলাতলৈ যায়। এডিনবৰা বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰি তেওঁ বাৰ্লিন পালেগৈ। ইংল্যাণ্ডত পাশ্চাত্য-সঙ্গীত আৰু ইংৰাজী থিয়েটাৰ সম্পৰ্কে জ্যোতিপ্ৰসাদে সুশিক্ষা লাভ কৰে। বাৰ্লিনত বোম্বে টকীজৰ প্ৰতিষ্ঠাতা ৺হিমাংশু ৰায়ৰ লগ পাই জ্যোতিপ্ৰসাদে ফিল্ম-প্ৰযোজনা আৰু পৰিচালনা সম্পৰ্কে জ্ঞান আয়ত্ত কৰাৰ সুবিধা পায়।

জ্যোতিপ্ৰসাদ স্বাধীনতা সংগ্ৰামৰ অন্যতম যুজাৰু। তেওঁৰ স্বাধীন মনটোৰ বিপ্লৱ বিদেশতো মাৰ নগ'ল। ১৯২৯ চনত দেশভক্ত তৰুণৰাম ফুকনৰ সভাপতিত্বত তেজপুৰ নগৰত অসমৰ ছাত্ৰ সন্মিলন বহা সময়ত জ্যোতিপ্ৰসাদ আছিল বিলাতত। পৰাধীন অসমৰ সন্তানক মুক্তি আন্দোলনত জঁপিয়াই পৰিবলৈ আহ্বান জনাই তেওঁ বিলাতৰ পৰা কেইটামান দেশপ্ৰেমমূলক গীত ৰচনা কৰি ছাত্ৰ সন্মিলনীত গাবলৈ পঠাই দিছিল। জ্যোতিপ্ৰসাদৰ সেই গীত আছিল—

"সাজু হবৰে হ'ল ডেকা ল'ৰা সাজু হবৰে হ'ল-
তোৰ তপ্ত ৰুধিৰ ঢালি আয়েৰাক শক্তি দিবৰ হ'ল।
তোৰ মনত যদি নপৰে
মোৰ মৰম সনা কথা
তোৰ প্ৰাণত যদি উচুপি নুঠে
মোৰ কৰুণ গানৰ ব্যথা
মোৰ মৰম সনা কথা।
তেনে মোৰ ফুলনিৰ ৰঙা গোলাপ
কিয় চিঙিলি
তোৰ কৰণিত মোৰ শেৱালি
কিয় তুলিলি ?
তোৰ সোণ বৰণৰ বিহাৰ আগত
কিয় মোৰ নামটো লিখা
তোৰ মোক চাই থকা পদুম চকুত
জ্বলে কিয় জ্যোতি-শিখা ?
তোৰ মনত যদি নপৰে
মোৰ মৰম সনা কথা।"

অসমীয়া ডেকা ল'ৰাক, অসমীৰ সন্তানক স্বদেশৰ স্বাধীনতাৰ কাৰণে জগাই তুলিবলৈ, সাজু কৰিবলৈ আৰু আৱশ্যক মতে প্ৰাণ বলি



দিবলৈ জ্যোতিপ্ৰসাদে যি আহ্বান জনালে, সেই আহ্বানত হাজাৰ হাজাৰ লোক আগবাঢ়ি আহিল। ইয়াৰ উপৰিও, তেওঁ দেশপ্ৰেমমূলক অনেক গীত ৰচনা কৰে। 'লুইতৰ পাৰৰ ডেকা ল'ৰাৰ মৰিবলৈ ভয় নাই, লাচিতৰ দেশৰ ল'ৰাই লাচিতৰ দৰে ৰণলৈ আগবাঢ়ি যাব। দেশ-মাতৃকাৰ লাঞ্চনা সহ্য কৰি কাপুৰুষৰ পৰিচয় লুইতৰ পাৰৰ ডেকা ল'ৰাই কেতিয়াও নিদিয়ে। "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই।" "বিশ্ব বিজয় ন-জোৱান" আদি তেওঁৰ সুন্দৰ সুন্দৰ দেশপ্ৰেমমূলক গীত। ১৯৩২ চনত বিপ্লৱী জ্যোতিপ্ৰসাদে কাৰাবৰণ কৰিবলগীয়া হয়। এবছৰ তিনিমাহ কাল সশ্ৰম কাৰাদণ্ড ভোগ কৰি তেওঁ একেবাৰে দুৰ্বল হৈ পৰিল। তেওঁৰ শৰীৰ দুৰ্বল হলেও মন দুৰ্বল নহ'ল। সেয়েহে ভাৰত ব্যাপী অশান্তিৰ জুই জ্বলি উঠাত ১৯৪২ চনৰ আগষ্ট-বিপ্লৱত জ্যোতিপ্ৰসাদ নীৰৱ হৈ ৰৈ থাকিব নোৱাৰিলে। এইবাৰৰ সংগ্ৰামত তেওঁ ইমান দুৰ্বল হৈ পৰিল যে শেষত কলিকতাত আত্মগোপন কৰি থাকিবলগীয়া হ'ল।

বহুমুখী প্ৰতিভাশালী শিল্পীৰূপে জ্যোতিপ্ৰসাদক সদায় সুঁৱৰিব লাগিব। তেওঁৰ সুপ্ৰতিভা পঢ়াশলীয়া দিনৰে পৰা বিকশিত হৈছিল। স্কুলত পঢ়ি থাকোতে চৈধ্য বছৰ বয়সতে তেওঁ অসমীয়া গীত-মাত-নৃত্য-সুৰৰ সম্বন্ধ ঘটাই উষা-অনিৰুদ্ধৰ প্ৰণয় বিষয়ৰ এখনি সুন্দৰ নাট ৰচনা কৰে। এই নাটৰ নাম 'শোণিত কুঁৱৰী'। পিছৰ জীৱনত তেওঁ 'কাৰেঙৰ লিগিৰী', 'লভিতা', 'ৰূপালীম' আদি অনুপম নাট অসমীয়া সাহিত্যলৈ আগবঢ়ায়। এই নাটসমূহৰ নাট্যকাৰ জ্যোতি-প্ৰসাদে বিপ্লৱী শিল্পী মনৰ পৰিচয় দাঙি ধৰিছে। তেওঁ ৰচনা কৰা 'কাৰেঙৰ লিগিৰী' আধুনিক অসমীয়া শ্ৰেষ্ঠ নাট।

আধুনিক যুগত জ্যোতিপ্ৰসাদ নিঃসন্দেহে অসমৰ প্ৰতিভাশালী গীতিকাৰ। তেওঁ গীত ৰচিছিল, গীতত সুৰ দিছিল আৰু অমৃত বৰষা গীত গাইছিল। গীতিকাৰ আৰু সুৰকাৰ হিচাবে জ্যোতিপ্ৰসাদৰ সমকক্ষ আজিলৈ কেও ওলোৱা নাই। বঙালী বা হিন্দুস্থানী গীত আৰু

জাতীয় জীৱন আৰু সংস্কৃতিক অত্যুজ্জ্বল কৰি তুলিবলৈ জীৱন জোৰা সাধনা কৰা মহানশিল্পী—



রূপকোঁৱৰ জ্যোতিপ্ৰসাদ

19448/76



সুৰ ৰঘুমলাৰ দৰে বিয়পি পৰি অসমীয়া সঙ্গীত বিজতৰীয়া হৈ উঠাত সেইবোৰ মষিমূৰ কৰিবলৈ জ্যোতিপ্ৰসাদ দৃঢ়প্ৰতিজ্ঞ হ'ল। সেইকাৰণে তেওঁ অসমীয়া ৰিয়ানাম, বিহুগীত, বনগীত, আইনাম, ভাওনা, নৃত্য প্ৰভৃতিক নতুন ৰঙেৰে বোলাই নতুন যুগৰ উপযোগীকৈ উলিয়াই আনি সু-আসনত বহুৱালে। অসমৰ গাঁৱলীয়া গীত বা অশ্লীল গীত বুলি সেইসময়ৰ বেচি ভাগ শিক্ষিত লোকে ধাৰণা কৰা সম্পদসমূহৰ প্ৰকৃত মূল্য জ্যোতিপ্ৰসাদে সকলোকে বুজাই দিলে। তেওঁৰ চেষ্টাতে অসমীয়া সঙ্গীত, সুৰ আৰু নৃত্যৰ নতুন প্ৰকাশ হ'ল।

অসমীয়া সাহিত্যত জ্যোতিপ্ৰসাদক কবিসকলৰ মাজতো এখন আসন দিব লাগিব। নতুন প্ৰকাশ ভঙ্গী আৰু নতুন ছন্দেৰে তেওঁ সুন্দৰ সুন্দৰ কবিতা ৰচনা কৰিছিল। জনতাৰ আৰ্ত্তনাদ, সাম্য-মৈত্ৰী আৰু স্বদেশপ্ৰেমৰ ওপৰত ৰচনা কৰা তেওঁৰ কবিতাসমূহ অতি মনোগ্ৰাহী।

"সাম্য-মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ-বাগিচাৰ ময়েই বনুৱা"

খেজনা (খাজানা) সধাত 'দফালৰ খং' কবিতাটোত জনজাতীয় ছালছিগা দফলা এটাৰ মনৰ প্ৰতিক্ৰিয়া সুন্দৰভাৱে প্ৰকাশ পাইছে। মৌজাদাৰৰ এজন মহৰীয়ে দফলাৰ ঘৰলৈ খাজানা সাধিবলৈ গৈছিল। সেইসময়ত ছালছিগা দফলা মনৰ বেজাৰত ঘৰৰ ভিতৰত সোমাই আছিল। বাহিৰৰ পৰা মহৰীয়ে চিঞৰ-বাখৰ কৰি দুৱাৰত লাঠি-ডালেৰে কোব দিয়াত দফলাৰ খং মূৰৰ চুলি পালেগৈ—

"কি কি কি ই-ই- ই
কেজেনা কেজেনা
কেজেনা কেজেনা কৰিছ অ'
আমি হ'লে বৰচাহাবক বয় নকৰে,
তোক কিয় কৰিম
কি পুতনিখন
কৰিবলৈ আহিছ ?"

জ্যোতিপ্ৰসাদ প্ৰথম অসমীয়া বোলছবি নিৰ্মাতা। বিদেশলৈ জ্যোতিপ্ৰসাদে বোলছবি নিৰ্মাণ আৰু পৰিচালনাৰ বিষয়ে সুশিক্ষা লাভ কৰি আহিছিল। সেইসময়ত অসমত বোলছবি নিৰ্মাণ কৰা কথা কল্পনাতীত আছিল। আনকি, ভাৰতীয় বোলছবি নিৰ্মাণ কৰা কথা সপোনৰ দৰে আছিল। জ্যোতিপ্ৰসাদে তেওঁৰ শিক্ষাৰ অপচয় হ'ব দিব নোৱাৰিলে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা 'জয়মতী' নাটকখন জ্যোতিপ্ৰসাদে বোলছবিৰ কাৰণে হাতত ল'লে। অসমৰ ভোলাগুৰি চাহ বাগিচাত এটা অস্থায়ী ষ্টুডিঅ' 'চিত্ৰবন' নিৰ্মাণ কৰি তেওঁ 'জয়মতী'ৰ কামত আগবাঢ়িল। অলেখ দুখ-নিৰ্যাতনক আওকাণ কৰি দৃঢ়মনা জ্যোতিপ্ৰসাদে জয়মতী বোলছবিৰ কাম সমাপ্ত কৰিলে। যি সময়ত অসমত ছবিঘৰৰ সংখ্যা তাকৰ আছিল, কোনো গাভৰু বোলছবিত অভিনয় কৰিবলৈ অহাটো ভাবিব নোৱাৰা কথা আছিল, সেই সময়ত সকলো বাধা দূৰ কৰি 'জয়মতী' ছবিৰ মুক্তি সাধন কৰাটো সঁচাকৈয়ে এক অভূতপূৰ্ব কৃতকাৰ্য্যতা বুলি স্বীকাৰ কৰিব লাগিব। ১৯৩৫ চনৰ ১০ মাৰ্চত গুৱাহাটীত 'জয়মতী' ছবি প্ৰদৰ্শন কৰা হৈছিল।

জ্যোতিপ্ৰসাদে বিলাতত বহুদিন শিক্ষা লৈ অসমলৈ ঘূৰি আহিছিল যদিও তেওঁৰ সুৰ, ৰচনা, সৃষ্টি সদায় অসমীয়া গঢ়ৰ, অসমীয়া ঠাঁচৰ, অসমীয়া মনৰ উপযোগী হৈ থাকিল। নাথাকিবই বা কেনেকৈ? ইউৰোপলৈ গৈ তেওঁ যি স্থাপত্য দেখিছিল, সেইবোৰ অসমৰ মহাপুৰুষ শঙ্কৰদেৱৰ স্থাপত্যতকৈ কোনো গুণে শ্ৰেষ্ঠ বুলি তেওঁ ভাবিব নোৱাৰিলে। অসমৰ সত্ৰ-নামঘৰৰ খুটাত কটা মূৰ্ত্তিবোৰ দেখি জ্যোতিপ্ৰসাদে আনন্দত চিঞৰি উঠিল: "পশ্চিমীয়া শিক্ষা পাই অহঙ্কাৰত অন্ধলা হৈ ঘৰৰে প্ৰতিভাক চিনি নাপাই ফুৰা মোৰ মনটোৰ সকলো অহঙ্কাৰ সেইদিনাই একেবাৰেই ধূলিসাৎ হৈ গ'ল। সিদিনাৰ পৰাহে মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলোঁ। মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে।" তেতিয়াই তেওঁ বিলাতলৈ যোৱাটো যে অৰ্থহীন কথা তাক দোহাৰিলে:



"বিলাতলৈ কেলেই পঢ়িবলৈ গৈছিলোঁ? যি বিচাৰি গৈছিলোঁ ঘূৰি আহি দেখোন ঘৰতে পালোঁ।" সেয়েহে কেবাবছৰো ইউৰোপত শিক্ষা লাভ কৰি অহা জ্যোতিপ্ৰসাদে পুনৰ অসমত অসমীয়া হৈ বহিল। উৱলি যাব খোজা মহাপুৰুষৰ দেশৰ, জাতিৰ, অসমীয়া সংস্কৃতিক সঞ্জীৱিত কৰি তুলিবলৈ জ্যোতিপ্ৰসাদে জীৱন জুৰি সাধনা কৰি গ'ল।

১৯৫১ চনৰ ১৭ জানুৱাৰী। সেই দিনটো অসমীয়াৰ অতি বিষাদৰ দিন। কিয়নো, সেই দিনতে কাল নিয়তিয়ে অকালতে জনতাৰ শিল্পী, সংস্কৃতিৰ পূজাৰী জ্যোতিপ্ৰসাদক চিৰদিনলৈ আমাৰ মাজৰ পৰা লৈ যায়। জ্যোতিপ্ৰসাদৰ বিয়োগত অসম তথা ভাৰতে এজন প্ৰকৃত সুন্দৰৰ উপাসক, মহান শিল্পী, সুসাহিত্যিক, অক্লান্ত কৰ্মী আৰু স্বদেশ-প্ৰেমিকক হেৰুৱালে। জ্যোতিৰ অমৰ অৱদানে অসমীয়া সংস্কৃতিক চিৰজ্যোতিষ্মান কৰি থৈ গ'ল ●

# সংস্কৃতিৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভা

সমাজ-সচেতন শিল্পী-সাহিত্যিকে মানৱ আৰু সমাজ জীৱনক তেওঁৰ সৃষ্টিত প্ৰতিফলিত কৰি সত্য-সুন্দৰৰ পথৰ সন্ধান দি সমাজত মানৱ অধিকাৰ সাব্যস্ত কৰাত ব্ৰতী হয়। জনতাৰ মনৰ কথা, প্ৰাণৰ কথা, আত্মাৰ কথা বিভিন্ন কলা-সংস্কৃতিৰ মাধ্যমেৰে প্ৰকাশ কৰিলে জনগণৰ অতি আকৰ্ষণীয় আৰু আদৰণীয় হৈ পৰে। অজ্ঞতা দূৰ কৰি জনতাক সচেতন কৰা, শোষণ-নিষ্পেষণৰ পৰা দলিত-পীড়িতক মুক্ত কৰা, মানৱতাবাদ আৰু জাতীয়তাৰ ভাৱেৰে জনগণক উদ্বুদ্ধ কৰা সাহিত্য-সংস্কৃতি কালজয়ী। সৰ্বজনক সম-স্বত্ব দান কৰি এখন শ্ৰেণীহীন সৰ্বাঙ্গ-সুন্দৰ সমাজ গঢ়ি তুলিবলৈ সচেতন শিল্পী-সাহিত্যিকে জীৱন-যোৰা সাধনা কৰে। শত শত বাধা-বিধিনি নেওচি জনগণৰ আশা-আকাংখা, হাঁহি-কান্দোন, আৰ্ত্তনাদ, আদিৰ সমভাগী হৈ জনমঙ্গল আৰু মুক্তিৰ বাবে যথাৰ্থ অৰিহণা যোগাবলৈ সংগ্ৰামী ভূমিকাত অৱতীৰ্ণ হৈ জীৱন সাৰ্থক কৰা কলা-সংস্কৃতিৰ পূজাৰী-সকলৰ ভিতৰত জনশিল্পী বিষ্ণুপ্ৰসাদ ৰাভা অন্যতম।

বিষ্ণুপ্ৰসাদ ৰাভা—সৰৱৰহী নাম বিষ্ণুৰাভা সৰু বৰ সকলোৰে মুখে মুখে। খৃষ্টীয় ১৯০৯ চনৰ ৩১ জানুৱাৰী বৃহস্পতিবাৰ— অসমৰ জাতীয় বুৰঞ্জীৰ স্মৰণীয় দিন। এই দিনটোতে অসমীৰ সুসন্তান ৰাভাৰ জন্ম হয় বৰ্ত্তমান বাংলা দেশৰ ৰাজধানী ঢাকাত। তেওঁৰ দেউতাক গোপাল ৰাভা ঢাকাত সামৰিক বিভাগৰ চুবেদাৰ মেজৰ আছিল। বিষ্ণু ৰাভাৰ ককাদেউতাক শনিৰাম কছাৰীও সামৰিক বিভাগৰ চাকৰিয়াল আছিল। শনিৰাম কছাৰী কামৰূপৰ ৰাণী অঞ্চলৰ



লোক আছিল। ভৈৰবকুণ্ডৰ সামৰিক শিবিৰত চাকৰি কৰা কালতে শনিৰাম কছাৰীয়ে মাতৃহাৰা শিশুপুত্ৰ গোপালক তেজপুৰত পুলিচত উচ্চ পদস্থ বিষয়াৰ চাকৰি কৰা আত্মীয় চান্দবৰ ৰাভাৰ তত্বাৱধানত থয়। তাতে ডাঙৰ-দীঘল হৈ সুস্বাস্থ্যৰ গোগালে নৱম শ্ৰেণীলৈ পঢ়ি অসম ৰাইফল্‌ছত ভৰ্ত্তি হৈ সামৰিক চাকৰিত যোগদান কৰে। গোপালৰ ককায়েক ধনচিঙো সামৰিক বিভাগৰ চাকৰিয়াল আছিল।

ঢাকাত সামৰিক পৰিৱেশত জন্ম গ্ৰহণ কৰাত জন্মলগ্নতে সামৰিক ৰণ-শিঙাৰ লগত বিষ্ণুৰ সু-পৰিচয় ঘটে। ঢাকাৰ সামৰিক বিদ্যালয়ত বঙলা ভাষাত প্ৰাথমিক শিক্ষাৰ পাঠ সমাপ্ত কৰি উষা-নগৰী তেজপুৰত বিষ্ণু ৰাভাই উচ্চ ইংৰাজী বিদ্যালয়ত নাম ভৰ্ত্তি কৰে। স্কুলীয়া পাঠ্য-পুথি অধ্যয়নত চোকা বুদ্ধিৰ পৰিচয় দিয়াৰ উপৰিও সঙ্গীত-নৃত্য, খেলা-ধূলাদিতো বিশেষ পাৰদৰ্শিতা দেখুৱাই শিক্ষক-ছাত্ৰ সকলোৰে মাজত বিষ্ণু ৰাভা জাকত-জিলিকা হৈ পৰে।

১৯২৬ চনত প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া শিক্ষা লাভাৰ্থে বিষ্ণু ৰাভা কলিকতালৈ যায়। ১৯২৬ চনৰ পৰা ১৯৩১ চনলৈ তেওঁ কেবাখনো কলেজ সলনি কৰি পঢ়িবলগীয়া হয়। কলিকতাৰ চেণ্ট পল্‌ছ, ৰিপণ, কোচবিহাৰৰ ভিক্টোৰিয়া আৰু ৰংপুৰৰ কাৰমাইকেল—এই চাৰিখন কলেজত অধ্যয়ন কৰিও তেওঁ স্নাতক ডিগ্ৰী লাভ কৰাৰ সুযোগ নাপালে। চেণ্টপল্‌ছ কলেজৰ পৰা আই-এছচি পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯২৮ চনত ৰিপণ কলেজত বি-এছচি পঢ়িবলৈ লোৱাৰে পৰা নানা বাধাৰ সন্মুখীন হ'ব লগীয়াত পৰে। সেই সময়ত ভাৰতৰ স্বাধীনতা আন্দোলনে ব্যাপকতা লাভ কৰাত কলিকতাৰ যুৱ-সমাজৰ মাজত সন্ত্ৰাসবাদীৰ কাৰ্য্য-কলাপ গা কৰি উঠে। ঔপনিবেশিক বৃটিছ চৰকাৰে যুৱ-ছাত্ৰক দমন কৰাৰ অভিযানত কোনো সম্পৰ্ক নথকা স্বত্বেও বিষ্ণু ৰাভাক সন্ত্ৰাসবাদীৰ কাৰ্য্য-কলাপৰ লগত জড়িত কৰি ছাত্ৰাবাসত তেওঁৰ কোঠালীত তালাচী চলাই বাৰে বাৰে জুলুম কৰিবলৈ ধৰে। দ্বিতীয় বাৰ্ষিক স্নাতক বিজ্ঞানৰ ছাত্ৰ বিষ্ণুৰাভা

অতিষ্ঠ হৈ ৰিপণ কলেজ এৰি কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত প্ৰথম বাৰ্ষিক স্নাতক কলাৰ ছাত্ৰ হৈ অধ্যয়নত মনোনিবেশ কৰিলে।

পৰাধীনতাৰ গ্লানি নীৰৱে সহি থাকিব নোৱাৰি সাহসী, স্বাধীনমনা ছাত্ৰ বিষ্ণু ৰাভাই বৃটিছ চৰকাৰ আৰু কোচবিহাৰৰ দেৱানৰ বিৰুদ্ধে আন্দোলন তীব্ৰতৰ কৰি তুলিবলৈ উঠি-পৰি লাগিল। ৰাজভৱনৰ প্ৰবেশ-দ্বাৰ,ৰিজেণ্ট হাটচিনটনৰ চৰকাৰী বাসভৱনৰ পদূলিত দোভাগ ৰাতি গোপনে স্বাধীনতাৰ ত্ৰিৰঙ্গ পতাকা উকৰাই দেশৰ শত্ৰুৰ লগত জনতাক অসমীৰ সংগ্ৰামী যুৱক বিষ্ণু ৰাভাই চিনাকি কৰি দিছিল। ভিক্টোৰিয়া কলেজৰ পৰা বছৰেকীয়া পৰীক্ষা দি তেজপুৰলৈ গৈ মহাত্মা গান্ধীৰ অহিংস আন্দোলনত জপিয়াই পৰি জনতাক উদ্বুদ্ধ কৰাত ব্যস্ত হৈ থাকোঁতে বিদেশী বৃটিছ চৰকাৰৰ ৰোষত পৰি বিষ্ণুৰাভা কোচবিহাৰৰ পৰা বহিষ্কাৰ হয়। লগতে ৰাভাক কলেজৰ পৰা বাধ্যতামূলক বদলি কৰণৰ 'চাৰ্টিফিকেট' দিয়াৰ সিদ্ধান্তও ঘোষণা কৰা হয়।

কলেজীয়া উচ্চ শিক্ষাৰ প্ৰতি থকা হাবিয়াস পূৰ্ণ কৰিবলৈ বিষ্ণুৰাভাই এইবাৰ নাম ভৰ্তি কৰিলে গৈ ৰংপুৰ কলেজত। নৃত্য-গীত, খেলা-ধূলা, কলা সাধনাত মনোনিবেশ কৰি সকলো দিশতে প্ৰতিভাৰ পৰিচয় দি কমদিনৰ ভিতৰতে বিষ্ণু ৰাভা কলেজত সকলোৰে মাজত অতি জনপ্ৰিয় হৈ পৰিল। কিন্তু কি হ'ব! পুনৰ একে দশা। ৰংপুৰতো সন্ত্ৰাসবাদীৰ লগত সম্পৰ্ক থকা বুলি পুলিচে ছাত্ৰাবাসত তালাচী চলাই বিষ্ণু ৰাভাক হাৰাশাস্তি কৰি পঢ়া-শুনাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে। সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ দমন, শাসন-শোষণৰ প্ৰতি প্ৰগতিশীল চিন্তা আৰু স্বাধীনচিতীয়া স্বভাৱৰ ৰাভাৰ মনত বিদ্বেষ আৰু ঘৃণাৰ ভাব জাগি উঠিল আৰু তিমানতে তেওঁ কলেজীয়া শিক্ষা আৰু ডিগ্ৰী লাভৰ আশা পৰিত্যাগ কৰিবলৈ বাধ্য হৈ কলিকতালৈ যাত্ৰা কৰিলে।

ছাত্ৰাৱস্থাতেই বিষ্ণু ৰাভাৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ পৰিচয় প্ৰকাশ পাইছিল। সঙ্গীত-নৃত্য, খেলা-ধূলাত তেওঁ বিশেষ পাৰদৰ্শিতা



দেখুৱাইছিল। চেণ্টপল্‌ছ কলেজত ক্ৰিকেটৰ অধিনায়ক, ৰিপণ কলেজত ফুটবলৰ অধিনায়ক আৰু ৰংপুৰ কলেজত ক্ৰিকেটৰ অধিনায়ক পদত অধিষ্ঠিত হৈ অসমীয়া ছাত্ৰৰ গৌৰৱ বঢ়াইছিল। কলিকতাৰ ৱাই, এম, চি, এ দলৰ খেলুৱৈ হিচাবে শান্তিনিকেতনত ফুটবল প্ৰতিযোগিতাত বিষ্ণুৰাভাই দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল।

বৈচিত্ৰময় কলেজীয়া শিক্ষা-জীৱন সামৰি শিল্পকলা, বিজ্ঞান, সাহিত্য, সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ কলিকতাত বিষ্ণু ৰাভাই কলা সাধনাত নিমগ্ন হ'ল। ৰাভাই সেইকালত চৰকাৰী চাকৰি এটা লৈ নাইবা পিতৃ-পুৰুষৰ অজস্ৰ সা-সম্পদক কেন্দ্ৰ কৰি সুখে-স্বাচ্ছন্দে জীৱন নিৰ্বাহ কৰিব পাৰিলেহেঁতেন। ককায়েক নন্দলালে বিষ্ণু ৰাভাক পুলিচ বিভাগৰ চাকৰিত যোগদান কৰি পৰিয়ালৰ গৌৰৱ ৰক্ষা কৰিবলৈ বুজনি দিছিল। বিভাগীয় বাছনি পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি পুলিচ উপ-অধীক্ষকৰ (ডি-এছ-পি) পদত নিযুক্তি পায়ো বিষ্ণু ৰাভাই ঔপনিবেশিক বিদেশী চৰকাৰৰ অধীনত চাকৰি কৰি তেওঁৰ সংগ্ৰামী স্বাধীন মন আৰু ব্যক্তিত্বক অৱনমিত হ'বলৈ নিদিলে। ৰাভাই কলা-সংস্কৃতিৰ সাধনাকে জীৱনৰ সৰ্বস্ব বুলি জ্ঞান কৰিলে।

১৯২৮ চনত কলিকতাৰ 'এম্পায়াৰ প্ৰেক্ষাগৃহ'ত চোভিয়েত ৰাচিয়াৰ খ্যাতনামা নৰ্তকী বেলেৰিণা আনা পাভলোভাই 'ৰাজহংস নৃত্য' প্ৰদৰ্শন কৰি অগণন দৰ্শকক চমক লগাইছিল। অভূতপূৰ্ব তাল-লয়-ছন্দ-গতিৰ নৃত্য দেখি সাধক শিল্পী বিষ্ণু ৰাভা অভিভূত হৈ পৰে আৰু নৃত্য-পটিয়সী পাভলোভাৰ ওচৰ চাপি তেওঁৰ পৰা নৃত্য সম্পৰ্কে জ্ঞান-উপদেশ লাভ কৰি উৎসাহিত হয়।

কলিকতাত বিখ্যাত শিল্পী-সাহিত্যিকসকলৰ সান্নিধ্যত লাভ কৰা অনুপ্ৰেৰণা আৰু নৃত্য-পটিয়সী আনা পাভলোভাৰ পৰামৰ্শ সাৰোগত কৰি বিষ্ণু ৰাভাই অসমৰ থলুৱা জন-সংস্কৃতিৰ উন্নতি আৰু উৎকৰ্ষ সাধনৰ প্ৰতি গভীৰভাবে চিন্তা-চৰ্চা কৰে। তেওঁ

'কামৰূপী নৃত্য সংঘ' গঠন কৰি মহাপুৰুষ শঙ্কৰদেৱৰ অনুপম সত্ৰ-সংস্কৃতিক সমাদৃত কৰি তোলে। নানা জাতি-উপজাতিৰ লোকক সমবেত কৰাই এখন সুন্দৰ সমাজ গঢ়ি . জাতীয়ত্বৰ বাণীৰে 'বৰ অসম'ৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰা শঙ্কৰদেৱৰ অপূৰ্ব অবদানৰ মূল্যায়ন কৰি বিষ্ণু ৰাভাই কৈছিল : "সঁচাকৈয়ে শঙ্কৰদেৱ অসমৰ গুৰু, অসমীয়াৰ প্ৰাণ। আজি শঙ্কৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শঙ্কৰ নাথাকলে অসমৰ একোৱেই নাই।" শঙ্কৰদেৱৰ গণতান্ত্ৰিক সমাজখনৰ বিষয়ে বিষ্ণু ৰাভাই কৈছে ঃ "শঙ্কৰদেৱে যি নতুন সমাজ প্ৰতিষ্ঠা কৰিছিল, সেই নৱ-প্ৰতিষ্ঠিত সমাজ জনগণৰহে সমাজ, ৰাইজৰ সমাজ, ৰজাৰ সমাজ নহয়।" কুৰি শতিকাত জ্যোতিপ্ৰসাদ আগৰৱালৰ দৰে বিষ্ণু ৰাভায়ো সংস্কৃতিৰ গুৰু শঙ্কৰদেৱৰ প্ৰয়োজনীয়তাত সবাতোকৈ অধিক গুৰুত্ব আৰোপ কৰিছিল।

উল্লেখযোগ্য যে শিল্পী বিষ্ণু ৰাভাই পৃথিৱীত জন্ম গ্ৰহণ কৰা তিনিজনা মহাপুৰুষক কৃষ্টিৰ আঁকৰ বুলি কৈ গৈছে। এজনা হ'ল কৃষ্‌ ধাতুৰ লগ্ন কৃষ্টিৰ আঁকৰ সৰ্ববিদ্যাবিশাৰদ শ্ৰীকৃষ্ণ, আন দুজনা হ'ল— ইটালিৰ ফ্লোৰেঞ্চৰ ভিঞ্চিত জন্ম গ্ৰহণ কৰা 'শিলৰ কুমাৰী', 'শেষভোজ', 'মনালিছা'ৰ প্ৰখ্যাত চিত্ৰকৰ, অভিযন্তা বিজ্ঞানী, স্থাপত্যবিদ, লিওনাৰ্ডো দ্য ভিঞ্চি ( খ্ৰীঃ ১৪৫২-১৫১৯ ) আৰু অসমৰ সৰ্বগুণাকৰ শ্ৰীমন্ত শঙ্কৰ।

উক্ত তিনিজনা সৰ্বগুণাঙ্কৃকৃত মহাপুৰুষৰ বহুমুখী প্ৰতিভাৰ দ্বাৰা অনুপ্ৰাণিত হৈ বিষ্ণু ৰাভাই তেওঁলোকৰ আদৰ্শ সাংস্কৃতিক জীৱনত প্ৰতিফলিত কৰিবলৈ একান্তভাৱে সাধনা কৰিছিল। সেয়ে ৰাভাৰ প্ৰতিভা বিভিন্ন দিশত প্ৰতিভাত হৈ পৰিছে। তেওঁ একেবাহে নৃত্যবিদ, কবি-গীতিকাৰ, সুৰকাৰ, গল্পকাৰ, নাট্যকাৰ, মঞ্চ-অভিনেতা, বোলছবি অভিনেতা, চিত্ৰশিল্পী, ক্ৰীড়াবিদ, ৰাজনীতিবিদ, বিপ্লৱী, সমাজসেৱক, কৃষ্টি-সংস্কৃতিৰ পূজাৰী ৰূপে পৰিচিত হ'ব পাৰিছে।



অসম আৰু অসমৰ বাহিৰৰ নানা অনুষ্ঠানত বিষ্ণু ৰাভাই নৃত্য আৰু গীত পৰিবেশন কৰিছিল। ১৯৪০ চনত কলিকতাৰ 'গ্লোব' থিয়েটাৰত বিষ্ণু ৰাভাই প্ৰদৰ্শন কৰা নৃত্য দেখি বিমুগ্ধ হৈ বিশ্ববিখ্যাত নৃত্য-কলাবিদ উদয়শঙ্কৰে ৰাভাৰ নৃত্যকলাত বহুত শিকিবলগীয়া বৈশিষ্ট্য আছে বুলি স্বীকাৰ কৰাটো প্ৰণিধানযোগ্য। কাশী বিশ্ববিদ্যালয়ত বিষ্ণু ৰাভাই

*জাতীয় সংস্কৃতি যিজনাৰ জীৱনৰ সৰ্বস্ব সেইজনা—*



**বিষ্ণুপ্ৰসাদ ৰাভা**

কালি দমন, তাণ্ডৱ, ওজাপালি আদি নৃত্য প্ৰদৰ্শন কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰাৰ উপৰিও নৃত্য পাৰদৰ্শিতাৰ বাবে পুৰস্কাৰ লাভ কৰিছিল। তেওঁ বৰগীত, বনগীত, বিহুনাম, আইনাম, আৰু বিভিন্ন জনগোষ্ঠীৰ বহু বৰণীয়া গীতসমূহৰ সমাদৰ বৃদ্ধি কৰিছিল। কলিকতাৰ সাংস্কৃতিক অনুষ্ঠানত ৰাভাই অসমীয়া বনগীত, বড়ো, ৰাভা, মিৰি,

মিকিৰ আদি জনগোষ্ঠীৰ ভাষাৰ গীত, বঙলাৰ ৰবীন্দ্ৰনাথৰ গীত, হিন্দী ভজন, মণিপুৰী, নেপালী আদি ভাষাৰ গীত পৰিবেশন কৰি অগণন শ্ৰোতাক বিমোহিত কৰিছিল। ৰাভাৰ প্ৰতিভাত বিস্মিত হৈ 'সুৰ-সাগৰ' হিমাংশু দত্তই ৰাভাক আঁকোৱালি ধৰিছিল। লোক-সংস্কৃতিমূলক গীতৰ উপৰিও স্বাধীনতা লাভ কৰাৰ পিছতো কৃষক, বনুৱা, হালোৱা-হজুৱাৰ দুখ-দুৰ্গতিৰ অন্ত নপৰাত সেইসকলক শোষণ-নিষ্পেষণৰ পৰা মুক্ত কৰিবলৈ বহু সংখ্যক গীত ৰচনা কৰিছিল। 'নাহৰ ফুলে নুশুৱায়, তগৰ ফুলে শুৱাব,' 'সুৰৰ দেউলৰে ৰূপৰ শিকলি,' 'মোৰ জীৱনৰ আকাশতে ইন্দ্ৰ ধনু গঢ়িম', 'এয়ে মোৰ শেষ গান'" কল্যাণ-খৰমান' আদি ৰাভাৰ কালজয়ী আধুনিক গীত।

ৰঙ্গমঞ্চ, বোলছবি আৰু চিত্ৰকলা জগতৰ লগতো ৰাভাৰ সম্পৰ্ক অঙ্গাঙ্গী। ঢাকাত প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোঁতে ৯ বছৰ বয়সতে উৰ্দু নাটকত অভিনয়ৰ পাতনি মেলে। বঙ্গৰ গল্প-লেখক পৰশুৰাম ৰচিত 'বিৰিঞ্চি বাবা' গল্পৰ নাট্যৰূপত ৰাভাই 'দাৰোৱান'ৰ চৰিত্ৰ ৰূপায়ন কৰে। অগ্নিকবি নজৰুল ইছলামে অভিনয় দেখি ৰাভাক 'দাৰোৱান ভাই' বুলি সম্বোধন কৰিছিল। তেজপুৰত বাণ-ৰঙ্গমঞ্চত নটসূৰ্য্য ফণী শৰ্মাৰ 'চিৰাজ' আৰু 'কিয়' নাটত তেওঁ সুন্দৰ অভিনয় কৰিছিল। অসমৰ ভ্ৰাম্যমান নাট্য-আন্দোলনতো ৰাভাৰ অৱদান উল্লেখযোগ্য। কামৰূপৰ নটৰাজ, সুৰদেৱী, পূৰ্বজ্যোতি আদি থিয়েটাৰৰ লগত জড়িত হৈ প্ৰযোজক আৰু শিল্পীসকলক উৎসাহিত কৰিছিল। বঙলা কথাছবিৰ পয়োভৰ দেখি বিষ্ণু ৰাভাৰ মন চিনেমা জগতলৈ ঢাপলি মেলে। তেওঁ অসমীয়া চিনেমা নিৰ্মাণ কৰাৰ কথা চিন্তা কৰি 'আৰগু পিক্‌চাৰ কৰ্পৰেছন' নামৰ এটা অনুষ্ঠান খুলিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে বিলাতৰ পৰা ঘূৰি আহি 'জয়মতী' বোলছবি উলিওৱাৰ ক্ষেত্ৰত বিষ্ণুৰাভাৰ পৰা পোৱা উৎসাহ আৰু সহযোগ বিশেষ উল্লেখযোগ্য। ১৯৩৫ চনত মুক্তি লাভ কৰা 'জয়মতী' অসমৰ প্ৰথম কথা-ছবি। বিষ্ণু ৰাভা নটসূৰ্য্য ফণী শৰ্মাৰ লগত যুটীয়াভাবে 'চিৰাজ'(১৯৪৮) কথাছবিৰ পৰিচালকো আছিল। 'মনোমতী' কথাছবিৰ নৃত্য পৰিচালনা কৰাৰ উপৰিও 'এৰাবাটৰ সুৰ', 'প্ৰতিধ্বনি', 'মাহুত বন্ধুৰে' আদি বোলছবিত



ৰাভাই গাঁৱলীয়া চৰিত্ৰৰ অভিনয় কৰি দৰ্শকৰ হৃদয় স্পৰ্শ কৰিব পাৰিছিল।

গ্ৰামোফোন ৰেকৰ্ডৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য কৰি বিষ্ণু ৰাভাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ লগত 'শোণিত কুৱঁৰী' আৰু 'জয়মতী' নাটৰ গ্ৰামোফোন ৰেকৰ্ড উলিয়াই অসমীয়া সঙ্গীত-জগতত আলোড়নৰ সৃষ্টি কৰিছিল। ইয়াৰ উপৰি ৰাভাই 'বেউলা', 'বিহুৱতী', 'ৰতনী', 'জন্মাষ্টমী', 'বৰদৈচিলা' 'শ্ৰীশঙ্কৰদেৱ', 'শ্ৰীমাধৱদেৱ', 'চেনাই-চেনেহী', 'দুৰ্য্যোধনৰ উৰুভঙ্গ' আদি ৰেকৰ্ড কৰি সমাদৰ লাভ কৰে।

মহাপুৰুষ শঙ্কৰদেৱৰ ঐশ্বৰিক লীলা-মাহাত্ম্য আৰু গুণ-গৰিমাৰ প্ৰতি গভীৰ শ্ৰদ্ধা-ভক্তি নিবেদন কৰি ৰাভাই আঁকা চিত্ৰখন অতি সুন্দৰ আৰু আকৰ্ষণীয় হৈছিল। তেওঁ 'মুক্তি-ফৌজ'ৰ বাবে লিখা ৰণ-কৌশল সম্পৰ্কীয় পুস্তিকাখনতো চিত্ৰ অঙ্কন কৰিছিল।

বহুমুখী প্ৰতিভাশালী বিষ্ণু ৰাভাই আগবঢ়োৱা বৰঙণিয়ে অসমীয়া সাহিত্য-ফুলনিও সুবাসিত কৰি থৈ গৈছে। তেওঁ জনপ্ৰিয় 'বাঁহী', আলোচনীৰ 'চিত্ৰলেখা' বিভাগৰ সম্পাদনাৰ দায়িত্বত আছিল। 'বাঁহী', আৱাহন' 'আমাৰ প্ৰতিনিধি', 'দৈনিক অসম' আদি আলো-চনী-কাকতত ৰাভাৰ নানা বিষয়ক লেখা প্ৰকাশ পাইছিল। তেওঁৰ ৰচিত উপন্যাস 'মিচিং কানেং', গল্প-সংকলন 'সোনপাহি', নাট-সাহিত্য 'শকুন্তলা', 'মুক্তি দেউল,, 'কৃষক', 'ন-পৃথিৱীৰ নতুন যুগ', 'মোহ', "জীৱন নদীৰ সিপাৰে', 'সন্ন্যাসী আদি আৰু বোলছবি উপযোগী চিত্ৰনাট্য 'শঙ্কৰদেৱ', 'সীমান্ত সৈনিক', 'কুমৰ হৰণ' আদি অৱদান উল্লেখযোগ্য। প্ৰবন্ধমূলক গ্ৰন্থ বা ৰচনাৰ ভিতৰত 'শ্ৰীশঙ্কৰদেৱ বৰবায়ন' 'জনজাতীয় সংস্কৃতিত শিৱ', 'অসমীয়া কৃষ্টি', 'বড়ো কৃষ্টি', 'অসমীয়া কৃষ্টিৰ আভাস', শ্ৰীশ্ৰীশ্ৰীমতী কলাৱতী ঃ সঙ্গীত-অংশঃ–'ভাৰতীয় সঙ্গীত', 'ভাৰতীয় নাট্য কলা', 'নৃত্য-কলা', 'নাটক আৰু থিয়েটাৰ' 'ওজাপালী' আদি বিশেষ উল্লেখযোগ্য। ইয়াৰ উপৰি গীত-বৰগীতৰ স্বৰলিপি, গায়ন-বায়নৰ বোল প্ৰভৃতি অসমীয়া সাহিত্য-সংস্কৃতিৰ অমূল্য সম্পদ।

হাতত অস্ত্ৰ লৈ গান গাই গাই, ছবি আঁকি জীৱন সংগ্ৰামত

আগুৱাই যোৱা—ৰাভাৰ দৰে 'সব্যসাচীৰ-দৃষ্টান্ত বিৰল' বুলি উল্লেখ কৰি বঙ্গৰ প্ৰখ্যাত সাহিত্যিক অন্নদাশঙ্কৰ ৰায়ে মন্তব্য কৰিছে : "অসমীয়া ভাষাত তেওঁৰ ৰচনাৱলী প্ৰকাশিত হ'লে তাক বাংলা ভাষাত অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব।" বড়ো কৃষ্টি সম্পৰ্কীয় গ্ৰন্থখন পঢ়ি ভাষাবিদ্ ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে ৰাভাক 'পূৰ্ণ মানৱ' বুলি আখ্যা দিছিল।

জীৱন-শিল্পী ৰাভা আছিল মুক্তি-সংগ্ৰামী আৰু বিপ্লৱ পথৰ যাত্ৰী। তেওঁ সাম্ৰাজ্যবাদী বৃটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিল; কিন্তু জনগণক সামাজিক বৈষম্য আৰু অৰ্থনৈতিক শোষণৰ পৰা মুক্তি-পথৰ সন্ধান দিব নোৱাৰা স্বাধীনতাক অৰ্থহীন বুলি গণ্য কৰিছিল। ৰাভাই দুখীয়া নিচলা কৃষক-বনুৱা-মজদুৰ শ্ৰেণীক স্ব—অধিকাৰ সম্পৰ্কে সজাগ কৰিছিল, আৰু পুঁজিপতি ধনী, মহাজন, জমিদাৰ শ্ৰেণীক শোষণ-নিষ্পেষণৰ বিৰুদ্ধে সতৰ্ক কৰি দিছিল। ৰাভা বিপ্লৱী সাম্যবাদী দলৰ ৰাজনীতিৰ লগত জড়িত আছিল। ভাৰতৰ স্বাধীন চৰকাৰৰ ৰোষত পৰি তেওঁ ১৯৪৮ চনৰ পৰা ৫ বছৰ কাল অসমৰ গাঁৱে-ভূঁৱে অজ্ঞাত-বাস খাটিব লগীয়া হৈছিল। চৰকাৰে দেশদ্ৰোহী বুলি ৰাভাক পত্নীসহ (১৯৫২ চনৰ জুলাইৰ পৰা ১৯৫৩ চনৰ আগষ্ট মাহলৈ) কাৰাৰুদ্ধ কৰি ৰাখিছিল। পুনৰ চীনৰ ভাৰত আক্ৰমণত চীনৰ লগত জড়িত কৰি ৰাভাক ১৯৬২ ৰ ২৯ নৱেম্বৰত বন্দী কৰি ১৯৬৩ চনৰ ২৪ আগষ্টত মুক্তি দিছিল।

সমন্বয়ৰ প্ৰতীক ৰাভাই সকলো জনগোষ্ঠীৰ লোকক ঐক্যবদ্ধ কৰি 'বহল অসম' সুদৃঢ় কৰাৰ বাবে সংগ্ৰাম কৰিছিল। তেওঁ জনজাতি-অজনজাতিত গুৰুত্ব নিদি অসমীয়া জাতিতহে গুৰুত্ব দিছিল। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত ৰাভাক জনজাতীয় তামোলপুৰ সমষ্টিত বিধায়কৰ প্ৰাৰ্থী বছা হৈছিল যদিও তেওঁ এজন অসমীয়াহে বুলি অজনজাতীয় তেজপুৰ সমষ্টিৰ প্ৰাৰ্থী হৈ নিৰ্বাচনত জয় লাভ কৰিছিল। বিধায়ক ৰাভাই ৰাজনৈতিক কাৰ্য্যতকৈ জাতীয় কৃষ্টি-সংস্কৃতিৰ উন্নতি আৰু উৎকৰ্ষ সাধনতহে প্ৰাধান্য দিছিল। ৰাভাই অন্তৰেৰে উপলব্ধি কৰিছিল : "বাস্তৱৰ প্ৰয়োজনত যাৰ জনম, মানুহৰ জীৱন সংগ্ৰামত যি শকতি, জীৱন যাত্ৰাৰ বাস্তৱ উদ্দেশ্য সিদ্ধিত যি মুকুতি, সেয়েহে আচল কৃষ্টি—প্ৰকৃত সংস্কৃতি।"

বিষ্ণু ৰাভাৰ অমূল্য সাহিত্য-সংস্কৃতিৰ অৱদানসমূহৰ প্ৰকৃত মূল্যাঙ্কন কৰি তেওঁৰ আদৰ্শ যুগমীয়া কৰিলেহে 'কলাগুৰু' বিভূষিত জাতীয় শিল্পী-জনালৈ আগবঢ়োৱা শ্ৰদ্ধাঞ্জলি সাৰ্থক হ'ব। ১৯৬৯ চনৰ ২০ জুনত অক্লান্ত সংগ্ৰামী শিল্পী ৰাভাই অগণন গুণমুগ্ধ আৰু ৰাইজ, শিল্পীক শোকাভিভূত কৰি 'জীৱন-নাটৰ শেষ ৰাগিণী কল্যাণ-খৰমানেৰে' চিৰ-বিদায় মাগে ●

# অসম-জেউতি অমৃতপ্ৰভা

প্ৰায় দুহেজাৰ বছৰ আগৰ কথা। সেইসময়ত কামৰূপ-প্ৰাগ্-জ্যোতিষৰ যশ-কীৰ্তি ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিছিল। ভাৰতৰ বিভিন্ন ৰাজ্যৰ মহাপৰাক্ৰমী ৰজা-মহাৰজাসকলৰ লগত কামৰূপাধিপতিসকলে প্ৰথম শাৰীত একে আসনত স্থান পাইছিল। আনকি, অসম-নৃপতিসকলৰ বল-বিক্ৰমৰ প্ৰতি অনেক ৰজাই শ্ৰদ্ধা-ভক্তিৰে মূৰ দোৱাবলৈ বাধ্য হৈছিল। গতিকে ভিন্ ভিন্ ৰাজ্যৰ নৃপতিসকলে বন্ধুত্ব নাইবা বৈবাহিক সম্বন্ধেৰে কামৰূপ-ৰজাৰ লগত মিলি-জুলি থাকিবলৈ সদায় সুযোগ সুবিধা বিচাৰি ফুৰিছিল।

কামৰূপৰ বৈষ্ণৱ বংশীয় নৃপতিৰ জীয়েক অমৃতপ্ৰভা। উপযুক্ত বয়সত ৰজাই জীয়েক অমৃতপ্ৰভাৰ স্বয়ম্বৰৰ আয়োজন কৰিলে। স্বয়ম্বৰৰ বতৰা পাই নানা দেশৰ গুণী-জ্ঞানী সুদৰ্শন যুৱৰাজ, ৰাজলক্ষণযুক্ত পুৰুষসকল আহি প্ৰাগজ্যোতিষপুৰত প্ৰৱেশ কৰিলে। কামৰূপ-জীয়ৰীৰ ভাবীস্বামী হ'বলৈ কোননো নাহিব? কামৰূপ-জীয়ৰীৰ স্বামী হ'ব পৰাটো অতি গৌৰৱ আৰু সৌভাগ্যৰ কথা বুলি স্বয়ম্বৰলৈ অহা প্ৰতিজন লোকে ভাবিছিল। অমৃতপ্ৰভাৰ বৰমাল্য ডিঙিত পিন্ধিবলৈ কাৰ যে কিমান হেপাঁহ!

যথাসময়ত স্বয়ম্বৰ-সভা বহিল। আ-অলঙ্কাৰ; বেশ-ভূষাৰে সুসজ্জিতা দিপ্‌লিপ্ কন্যা অমৃতপ্ৰভা হাতত মালা হৈ সভা-গৃহত উপস্থিত হ'ল। স্বয়ম্বৰ-সভাত বহি থকা যুৱৰাজ আৰু নৃপতিসকলে অমৃতপ্ৰভাৰ অতুলনীয় ৰূপ দেখি থৰ লাগি চাই থাকিল। ভাৰতৰ দূৰ প্ৰান্তত থকা অসম-কামৰূপৰ কন্যা গৰাকীয়েনো কাৰ প্ৰতি সুদৃষ্টি

পেলায়ঁ নাইবা কাৰনো ভবিষ্যত জীৱন উজ্জ্বল কৰি তোলে নিজ নিজ আসনত বহি সকলোৱে জল্পনা-কল্পনা কৰি নীৰৱে বৈ থাকিল। এই স্বয়ম্বৰলৈ ভাৰতৰ পশ্চিম সীমান্তৰ কাশ্মীৰ ৰাজ্যৰ এজন ৰাজলক্ষণযুক্ত সুদৰ্শন পুৰুষো আহিছিল। তেওঁৰ নাম মেঘবাহন। মেঘবাহন কাশ্মীৰৰ পূৰ্বৰ ৰজা যুধিষ্ঠিৰৰ পৰিনাতিৰ সন্তান। আগতে মেঘবাহনৰ বংশই হাজাৰ বছৰ কাশ্মীৰৰ ৰাজপাট থাইছিল। কিন্তু পিছত আন বংশৰ ৰজাই কাশ্মীৰ শাসন কৰিবলৈ লয়। এই বংশৰ শেষ ৰজা সন্দিমান তেওঁ আছিল দয়ালু আৰু পৰম ধাৰ্মিক। ৰজা ধৰ্ম-চৰ্চাত এনেদৰে নিমগ্ন হৈছিল যে ৰাজকাৰ্য্যৰ পিনে একেবাৰে পিঠি দিলে। শিৱপূজাত মতলীয়া ৰজা সন্দিমানে প্ৰায় আঢ়ৈ কুৰি বছৰ এনেদৰে নামত ৰজা হৈ থকাত প্ৰজাৰ দুখ-দুৰ্গতি কুলাই-পাচিয়ে নধৰা হ'ল।

ৰাজকাৰ্য্য অচল হৈ পৰাত মন্ত্ৰীসকল বিমৰিষ হৈ ৰাজপদত বহুৱাবলৈ এজন সু-লক্ষণীয়া ৰাজকোঁৱৰ বিচাৰি হাইৰাণ হ'ল। কাশ্মীৰৰ সেই দুৰ্য্যোগৰ সময়ত গান্ধাৰৰাজৰ আশ্ৰয়ত থকা যুধিষ্ঠিৰৰ পৰিনাতি গোপাদিত্যৰ সৰ্বগুণযুক্ত পুত্ৰ সন্তান এটি জন্মিল। সেই পুত্ৰৰ নাম মেঘবাহন। দিনে দিনে লহ্‌পহ্‌কৈ বাঢ়ি গৈ মেঘবাহন গজলীয়া ডেকা হৈ উঠিল। সুঠাম, সুদৰ্শন, বাহুবলী, নিটোল শৰীৰৰ মেঘবাহন বিয়াৰ বয়সত ভৰি দিলে। এনে সময়তে মহাপ্ৰতাপী ঐশ্চৰ্য্যশালী কামৰূপ-অধিপতিয়ে কন্যা অমৃতপ্ৰভাৰ স্বয়ম্বৰৰ আয়োজন কৰিলে। কামৰূপ—নৃপতিৰ কন্যাৰ স্বামী হ'ব পাৰিলে মেঘবাহনৰ যশ-কীৰ্ত্তি অতুলনীয় হৈ পৰিব বুলি দেউতাকে ভালদৰে জানে। সেই কাৰণে তেওঁ মেঘবাহনক অমৃতপ্ৰভাৰ বিয়াৰ কাৰণে গান্ধাৰৰ পৰা কামৰূপ-প্ৰাগজ্যোতিষপুৰলৈ পঠিয়ালে।

শুভদিনৰ শুভক্ষণত স্বয়ম্বৰৰ কাম আৰম্ভ হ'ল। অমৃতপ্ৰভাৰ সয়ম্বৰত অলৌকিক বৰুণ-ছত্ৰ ব্যৱহাৰ কৰা হৈছিল। বৰুণ-ছত্ৰ কামৰূপৰ মহাপৰাক্ৰমী ৰজা ভগদত্তৰ বংশৰ ৰাজপৰিয়ালৰ এটি অতি আচৰিত বহুমূলীয়া সম্পদ। অসীম শক্তিশালী নৰকাসুৰে বৰুণ দেৱতাক



পৰাজয় কৰি এই ছত্ৰটি কাঢ়ি আনিছিল। তেতিয়াৰপৰা ছত্ৰটি এই ৰাজপৰিয়ালৰ সম্পদ। এই ছত্ৰটিৰ মাহাত্ম্য এই যে, ইয়াক মূৰৰ ওপৰত মেলি ধৰিলে ৰাজলক্ষণযুক্ত পুৰুষক সুশীতল ছাঁ দান কৰে; কিন্তু আনৰ মূৰৰ ওপৰত মেলি ধৰিলে ছাঁ প্ৰদান নকৰে। সখিয়েক-সকলৰ লগত হাতত মালা লৈ অমৃতপ্ৰভা স্বয়ম্বৰ সভাত ঘূৰি ফুৰোঁতে ছত্ৰধাৰীয়ে প্ৰতিজন পুৰুষৰ মূৰৰ ওপৰত এই ছত্ৰ তুলি ধৰিলে। এইদৰে ছত্ৰ মেলি লৈ ঘূৰি ফুৰোঁতে মেঘবাহনৰ মূৰৰ ওপৰত বৰুণ-ছত্ৰৰ সুশীতল ছাঁয়ে জ্যোতি বিলালে। ভৱিষ্যত মেঘবাহন এজনা প্ৰবল পৰাক্ৰমী 'চক্ৰবৰ্ত্তী' ৰজা হ'ব বুলি স্পষ্ট বুজিব পাৰি অমৃতপ্ৰভাই হাতত থকা মালা তেওঁৰ ডিঙিত প্ৰদান কৰি স্বামী বৰণ কৰিলে। পিছত অতি হৰ্ষ আৰু উলহ-মালহেৰে কামৰূপ-জীয়ৰী অমৃতপ্ৰভা আৰু কাশ্মীৰৰ পূৰ্বৰ ৰজা যুধিষ্ঠিৰৰ পৰিনাতিৰ সন্তান মেঘবাহনৰ বিবাহ-মহোৎসৱ সম্পাদন হৈ গ'ল।

বিয়া হৈ যোৱাৰ পিছত কামৰূপেশ্বৰে যৌতুকত দিয়া বৰুণ-ছত্ৰ আৰু অজস্ৰ সম্পদ লৈ মেঘবাহন অমৃতপ্ৰভাৰ লগত গান্ধাৰত উপস্থিত হ'ল। কামৰূপ জীয়ৰীৰ পাণি গ্ৰহণ কৰাৰ যোগ্যতা অৰ্জন কৰা বাবে মেঘবাহনৰ বল-বিক্ৰম, ঐশ্বৰ্য্য-যশস্যা চাৰিওফালে বিয়পি পৰিল। মেঘবাহনৰ ভাগ্য-ৰবি উদয় হ'ল। আগতে কৈ অহা হৈছে যে, কাশ্মীৰৰ ৰজাজনে ধৰ্মত মতলীয়া হৈ ৰাজকাৰ্য্যৰ পিনে পিঠি দিছিল। গতিকে এক সময়ত হাজাৰ বছৰৰো ওপৰ ধৰি যি বংশই কাশ্মীৰৰ সিংহাসন শুৱনি কৰিছিল, সেই বংশৰ মেঘবাহনক কামৰূপৰ-জীয়ৰীৰ বৰমাল্য লাভ কৰাৰ কাৰণে পুনৰ উপযুক্ত বিবেচনা কৰি পাত্ৰ-মন্ত্ৰীসকলে "এই কাশ্মীৰ ৰাজ্য তোমাৰ বংশৰ ৰজাসকলৰহে যোগ্য" বুলি কাশ্মীৰৰ সিংহাসনত বহিবলৈ আহ্বান জনালে। এই সুযোগতে কাশ্মীৰৰ ধৰ্ম-বলিয়া ৰজা সন্দিমানে সিংহাসন পৰিত্যাগ কৰি ভিক্ষুকৰ বেশ পৰিধান কৰি হাতত কমণ্ডলু লৈ অৰণ্যত সোমাই সন্ন্যাস ব্ৰত গ্ৰহণ কৰিলে। কামৰূপেশ্বৰৰ জোঁৱাই মেঘবাহন কাশ্মীৰৰ সিংহাসত বহিল। সুদূৰ

কাশ্মীৰৰ ৰাজ-মহিষীৰ সু-আসনত কামৰূপ-জীয়ৰী অমৃতপ্ৰভা অধিষ্ঠিত হ'ল। ভাৰতৰ পূব-সীমান্তৰ লখিমী জীয়ৰী পশ্চিম-সীমান্তৰ লখিমী বোৱাৰী হৈ শ্ৰেষ্ঠ ৰাজ-মহিষীৰ আসন অলংকৃত কৰি অসমক গৌৰৱ-শিখৰত তুলিলে।

ৰাজপদ গ্ৰহণ কৰি মেঘবাহনে প্ৰজাসকলৰ দুখ-দুৰ্গতি বিনাশ কৰিবলৈ মন দিলে। মেঘবাহন দয়ালু, ধাৰ্মিক, সদালোপী, সদাচাৰী ৰজা। ৰাজ্যত পশুবধ আদি হিংসামূলক কাৰ্য্য নিষেধ কৰি দি তেওঁ অহিংসা ধৰ্মপ্ৰচাৰ কৰিলে। অহিংসাৰ পূজাৰী ৰজা মেঘবাহনে বৌদ্ধ ভিক্ষু-সকলৰ কাৰণে 'মেঘবন' আৰু মেঘমঠ' নামৰ দুটা বিহাৰ নিৰ্মাণ কৰিলে। ৰাজমহিষী অমৃতপ্ৰভাই ৰাজৰাণী হৈ অন্তেষপুৰত সুখভোগ-বিলাসত দিন কটোৱা নাছিল। অসমৰ জীয়ৰী কাশ্মীৰৰ লখিমী বোৱাৰী অমৃতপ্ৰভা কাশ্মীৰৰ প্ৰজাসকলৰ দুখ-দুৰ্গতিনাশিনী মহিয়সী। ৰাজ্যৰ জনসাধাৰণক দয়াৱতী অমৃতপ্ৰভাই পুত্ৰৰ দৰে মৰম-স্নেহ কৰিছিল আৰু প্ৰজাৰ মঙ্গলৰ কাৰণে নানা সুকাৰ্য্য কৰিছিল। দূৰ-দেশৰ ভিক্ষুসকলৰ কাৰণে অমৃতপ্ৰভাই এটি বিহাৰ নিৰ্মাণ কৰে। অমৃত-প্ৰভাই নিৰ্মাণ কৰা এই বিহাৰটোৰ নাম 'অমৃত ভৱন'। পিছলৈ ইয়াক 'অমিত ভবন' বা 'অন্তভবন' বুলি কোৱা হ'ল। অমৃতপ্ৰভা আছিল স্নেহাতুৰা, ধৰ্মপৰায়ণা, সুশীলা ৰাজৰাণী আৰু স্বামীভক্তা সুগৃহিণী। প্ৰজাৰ মঙ্গলৰ কাৰণে জীৱন উছৰ্গা কৰি কামৰূপ-জীয়াৰী অমৃতপ্ৰভাই স্বামীৰ ৰাজ্য কাশ্মীৰত উচ্চ আৰু মহান হৃদয়ৰ চিনাকি দেখুৱালে।

শহুৰৰ ৰাজ্য কামৰূপৰ পৰা লাভ কৰা বৰুণ-ছত্ৰ লৈ মেঘবাহনে দিগ্বিজয় কৰিবলৈ মন মেলে। তেওঁৰ দিগ্বিজয়ৰ উদ্দেশ্য আছিল পশু বধ আদি হিংসা-মূলক কাৰ্য্যসমূহ বন্ধ কৰি অহিংসা ধৰ্ম প্ৰচাৰ কৰা। বৰুণ-ছত্ৰৰ সহায়ত মেঘবাহনে সহজতে সকলো ৰজাক পৰাভূত কৰি অহিংসা ধৰ্ম লবলৈ বাধ্য কৰাইছিল। অহিংসা ধৰ্ম প্ৰচাৰত মেঘবাহনে ইমান মন-প্ৰাণ দিছিল যে তেওঁ লঙ্কা দ্বীপলৈকেও গৈ তাত ৰাক্ষস-সকলৰ মাজত অহিংসা ধৰ্ম প্ৰচাৰ কৰিছিল।



এইজনা মহানুভৱ, দয়ালু, প্ৰবল পৰাক্ৰমী ধাৰ্মিক নৃপতি মেঘ-বাহনৰ প্ৰধান ৰাজমহিষী হোৱাটো পৰম সৌভাগ্যৰ কথা। কামৰূপ-জীয়ৰী অমৃতপ্ৰভা তেনে ভাগ্যৱতী আছিল। যোগ্য ৰজাৰ যোগ্যা ৰাণী অমৃতপ্ৰভা। সেয়েহে অমৃতপ্ৰভাই সুদূৰ কাশ্মীৰৰ ৰাজৰাণী হৈ ভোগ-বিলাসত নিজক আবদ্ধ নাৰাখি ৰাজ্য তথা ৰাইজৰ সেৱাৰে জীৱন ধন্য কৰি তুলিছিল। কাশ্মীৰৰ ৰাজমহিষী হৈ অসম-জীয়ৰী-অমৃত প্ৰভাই যি আদৰ্শ আৰু কীৰ্তি দেখুৱাই থৈ গ'ল, তাৰ কাৰণে অমৃত-প্ৰভা অসমীয়াৰ নমস্যা হৈ থাকিব। ●

# সতী ৰাধিকা

ভাৰতবৰ্ষ সতী-সাধ্বীৰ দেশ। প্ৰাচীন কালত কেইবাগৰাকীও সতীয়ে অসাধাৰণ কাৰ্য্য সমাপন কৰি সতীত্বৰ আদৰ্শ দেখুৱাই অমৰত্ব লাভ কৰিছে। সীতা, সতী, দ্ৰৌপদী, অৰুন্ধতী, ৰাধা প্ৰভৃতি ৰমণীৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য। সংযম, সতীত্ব, পতীত্ব, বিনয়, সুশীলত্ব, সৰলতা, লজ্জা, সহিষ্ণুতা আদি গুণেৰে অলঙ্কৃত নাৰীসকল চিৰযুগৰ শ্ৰদ্ধা আৰু পূজাৰ পাত্ৰী। সতীত্বৰ গুণেৰে বিভূষিতা শুদ্ধচিত্তৰ সুন্দৰী ৰমণীসকলে ভাৰত-মাতৃক গৌৰৱ আৰু আদৰ্শৰ সু-উচ্চ আসনত বহুৱাইছে। তেজস্বিনী, বীৰাঙ্গনা, আত্মত্যাগী ৰমণীৰ জন্মদাত্ৰী অসম সতী-শান্তিৰো প্ৰসৱিনী মাতৃ। অতীতৰ পৰা অসম মাতৃৰ বুকুত অসাধাৰণ গুণ-সম্পনা নাৰী কিছুমান জন্ম গ্ৰহণ কৰি অসম-আইৰ গৌৰৱ অটুট ৰাখিছে। সংযমী, শুদ্ধচিত্তৰ সুন্দৰী ৰমণীৰ জন্মই অসম-ভূমি সাৰ্থক কৰি তুলিছে। অসম-জননীৰ সতীত্বৰ অন্যতম উজ্জ্বল আদৰ্শ ৰাধিকা শান্তি।

সেই সময়ত মহাপুৰুষ শঙ্কৰদেৱ বৰদোৱাত। ডেকাগিৰি শঙ্কৰদেৱৰ বয়স তেতিয়া ২২।২৩ বছৰ। বিয়া কৰাই তেওঁ সংসাৰী ধৰ্ম গ্ৰহণ কৰিছে। সেইদিনত বৰদোৱা (বটদ্ৰৱা) থানৰ ওচৰেদি টেম্বুৱানী নামৰ জান এটি আছিল। বাৰিষা কালত মহাবাহু ব্ৰহ্মপুত্ৰ সতেজ গাভৰু হলে টেম্বুৱানী জানেদি পানী সোমাই বৰদোৱা অঞ্চলৰ ৰাইজৰ খেতি-বাতি নষ্ট কৰি পেলায়। বিপদৰ পৰা ৰক্ষা পৰিবলৈ কলিয়াবৰৰ পৰা ৰহালৈ এই বিস্তৃত অঞ্চলৰ লোকসকল সমবেত হৈ জান বান্ধিবলৈ চেষ্টা কৰিলে। হাজাৰ হাজাৰ জনতাই কপালৰ ঘাম মাটিত পেলাই অশেষ যত্নেৰে জানত খুটা, গোজ পুতি বটাধাৰী বহুৱাই মাটি দিলে;



কিন্তু ৰাইজৰ শ্ৰম অথলে গ'ল। জানৰ সোঁতে সকলো উটাই নিলে। 'ৰাইজে নখ জোকাৰিলে নৈ বয়' বুলি কোৱা জ্ঞানীলোকৰ কথাষাৰ ইয়াত নফলিল। ৰাইজৰ শ্ৰম পণ্ড হোৱাত সকলোৱে গৈ ডেকাগিৰি শঙ্কৰক এই সংবাদ দিলে। অলপ সময় চিন্তা কৰি শঙ্কৰদেৱে ৰাইজক জনালে যে এগৰাকী শান্তি-কন্যাৰ হতুৱাই জানত মাটি দি জান বান্ধিব পৰা যাব। সেই উদ্দেশ্যেৰে এগৰাকী শান্তি-কন্যা বিচাৰি আনিবলৈ ডেকাগিৰি শঙ্কৰে ৰাইজক আজ্ঞা দিলে। শঙ্কৰদেৱে লগতে এই বুলিও কৈ পঠিয়ালে যে যি কন্যাই পল'ৰে নদীৰ পৰা পানী আনোতে সহস্ৰ বিন্ধা থকা পল'ৰ এটোপালো পানী সৰকি নপৰিব, তেৱেঁই শান্তি-কন্যা বুলি প্ৰমাণিত হ'ব। পল'ৰে পানী এটোপালো নসৰাকৈ অনাটো গছত গৰু উঠা কথাৰ লেখিয়া। ই জানো সম্ভৱ হ'ব পাৰে? এই চিন্তাই সকলোকে হতাশ কৰি তুলিলে। বিবুধিত পৰি সকলো দিহাদিহি গুচি গ'ল।

সমাজৰ মুধাফুটা বিপ্ৰ, ভূঞা আদিয়ে নিজৰ নিজৰ গৃহিণী-সকলক সতী বুলি মনে মনে ভাবি আছিল। তেওঁলোক ঘৰলৈ গৈ প্ৰত্যেকে নিজৰ গৃহিণীক সতী-শান্তি হয়নে নহয় সুধিলে। "আমি ভট্টচাৰ্য্য পণ্ডিতৰ ঘৈণীয়েক, আমি শান্তি নহয় নো কোনজনী হ'ব?"– বুলি বিপ্ৰপত্নীসকলে প্ৰায়ভাগে উত্তৰ দিলে। কিন্তু তেওঁলোকৰ তেনে দৰ্প-বাণীত চেচাঁপানী পৰিল যেতিয়া পল'ৰে ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি দিয়া কথা তেওঁলোকক শুনোৱা হ'ল। কোনো শ্ৰেষ্ঠ বংশৰ শ্ৰেষ্ঠ গৃহিণীয়ে সতী-শান্তি বুলি নিজক প্ৰমাণ কৰি দেখুৱাব নোৱাৰিলে। শেহত শান্তি-কন্যা পোৱাটো যে কোনোমতে সম্ভৱ নহয় এই কথা বিপ্ৰ আৰু ভূঞাসকলে শঙ্কৰদেৱক জনালেগৈ।

বিচাৰি চলাথ কৰিও কতো শান্তি-সতী নাপাই এদিনাখন জানৰ পাৰত ৰাইজ সমবেত হৈ আলোচনাত বহিল। সেই ক্ষণত নাৱেৰে ভটিয়াই স্বামীসহ ৰাধিকা শান্তি গৈ আছিল। কিয় ৰাইজ সমবেত হৈছে—এই কথা ৰাধিকাই স্বামীৰ পৰা জানিব বিচাৰিলে। তেওঁৰ

শত-সহস্ৰ বিন্ধাযুক্ত পল'বে জানৰ পৰা পানী লৈ অহা—



## -সতী ৰাধিকা



স্বামীয়ে ক'লে যে ডেকাগিৰি শঙ্কৰদেৱে জানটো বান্ধিবলৈ শান্তি-কন্যা বিচাৰিবলৈ দিছিল, কিন্তু ক'তো শান্তি-কন্যা বিচাৰি নাপালে। এতিয়া কি উপায়েৰে জানটো বান্ধিব পাৰি সেই কথা আলোচনা কৰিবলৈ ৰাইজ গোট খাইছে।

সচাঁকৈয়ে এই টেম্বুৰানী জানটো বান্ধিব নোৱাৰা বাবে যে ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে, এই কথা ৰাধিকায়ো বুজে। কিয়নো টেম্বুৰানী জানৰ পানীয়ে ধাৰিষা খেতি-বাতি নষ্ট কৰি সৰ্বসাধাৰণক জুৰুলা কৰি থাকে। গতিকে এটা অতি মহান উদ্দেশ্য সাধন কৰিবলৈ ৰাইজ লগ লাগিছে। আত্মবিশ্বাসী, আত্মসংযমী, পবিত্ৰমনা ৰাধিকাৰ নিজৰ সতীত্বৰ ওপৰত বিশ্বাস আছিল। সেইবাবে তেওঁ নিজকে শান্তি-সতী বুলি পৰিচয় দি "আমি বান্ধিবাক পাৰোঁ জানক এখনি" বুলি দৃঢ়তাৰে গিৰিয়েকক ক'লে। ৰাধিকাৰ এনে কথাত নদীয়াল গিৰিয়েকৰ খুব খং উঠিল আৰু শৌচ-সদাচাৰ কিছু নোহোৱা অস্পৃশ্য অন্ত্যজাতি গৃহিণীয়ে শান্তি-সতী বুলি, দাবী কৰাত গিৰিয়েকে ৰাধিকাক ধমকি দিলে। নিজৰ সতীত্বৰ ওপৰত ৰাধিকাৰ প্ৰগাঢ় বিশ্বাস আছিল। পুনৰাই ৰাধিকাই গিৰিয়েকক বিনয়ভাবে ক'লে যে তেওঁ জীৱনত কোনো অপকৰ্ম কৰা নাই আৰু সতীত্বৰ যি কোনো পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিব। এই বিষয় লৈ গিৰিয়েক-ঘৈণীয়েকৰ মাজত নাৱৰ ওপৰতে বাক্-বিতণ্ডা লাগিল। জানৰ পাৰৰ মানুহে তেওঁলোকৰ বাক্-বিতণ্ডাৰ কথা ডেকাগিৰি শঙ্কৰদেৱক জনালেগৈ। শঙ্কৰদেৱে মানুহ পঠিয়াই দুয়োকো সভালৈ মাতি আনিলে। ৰাধিকাৰ গিৰিয়েকৰ নাম পূৰ্ণানন্দ। ভয়ত পূৰ্ণানন্দৰ হাত-ভৰি পেটৰ ভিতৰত লুকাল। নুলুকাবই বা কিয়? যি সতীত্বৰ পৰীক্ষালৈ গৌৰৱত ফিতাহি মৰা উচ্চ জাতত জন্মা সমাজৰ বৰমূৰীয়াসকলৰ গৃহিণী-সকলৰ কিছুমানে আহিবলৈ শঙ্কাবোধ কৰিলে আৰু কিছুমানে আহিও অকৃতকাৰ্য্য হৈ লাজ পাই ঘূৰি যাবলগীয়া হ'ল, তেনে সতীত্বৰ পৰীক্ষাত সমাজৰ নীচ জাতিৰ লোক জানো উপযুক্ত বুলি বিবেচিত

হ'ব পাৰে। সি যি হওক শঙ্কৰদেৱৰ আগত উপস্থিত হৈ দুয়োৱে শঙ্কৰদেৱক ভক্তিভৰা সেৱা জনালে। শঙ্কৰদেৱে নদীয়াল পত্নী ৰাধিকা কেনেকৈ শান্তি হ'ব পাৰে তাক বুজাই কবলৈ ক'লে। ৰাধিকাই সভক্তিৰে অথচ দ্বিধাহীন ভাবে "যেনেকৈ মন যায় লোক পৰীক্ষা কৰক" বুলি শঙ্কৰদেৱক জনালে।

পূৰ্ণানন্দৰ ভাৰ্য্যা ৰাধিকাৰ এনে মধুৰ, অথচ স্পষ্ট উত্তৰ পাই শঙ্কৰদেৱে ৰাধিকাক পবিত্ৰ ব্ৰত-উপবাস কৰি পিছদিনা সভালৈ আহিবলৈ ক'লে। লগতে এই কথাও জানি যাব দিলে যে কাইলৈ সহস্ৰ বিন্ধা থকা পল' এটাৰে ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি এই জানত দিব লাগিব।

"শঙ্কৰে বোলন্ত তোৰ চাহিবো প্ৰমান।
নদীহন্তে এক পলো জল ভৰি আন ॥"

কি অদ্ভুত কথা, পল' এটাৰে নদীৰ পৰা পানী আনিব লাগিব। পল' এবিধ মাছ মৰা সজুঁলি। ইয়াত হাজাৰ হাজাৰ বিন্ধা থাকে। সমজুৱাই নিশ্চয় ভাবিছিল এনে অসম্ভৱ কামৰ কথা জানি ৰাধিকা আৰু পিছদিনা নাহিব। কিন্তু পিছদিনা ৰাধিকা যথাসময়ত সভালৈ আহিল। এই কাৰণে ৰাধিকা আহিল যে মনৰ সংযম আৰু পবিত্ৰতাৰ ওপৰত তেওঁৰ প্ৰগাঢ় বিশ্বাস আছিল। সচাঁকৈয়ে ৰাধিকা যদি সতী হয়, তেনেহলে যি কোনো অলৌকিক কাৰ্য্যকো সহজে সমাধা কৰিব পাৰিব।

আগদিনাৰ দৰে পিছদিনাও সভা বহিল। মানুহৰ সমাগম আগদিনাতকৈ যথেষ্ট বেছি হ'ল। সিফালে ৰাধিকাৰ স্বামী পূৰ্ণানন্দৰ মৰোঁ জীও অৱস্থা। পল'ৰে ঘৈণীয়েকে পানী আনি দিব নোৱাৰিলে ৰাইজৰ দণ্ডত কটাই যায় নে বঁটাই পায় তাক কোনে জানে! যথা-সময়ত ৰাধিকাৰ সতীত্বৰ পৰীক্ষা আৰম্ভ হ'ল। শঙ্কৰদেৱৰ আজ্ঞা মতে সহস্ৰ বিন্ধা যুক্ত পল' এটা ৰাধিকাই হাতত ললে। স্বামী দেৱতাৰ চৰণ চিন্তা কৰি সানন্দে ব্ৰহ্মপুত্ৰ নদীলৈকে গৈ ৰাধিকাই পল'টোৰে এপল পানী লৈ আহিল। পল'ত পানী আহিছে, অথচ সৰকি যোৱা



নাই। এনে অদ্ভুত অলৌকিক কাণ্ড দেখি ৰাইজে হৰিধ্বনি কৰিলে। পল'ৰ পানী চাই শঙ্কৰদেৱে দেখিলে চাৰি আঙুলিমান পানী কম হৈ আহিছে। পানী কম হৈ অহা বাবে কেতিয়াবা কিবা পাপ কৰিছিল নে ৰাধিকাক শঙ্কৰদেৱে সুধিলত ৰাধিকাই ক'বলৈ ধৰিলে, "এদিনাখন স্বামী ঘৰত নাছিল। হঠাতে ভনী জোৱাঁই আহি ওলালহি। ভাত খাবলৈ কলপাত কাটোতে কোনো নথকাত তেওঁক পাত কাটিবলৈ বুলি কাঁচিখন আগবঢ়াই দিলোঁ। দৈব-বিপাকত মোৰ মূৰৰ ওৰণিখন খহি পৰিল আৰু তেতিয়া তেওঁৰ মুখত মোৰ চকু পৰিল, আৰু ময়ো তেওঁৰ চকুত পৰিলোঁ। এইখিনি অজানিতভাবে মই কৰা পাপ।"

অতীতত ঘটা এনে কথাকো পাপ বুলি ৰাধিকাই অকপটভাবে স্বীকাৰ কৰাত 'সি একো পাপৰ কথা নহয়' বুলি শঙ্কৰদেৱে ক্ষমা কৰি আকৌ পানী আনিবলৈ আজ্ঞা দিহিলে। এইবাৰ পাপমুক্তা হৈ ৰাধিকাই পল' হাতত লৈ পানী আনিবলৈ গ'ল। অতি আচৰিত কথা যে এইবাৰ পানী পল'ৰ মুখলৈকে পুৰ হৈ আহিল; আনকি কেই-আঙুলিমান পানী পল'ৰ চাকৰ ওপৰলৈকেহে উঠি আহিল। এনে অলৌকিক কাৰ্য্য সিদ্ধি হোৱাত সৰ্বসাধাৰণ ৰাইজে ভৱিষ্যত দুখ-দুৰ্গতিৰ পৰা ৰক্ষা পোৱাৰ আশাত পৰম আনন্দ পালে। আনফালে যিসকল সমাজৰ গৰ্বিত উচ্চ লোক সেইসকলৰ মন সেমেকি গ'ল আৰু অপমানবোধ কৰিলে।

মনৰ পবিত্ৰতা, সংযম আৰু অন্তৰৰ ভক্তিৰ বলত সমাজৰ নিম্ন থাপৰ হৈও ৰাধিকাই অসাধ্য সাধন কৰিব পাৰিলে। শঙ্কৰদেৱে সমজুৱাক প্ৰমাণ কৰি দেখুৱালে যে ভক্তিধৰ্ম সবাতোকৈ শ্ৰেষ্ঠ।

"স্মৰোক হৰি মাত্ৰ দিনে-ৰাতি।
নবাছে ভকতি জাতি-অজাতি ॥" (কীৰ্ত্তন)

প্ৰকৃত ভক্তিৰ বলত জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে সমানে শুদ্ধ হ'ব পাৰে। মন শুচি-সংযমী হ'ব পাৰিলেহে সমাজত শ্ৰেষ্ঠতৰ আসন লাভ কৰিব পাৰি। সেইবাবে সমাজে নীচ জাতিৰ বুলি কোৱা ৰাধিকাই

পল'বে পানী আনি অলৌকিক কাৰ্য্য সমাধান কৰি শান্তি-সতী বুলি প্ৰমাণ দেখুৱাব পাৰিলে।

জানক ভেটা দিবলৈ পল'টোৰে অনা পানী জানত ঢালি দি এপল' মাটি ৰাধিকাৰ হতুৱাই অনাই জান বন্ধা ঠাইত দিয়া হ'ল। লগে লগে জানৰ প্ৰবল সোঁত ক্ষীন হৈ আহিবলৈ ধৰিলে। টেম্বুৱানী জানৰ বান্ধ চিৰস্থায়ী হ'ল। তেতিয়াৰ পৰা জানৰ পানী বৰদোৱা নোসোমাই আনপিনেদি ব'বলৈ ধৰিলে। দুৰ্গত ৰাইজে মনত তৃপ্তি পালে। শান্তি-সতী ৰাধিকাই ৰাইজৰ দুখ-দুৰ্গতি বিনাশ কৰি সকলোৰে মনত শান্তি-পানী চটিয়ালে। তেতিয়াৰ পৰা টেম্বুৱানী জানৰ নাম ৰাধিকা শান্তিৰ নামেৰে 'শান্তিজান' ৰখা হ'ল। মহাপুৰুষে ৰাধিকাক বহুত মূল্যবান উপহাৰ দি বিদায় দিলে আৰু কিছুদিনৰ পিছত গুণীৰ গুণ বুজা শঙ্কৰদেৱে ন-কৈ ঘৰ-দুৱাৰ সজাই ৰাধিকাক ওচৰতে বাস কৰিবলৈ সুবিধা কৰি দিলে।

আত্মবিশ্বাস আৰু অন্তৰৰ ভক্তিৰ বলত ৰাধিকাই অলৌকিক কাৰ্য্য সমাধা কৰি নাৰী-সতীত্বৰ যি আদৰ্শ দেখুৱাই থৈ গ'ল তাৰ তুলনা জগতত বিৰল ●

# বীৰাঙ্গনা মূলা গাভৰু

অসম জননীৰ বুকুত অকল স্বদেশপ্ৰেমিক বীৰপুৰুষৰহে জন্ম হৈছিল এনে নহয়; স্বদেশপ্ৰেমিকা বীৰাঙ্গনাৰো জন্ম হৈছিল। জননীৰ দুখ-নিৰ্য্যাতন সহিব নোৱাৰি কুসুম-কোমলা ৰমণীয়েও দেশৰ স্বাৰ্থৰ হকে জীৱন উছৰ্গা কৰি অমৰ আদৰ্শ জগতত ৰাখি থৈ গৈছে। আৱশ্যক অনুযায়ী অসমৰ ৰমণীয়ে দেশ বা জাতিৰ স্বাৰ্থৰ কাৰণে যি কোনো গধুৰ বোজা মূৰ পাতি লৈছিল। দেশপ্ৰেমিক বীৰপুৰুষৰ দেশৰ নাৰীসকলে দেশৰ দুৰ্দশাত নাইবা পুৰুষ বীৰসকল সন্মুখ ৰণত শত্ৰুৰ হাতত নিপাত হোৱা দেখিলে ওৰণিৰ তলত চকু-পানী টুকি ভাগ্যক ধিয়াই সান্ত্বনা লভিব নোৱাৰে। তেওঁলোকেও বীৰ-পুৰুষসকলৰ পথেৰে আগবাঢ়ি গৈ স্বদেশৰ মান ৰক্ষা কৰিবলৈ ৰণচণ্ডী মূৰ্ত্তি ধৰি সন্মুখ ৰণত জঁপিয়াই পৰে। দেশৰ স্বাৰ্থৰ কাৰণে জীৱন আহুতি দিয়া ৰমণীসকল দেশৰ সন্তান-সন্ততিৰ চিৰপূজিতা চিৰনমস্যা হৈ থাকিব।

ষোড়শ শতিকাৰ কথা। অসম-মাতৃৱে মূলা গাভৰুক তুলি-তালি ডাঙৰ-দীঘল কৰি ইতিহাসত এক গৌৰৱৰ অধ্যায় সূচনা কৰিলে। মূলা গাভৰুৰ ৰণ-বিক্ৰম সুঁৱৰি কাৰ বুকু গৌৰৱত ওফন্দি নুঠিব নাইবা ভক্তিত কাৰ মূৰ দোঁ নাখাই থাকিব! আহোম ৰমণীৰ ৰণ-কৌশল আৰু বীৰত্ব দেখি কবিয়ে গাবলৈ বাধ্য হৈছে—

"গাওঁ আজি বীৰত্ব-কাহিনী
বীৰ ৰমণীৰ, সেই আহোম বংশৰ
মূলা নামে বীৰাঙ্গনা (অসম-গৌৰৱ)
কৰিলে যি প্ৰাণত্যাগ সন্মুখ যুদ্ধত

তুৰবক স'তে যুঁজি চামুণ্ডা ৰূপিনী
আক্ৰমতে ষষ্ঠবাৰ যৱনে আসাম।"

জাতীয় চেতনা থকা লোক মাত্ৰেই জাতীয় গৌৰৱৰ কাহিনী স্মৰণ কৰি বা গাই আনন্দ পায়। আহোম স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গীয়া ৰজা (১৪৯৭-১৫৩৯ খৃষ্টাব্দ) ৰ আমোলৰ কথা। আহোমৰাজ চুহুংমুং মহাপ্ৰতাপী ৰজা আছিল আৰু সেইবাবে কম দিনৰ ভিতৰতে তেওঁ আহোম ৰাজ্যৰ পৰিসৰ বঢ়াবলৈ সমৰ্থ হৈছিল। শদিয়াৰ চুটিয়াসকলক, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ভুঞাসকলক আৰু দক্ষিণপাৰৰ কছাৰীসকলক এইজনা স্বৰ্গদেৱে নিজৰ অধীনলৈ আনি কৰতোৱা নদীলৈকে ৰাজ্য বিস্তাৰ কৰিছিল। চুহুংমুঙৰ দিনতে গৌড় অধিপতিৰ তুৰ্বক নামৰ এজন সেনাপতিয়ে অসম আক্ৰমণ কৰিবলৈ আহিছিল। তুৰ্বকৰ লগত আহোমৰ কেবাবছৰো লগা ৰণৰ ফলত অসমৰ অনেক সেনাপতি, কোঁৱৰ আৰু সৈন্য নিহত হৈছিল। অৱশ্যে শেষত তুৰ্বকে যে প্ৰাণ এৰিব লগা নহৈছিল এনে নহয়। অসমী সেনাই অসীম সাহসেৰে যুঁজ কৰি তুৰ্বকক বধ কৰি অসম ৰাজ্য উদ্ধাৰ কৰিব পাৰিছিল। তুৰ্বকৰ আক্ৰমণৰ পৰা আহোম ৰাজ্য উদ্ধাৰ হোৱাৰ মূলতে আছিল এগৰাকী তেজস্বিনী সাধ্বী ৰমণী। এই ৰমণী গৰাকীয়েই আছিল মূলা-গাভৰু। দিহিঙ্গীয়া ৰজা (চুহুংমুং) ৰ শ্ৰেষ্ঠ সেনাপতি আছিল ফাচেংমুং বৰগোহাঁই। এই ফাচেংমুং বৰগোহাঁই মূলা গাভৰুৰ স্বামী।

তুৰ্বকে অসম আক্ৰমণ কৰাত পোনতে আহোম সৈন্য তেওঁৰ হাতত পৰাজয় হ'বলগীয়া হৈছিল। কিয়নো দিহিঙ্গীয়া ৰজাই চুটিয়া, কছাৰী আদি যুদ্ধত লিপ্ত থাকিবলগীয়া হোৱাত তুৰ্বকৰ আক্ৰমণৰ কথালৈ মন দিবলৈ সময় পোৱা নাছিল। চুটিয়া, কছাৰীক বশ কৰি দিহিঙ্গীয়া ৰজাই "এতিয়া তুৰ্বকক মাৰোঁ কেনেকৈ?"—বুলি উপায় চিন্তিলে। পাত্ৰ-মন্ত্ৰীবৰ্গৰ লগত আলোচনা কৰি আহোম ৰজাই তুৰ্বকক বধ কৰিবলৈ সৈন্য-সামন্ত পঠিয়ালে। সেইৰণৰ সেনাপতি হৈ গ'ল-ফাচেংমুং বৰগোহাঁই, কনচেং বৰপাত্ৰগোহাঁই আৰু কাকু বুঢ়াগোহাঁই।

দেশৰ স্বাৰ্থৰ হকে ৰণক্ষেত্ৰত জীৱন আহুতি দি জগতত
অমৰ আদৰ্শ দেখুৱাই থৈ যোৱা কুসুম-কোমলা ৰমণী—



বীৰাঙ্গনা মূলা-গাভৰু

চাৰিজনা কোঁৱৰো সেনাপতি তিনিজনাৰ লগত ৰণলৈ গ'ল। এই ৰণৰ সেনাপতি বা নেতাসকলৰ ভিতৰত মূলা গাভৰুৰ গিৰিয়েক ফাচেংমুং বৰগোহাঁই মহাবিক্ৰমশালী আৰু সুদক্ষ সেনাপতি। কছাৰী যুদ্ধত ফাচেংমুঙৰ ৰণ-কৌশল দেখি কছাৰীয়ে তেওঁক যুদ্ধৰ চৰ্দাৰ বুলি কৈছিল। যথাসময়ত দিক্‌ৰাই নৈৰ পাৰত ৰণ-ভেৰী বাজি উঠিল। এফালে তুৰ্বকৰ যবন সেনা আৰু আনফালে আহোম সেনা। অসমীয়া সেনাই দা-যাঠি, ধনু-কাঁড় হাতত লৈ সন্মুখ যুদ্ধত নামিল। কিন্তু তুৰ্বকৰ সেনাই ঘোঁৰাত উঠি হিলৈ—কাঁড়, আগ্নেয়-অস্ত্ৰ আদি যুদ্ধত ব্যৱহাৰ কৰিলে। তুৰ্বকৰ এনে অস্ত্ৰ-শস্ত্ৰৰ লগত যুঁজ দি আহোম সেনা ৰণত টিকিব নোৱাৰিলে। অনেক আহোম সেনা ৰণত মৰিল আৰু অনেকে প্ৰাণ লৈ পলাল। দুখৰ বিষয়, এই যুদ্ধতে স্বৰ্গদেৱৰ সকলোতকৈ নিৰ্ভৰযোগ্য, সুদক্ষ সেনাপতি, যুদ্ধৰ চৰ্দাৰ ফাচেংমুং বৰগোহাঁই আন আন আঠজন সেনাপতিৰ লগত নিহত হ'ল।

ফাচেংমুং বৰগোহাঁইৰ করুণ মৃত্যু বতৰা তেওঁৰ প্ৰাণসমা পত্নী মূলা গাভৰুৰ কাণত পৰিল। স্বামীৰ বিয়োগ-বতৰাত তেওঁৰ অন্তৰ শোকে খুন্দা মাৰি ধৰিলে, দুগালেদি দুধাৰি চকুপানী নিগৰি পৰিল। সেইসময়ৰ বিশ্বাস মতে 'কবচ কাপোৰ' পিন্ধি ৰণলৈ গলে মৃত্যুৰ শঙ্কা নাথাকে। ফাচেংমুং ৰণত পৰাজয় হোৱাৰ কাৰণ আছিল—তেওঁ কবচ কাপোৰ পৰিধান কৰি ৰণলৈ যোৱা নাছিল। কবচ কাপোৰ সম্পৰ্কে বুৰঞ্জীত পোৱা যায় যে, "মাজনিশা কপাহ নেওঠি পাঁজি কাটি ৰাতি নৌপুৱাওঁতেই বৈ উলিয়াব লাগে, তাকে আহোম মতে মন্ত্ৰেৰে জব, তাকে শাস্ত্ৰত কৱচ কাপোৰ বোলে।" যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হোৱা বীৰে এই কাপোৰ পৰিধান কৰিলে শত্ৰুপক্ষৰ কোনো অস্ত্ৰই তেওঁৰ শৰীৰ খুন কৰিব নোৱাৰে। যুদ্ধলৈ যোৱাৰ সময়ত ফাচেংমুঙে মূলাক কবচ কাপোৰ খুজিছিল। কিন্তু বিধুতি (ৰজস্বলা) অৱস্থাত থকা বাবে মূলা গাভৰুৱে কবচ কাপোৰ পিন্ধাই গিৰিয়েকক ৰণলৈ পঠিয়াব নোৱাৰিলে। কবচ কাপোৰৰ কাৰণে দিনদিয়েক বাট চাবলৈ মূলাই গিৰিয়েকক অনুৰোধ



কৰিছিল; কিন্তু ৰণৰ প্ৰস্তুতি এনেভাবে চলিছিল যে ফাচেংমুঙে কোনোমতে কবচ কাপোৰৰ কাৰণে বৈ থাকিব নোৱাৰিলে।

স্বামীভক্তা সাধ্বী মূলাগাভৰুৱে কবচ কাপোৰ পিন্ধাই গিৰিয়েকক ৰণলৈ পঠিয়াব নোৱাৰা বাবে নিজকে দোষী সাব্যস্ত কৰিলে। অতৰ্কিতে অসমী গাভৰুৰ তেজস্বিনী ৰূপটি মূৰ্ত্তিমান হৈ উঠিল। স্বামীহন্তাসকলৰ ওপৰত প্ৰতিশোধ লবলৈ অনিন্দ্য-সুন্দৰী স্বভাৱ চপলা গাভৰু মূলাই বিদ্ৰোহিনী ৰূপ ধাৰণ কৰিলে। অন্তৰ-বিদ্ৰোহৰ জ্বলা জুইকুৰা স্বামীহন্তাৰ ওপৰত প্ৰতিশোধ লৈ নুমাবলৈ বুলি বীৰাঙ্গনাৰ বেশেৰে ৰণলৈ যাবলৈ সাজু হ'ল। 'নাংজিন' নামৰ সুসজ্জিত হাতী এটাৰ ওপৰত উঠি মূলাই শত্ৰুপক্ষক নিপাত কৰিবলৈ আগবাঢ়ি গ'ল। মূলাৰ আদৰ্শত অনুপ্ৰাণিত হৈ কেবাগৰাকীও আহোম ৰাজবিষয়াৰ ভাৰ্য্যাই মহোল্লাসেৰে যাত্ৰা কৰিলে। তাৰ উপৰি, অনেক সৈন্য-সামন্ত নতুন তেজ, নতুন শক্তি, নতুন সাহস লৈ বঙাল খেদিবলৈ বুলি ৰণত জঁপিয়াই পৰিল। আনফালে আহোম সেনাপতি কনচেং বৰপাত্ৰগোহাঁই আৰু গড়গঞা ৰজাই গড় বান্ধি সচেতন হৈ বৈ থাকিল।

ৰমণী শক্তি ৰণত নামিল। বীৰাঙ্গনাসকলে ঢাল-তৰোৱাল লৈ তুৰ্বকৰ সেনাৰ লগত যুঁজ আৰম্ভ কৰিলে। কিন্তু কি হ'ব! যুদ্ধত অকল মনোবলেই যথেষ্ট নহয়; শৰীৰৰ শক্তিহে মূলকথা। এনেয়ে সুকোমল অঙ্গৰ কুসুম-কোমলা নাৰী, তাতে এই বীৰাঙ্গনাসকল ৰাজকাৰেঙত ডাঙৰ-দীঘল হৈ লিগিৰা-লিগিৰীৰ শুশ্ৰূষাৰ ওপৰত জীৱন ধাৰণ কৰা ৰমণী! গতিকে পাষাণ হৃদয়ৰ হৃষ্ট-পুষ্ট শৰীৰৰ যবন সেনাৰ লগত যুঁজ কৰি এই বীৰাঙ্গনাসকল যুঁজত জয় হোৱা কথা কল্পনাতীত। আচৰিত কথা, বিপক্ষ দলৰ সৈন্যৰ অস্ত্ৰৰ আঘাতত শৰীৰ জৰ্জৰিত হোৱা সত্বেও কোনো এগৰাকী অসমী-ৰমণী যুদ্ধক্ষেত্ৰৰ পৰা আঁতৰি নগ'ল। সন্মুখ সমৰত মৃত্যু বৰণ কৰাটোকেই তেওঁলোকে গৌৰৱৰ কথা বুলি ভাবিলে। শত্ৰুসৈন্যৰ অস্ত্ৰৰ আঘাতত মূলা গাভৰুৰ হাতী 'নাংজিন' অচেতন হৈ পৰিল। ক্ষণেক পিছতে তুৰ্বকৰ অস্ত্ৰৰ

প্ৰচণ্ড আঘাতত মূলাগাভৰুৰ কোমল শৰীৰ ক্ষত-বিক্ষত হৈ মাটিত ঢলি পৰি চিৰদিনলৈ চকু মুদিলে। মূলাৰ লগত ৰণ-ক্ষেত্ৰত নমা আন কেইগৰাকী ৰমণীয়েও পত্ৰুপক্ষৰ সেনাৰ আঘাতত প্ৰাণ ত্যাগ কৰিলে।

মৃত্যুঞ্জয়ী অসম-ৰমণীসকলৰ সাহস আৰু দেশপ্ৰেমৰ আদৰ্শত উদ্বুদ্ধ হৈ অসমীয়া বীৰ সেনাসকলে 'হয়তো মাৰিব, নহয় মৰিব'— এই মন্ত্ৰ সাৰোগত কৰি তুৰ্বকৰ সেনাৰ ওপৰত জঁপিয়া পৰিল। কনচেং বৰপাত্ৰগোহাঁয়ে ৰণত ৰুদ্ৰমূৰ্ত্তিই ধাৰণ কৰিলে, কিন্তু পুনৰ ৰণত পৰাজিত হ'ল। ইমানতো অসম-সেনাই হাত সাৱটি বহি থাকিব নোৱাৰিলে। মূলা গাভৰু আৰু অসমৰ ৰমণীসকলৰ ৰণত প্ৰাণ হানি হোৱাৰ পাছত তুৰ্বকৰ ওপৰত তাৰ প্ৰতিশোধ নোলোৱাটো কনচেং বৰপাত্ৰই ঘোৰ অপৰাধৰ কথা বুলি ভাবিলে। সেই কাৰণে পুনৰবাৰ ৰণলৈ গৈ নানা কৌশলেৰে কনচেং বৰপাত্ৰই তুৰ্বকক বধ কৰিলে আৰু তুৰ্বকৰ সৈন্যৰ ওপৰত জঁপিয়াই পৰি যৱন সেনা কাটি খাস্তাং কৰিলে। এইবাৰৰ ৰণত আহোম সৈন্যৰ লগত যুঁজি ভাল শিকনি পাই তুৰ্বকৰ সেনা অসম এৰি নিজ দেশলৈ যাবলৈ বাধ্য হ'ল।

পতিব্ৰতা, বীৰাঙ্গনা, দেশপ্ৰেমিক মূলা গাভৰুৱে তুৰ্বকৰ লগত অসীম বিক্ৰমেৰে ৰণ কৰি প্ৰাণ বিসৰ্জন দিয়া বাবে অসমৰ ডা-ডাঙৰীয়া, বিষয়াসকলে দুগুণ ধৈৰ্য্য-উৎসাহেৰে বিদেশী সেনাৰ লগত যুঁজ কৰি দেশক শত্ৰুৰ হাতৰ পৰা মুক্ত কৰিলে। দেশ ৰক্ষাৰ হেতু পতিব্ৰতা মূলাই প্ৰবল পৰাক্ৰমী শত্ৰুসেনাৰ লগত যুঁজ কৰি যি আদৰ্শ দেখুৱাই থৈ গ'ল, সেই আদৰ্শৰ কথা বুৰঞ্জীত সোণালী আখৰে লিখা থাকিব ●

# আত্মত্যাগী জয়মতী

ষোড়শ শতিকাৰ শেষভাগত আহোম ৰাজসিংহাসন চৰম বিপৰ্য্যয়ৰ সন্মুখীন হৈছিল। কোনো এজন ৰজাই সুখ-শান্তিৰে বেছি দিন ৰাজ-ভোগ কৰাৰ সুবিধা পোৱা নাছিল। আচৰিত কথা যে মাথোন এঘাৰ বছৰত সাতজন ৰজাক যমালয়লৈ পঠোৱা হৈছিল। ৰাজবিষয়া বা ডা-ডাঙৰীয়াসকলৰ স্বাৰ্থপৰতা, ষড়যন্ত্ৰ আৰু কু-অভিপ্ৰায়ৰ বাবে ৰাজ্য জুৰি অশান্তি আৰু অৰাজকতাই দেখা দিছিল। এই অশান্তি বা অস্থিৰতা নিৰ্মূল কৰিবলৈ সকলোৰে বুদ্ধি-শক্তি হত হৈছিল। কিন্তু অতি গৌৰৱৰ কথা, এগৰাকী আহোম ৰমণীৰ দেশপ্ৰেম, পতিভক্তি আৰু আত্মত্যাগৰ ফলত ৰাজ্যত পুনৰ শান্তি প্ৰতিষ্ঠা হয় আৰু প্ৰবল পৰাক্ৰমী আহোম শাসন পুনৰ সুচাৰুৰূপে পৰিচালিত হ'বলৈ পালে। সেই মহীয়সী আত্মত্যাগী ৰমণী গৰাকী আছিল গদাপাণিৰ পতিব্ৰতা পত্নী জয়মতী। জয়মতীৰ আত্মত্যাগ আৰু পতিভক্তি বিশ্বৰ ইতিহাসৰ গৌৰৱৰ কথা।

সেই সময়ত আহোম ৰাজসিংহাসনত স্বৰ্গদেউ চুলিক্‌ফা। চুলিক্‌ফা চৈধ্য বছৰীয়া কাৰণে তেওঁক ল'ৰাৰজা বোলা হয়। তেওঁ অকল বয়সতে অপৈণত এনে নহয়; বুদ্ধি, বল সাহস, ধৈৰ্য্য সকলো পিনে অপৈণত আছিল। সেই কাৰণে ল'ৰাৰজা বৰফুকনৰ হাতৰ পুতলা স্বৰূপ আছিল। ৰাজপাটত বহি ল'ৰাৰজাই দুবেলা দুমুঠি শান্তিৰে খাব পৰা নাছিল আৰু সুখেৰে শুব পৰা নাছিল। কিয়নো তেওঁৰ মনৰ দাপোণত পূৰ্বৰ ৰজাসকলৰ হত্যাকাণ্ডৰ কথা প্ৰতিমুহূৰ্ত্ততে ভাঁহি উঠে। ল'ৰা-ৰজাকো কোনোবাই হয়তো অকালতে তেনেকৈ বধ কৰিব পাৰে। সেই কথালৈ মন দি ল'ৰাৰজাই ৰাজ্যত ৰজা হোৱাৰ যোগ্য যিসকল কোঁৱৰ আছিল সেইসকলক নিঃশেষ কৰিবলৈ নাইবা শৰীৰত ঘূণ

লগাবলৈ এটা অভিযান চলালে। সেই সময়ত আহোম ৰীতিমতে অঙ্গক্ষত কোনো লোক ৰজা হ'ব নোৱাৰিছিল। ল'ৰাৰজাই অনেক কোঁৱৰক বধ কৰিলে আৰু অনেকক অঙ্গক্ষত কৰিলে। তথাপি ল'ৰাৰজা নিষ্কণ্টক হ'ব পৰা নাই। কাৰণ তেতিয়ালৈকে তুঙ্খুঙীয়া ফৈদৰ গোবৰ ৰজাৰ কোঁৱৰ বাহুবলী লাঙি গদাপাণিৰ শৰীৰ নিঘুণীয়া হৈয়ে ৰ'ল। বৰফুকন আৰু ল'ৰাৰজাৰ কঠোৰ শ্ৰম-কৌশল যেন অথলে গ'ল। তেওঁলোকৰ এই অভিযানত চেচাঁপানী ঢালিলে পতিব্ৰতা ৰমণী জয়মতী কুঁৱৰীয়ে।

দেশৰ মঙ্গল আৰু শান্তিৰ কাৰণে অসমৰ পুৰুষৰ দৰে নাৰীয়েও চিন্তা কৰে। বীৰৰ দৰে বীৰাঙ্গনাৰো জন্মভূমি এই অসম-মাতৃ। বৰফুকনৰ হাতৰ পুতলা, দুৰ্বল আৰু অকৰ্মণ্য ল'ৰাৰজাৰ হাতৰ পৰা দেশোদ্ধাৰ কৰিবলৈ জয়মতী কুঁৱৰীও সজাগ আৰু সচেতন আছিল। ৰাজ্যৰ অথিৰ অৱস্থা আৰু প্ৰজাসাধাৰণৰ দুৰ্দশাৰ মুহূৰ্ত্তত জয়মতীৰ কুমলীয়া নাৰী হৃদয় কান্দি উঠিল। ডা-ডাঙৰীয়াসকলৰ স্বাৰ্থপৰতা আৰু কু-অভিসন্ধিৰ কাৰণে অসম ৰাজ্যৰ সুখ-শান্তি যে অস্তাচলত ডুব যাবলৈ পাইছে, এই কথা জয়মতীয়ে ভালদৰে বুজি পালে। এজন সুদক্ষ যোগ্যৰজাৰ আৱশ্যকতা জয়মতীয়ে অনুভৱ কৰিলে। সেইবাৰে ল'ৰাৰজাই নিষ্ঠুৰভাবে ৰাজপুৰুষসকলক হত্যা বা অঙ্গক্ষত কৰিবলৈ উঠিপৰি লগাত সুচতুৰা জয়মতীয়ে গদাপাণিক সানুনয়ে অনুৰোধ কৰিলে ৰাজ্য এৰি গুলাই যাবলৈ। সেইসময়ত জয়মতী-গদাপাণিৰ পুত্ৰসন্তান লাই আৰু লেচাই অতি কুমলীয়া; মৌ—সনা মিঠামাত মুখত। এনে অৱস্থাত ভাৰ্য্যা-পুত্ৰ এৰি ঘৰৰ পৰা পলাই যোৱাটো উচিত কথা বুলি গদাপাণিয়ে নাভাবিলে। অৱশ্যে গদাপাণিয়ে বুজিছিল যে তেওঁ সাহসী আৰু বাহুবলী হ'লেও অকলশৰীয়া। ৰাজফৈদৰ বিৰুদ্ধে অকলে থিয়হৈ নিশ্চয় নিজক ৰক্ষা কৰিব নোৱাৰিব। সেয়েহে পুনৰ বাৰ মৰমী জয়মতীয়ে অনুৰোধ কৰাত দেশৰ স্বাৰ্থ ৰক্ষা আৰু মঙ্গলৰ কাৰণে মায়া-মমতা ত্যাগ কৰি গদাপাণি নগাপৰ্বতলৈ



পলাই গ'ল।

বিচাৰি চলাথ কৰিও ল'ৰাৰজাৰ চোৰাংচোৱাই গদাপাণিৰ শুংসূত্ৰ নাপালে। ৰজা ঘৰত হুলস্থূল লাগিল। ল'ৰাৰজাৰ শৰীৰৰ তেজ গৰম হ'ল; খঙে মূৰৰ চুলি পালেগৈ। কাৰ্য্য সিদ্ধি কৰিব নোৱাৰাত চোৰাংচোৱাহঁতৰ প্ৰাণৰ টনাটনি লাগিল। কোনেও গদাপাণিৰ বাতৰি আনি দিব নোৱাৰাৰ কাৰণে উপায়ন্তৰ হৈ ল'ৰাৰজাই কঠোৰ স্বৰেৰে আদেশ জাৰি কৰিলে জয়মতীক ৰাজসভালৈ আনিবলৈ। যদিও ৰাজবংশৰ বোৱাৰী ৰাজসভালৈ বাহিৰ কৰি অনাৰ নিয়ম আছিল, তথাপি এই নিয়ম উলঙ্ঘা কৰা হ'ল। যথা সময়ত জয়মতী ৰাজসভাত উপস্থিত হ'ল। জয়মতীৰ অপৰূপ জ্যোতিয়ে ৰাজসভা আলোকিত কৰি তুলিলে। ধৈৰ্য্যচ্যুত উদণ্ড উন্মত্ত ল'ৰাৰজাই বজ্ৰতকৈও কঠোৰ মাতেৰে কেইবাবাৰো জয়মতীক সুধিলে—"তোৰ স্বামী গদাপাণি ক'ত? শীঘ্ৰে ক। অন্যথায় তোৰ ৰক্ষা নাই।" ৰজাৰ এনে কৰ্কশ মাতৰ ধমকিত জয়মতী কণমানো বিচলিত নহৈ প্ৰশান্ত মহাসাগৰৰ দৰে গহীন-গম্ভীৰ হৈ ৰ'ল। মহান উদ্দেশ্য আৰু কঠোৰ সাধনাৰ পৰা জয়মতী কেতিয়াও বিচলিত হ'ব নোৱাৰে। মৃত্যুভয় জয়মতীৰ কাৰণে তেনেই তুচ্ছ। সেয়েহে নীৰৱতাৰ দ্বাৰা জয়মতীয়ে স্বামীৰ বতৰা দিবলৈ অস্বীকাৰ কৰিলে।

সামান্য নাৰী এগৰাকীৰ মুখৰ পৰা গদাপাণিৰ সংবা দউলিয়াব নোৱাৰি ল'ৰাৰজাই খঙত তৰ্জন-গৰ্জন কৰি গোটেই সভাঘৰ কপাঁই তুলিলে। চাউডাঙৰ হাতত জয়মতীক গটাই দি আজ্ঞা দিছিলে—কঠোৰ শাস্তি-নিৰ্য্যাতন প্ৰয়োগ কৰি জয়মতীৰ মুখৰ পৰা গদাপাণিৰ সংবাদ উলিয়াবলৈ। যেনে আজ্ঞা তেনে কাম। নিষ্ঠুৰ চাইডাঙহঁতে জয়মতীক নিৰ্জন জেৰেঙা পথাৰলৈ লৈ গ'ল। এডাল প্ৰকাণ্ড গছত জয়মতীক হাতে-ভৰিয়ে বান্ধি কঠোৰ শাস্তি বিহিবলৈ ধৰিলে। জয়মতীৰ তুলাৰ দৰে কুমলীয়া শৰীৰত দৈত্যাকায় চাউডাঙৰ বেত, লাঠি, চামতাৰ কোব পৰাত জেৰেঙা পথাৰৰ নিৰ্জনতা ভঙ্গ হ'ল। জেৰেঙাপথাৰৰ ঘাঁহ-বনবোৰে জয়মতীৰ ওপৰত কৰা অত্যাচাৰ দেখি যেন চকুপানী টুকিলে। চামতা-চোৰাতৰ কোবত জয়মতীৰ গাল, পিঠি, হাত, ভৰি

দৈত্যাকায় চাউডাঙৰ বেত, লাঠি, চমতা-চোবাতৰ কোবতো আপোন প্ৰতিজ্ঞাক কণমানো লৰচৰ হ'বলৈ নিদিয়া—



## আত্মত্যাগী জয়মতী



আদি কুমলীয়া অঙ্গবোৰৰ পৰা টোপে টোপে তেজ নিগৰি পৰিল ।

এইদৰে কেবাদিনো কঠোৰ শাস্তি দিও জয়মতীৰ মুখৰ পৰা চাউডাঙে গিৰিয়েক গদাপাণিৰ খবৰ উলিয়াব নোৱাৰিলে । এই অমানুষিক অত্যাচাৰৰ বাতৰি চাৰিওফালে সদৰী হ'ল । নগা পৰ্বতত আশ্ৰয় লৈ থকা জয়মতীৰ গিৰিয়েক গদাপাণিয়েও পত্নী জয়মতীৰ ওপৰত ল'ৰা-ৰজাই চলোৱা অত্যাচাৰৰ খবৰ পালে । ভাৰ্য্যাৰ ওপৰত কৰা অমানুষিক অত্যাচাৰ গদাপাণিৰ অসহনীয় হৈ উঠিল । এদিনাখন নগাবেশেৰে গদাপাণি আহি উপস্থিত হ'ল জেৰেঙা পথাৰৰ নিৰ্য্যাতিত জয়মতীৰ ওচৰত । ছদ্মবেশী গদাপাণিয়ে কাতৰ ভাবে কেইবাবাৰো জয়মতীৰ গিৰিয়েকৰ বাতৰি ক'বলৈ অনুৰোধ কৰিলে । কিন্তু পতিব্ৰতা জয়মতীয়ে তেনে কাতৰ-বাণীলৈ ভ্ৰূক্ষেপ নকৰিলে । নিজৰ স্বামী বুলি চিনিব পাৰি জয়মতীয়ে কৈ উঠিল-- "মোৰ গৃহস্থৰ কথা মই নকওঁ, ইবিলাকক কোনে ইয়ালৈ মাতিছে । গুচি বা নাযায় কিয় ?" জয়মতীৰ কঠোৰ সাধনা বুজি পাই "এই অত্যাচাৰৰ পোতক তুলিম, আহোম ৰাজ্যত শান্তি-শৃঙ্খলা পুনৰ ঘূৰাই আনিম"— বুলি কৈ এটি শোকৰ হুমুনিয়াহ পেলাই গদাপাণি তাৰ পৰা আঁতৰি গ'ল ।

জয়মতীৰ ওপৰত চাউডাঙৰ অত্যাচাৰ দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে । প্ৰকাণ্ড প্ৰকাণ্ড দৈত্য-দানৱৰ দৰে চাউডাঙৰ নতুন নতুন শাস্তিত জয়মতীৰ কুমলীয়া দেহ ক্ষত-বিক্ষত হৈ পৰিল । এই ক্ষত-বিক্ষত শৰীৰত চাউডাঙে ধান্দৰ কেকোৰা, ডোমচোৰাত, জোক আদি লগাই দিলে, আনকি লো গৰম কৰি দাগো বহুৱালে । জয়মতীৰ শৰীৰৰ পৰা কোমল মঙহ থোপে থোপে খহি পৰিবলৈ ধৰিলে । শৰীৰৰ পৰা ওলোৱা তেজে জেৰেঙা পথাৰৰ সেউজীয়া ঘাঁহনি ৰাঙলী কৰি তুলিলে । ইমান যমৰ যাতনা সহ্য কৰিও জয়মতীয়ে স্বামীৰ বতৰা নোকোৱাকৈ অবিচলিত হৈয়ে থাকিল । এনে নিদাৰুণ শাস্তি দেখি কিমানে চকুপানী টুকিলে, কিমানে আৰ্ত্তনাদ কৰিলে, তাৰ সীমা সংখ্যা নাই । তথাপি জয়মতীয়ে নিজৰ সংযম ব্ৰত পৰিহাৰ নকৰিলে । স্বামীৰ মঙ্গল সাধন

আৰু দেশক দুখ-দুৰ্দশাৰ পৰা মুক্ত কৰাটোৱেই আছিল জয়মতীৰ জীৱনৰ ব্ৰত। জয়মতীৰ সুকোমল নাৰী দেহে অমানুষিক অত্যাচাৰ কিমান দিন সহ্য কৰিব! চৈধ্য দিন এনে কঠোৰ শাস্তি ভোগ কৰি স্বামী-দেৱতাৰ চৰণ চিন্তা কৰি ক্ষত-বিক্ষত ৰক্তাক্ত শৰীৰৰ জয়মতীয়ে চ'ত মাহৰ শুক্লা চতুৰ্দশীৰ দিনা পাপ-সংসাৰৰ পৰা চিৰবিদায় মাগিলে। কবি কণ্ঠত বাজি উঠিল—

"আপোন প্ৰতিজ্ঞা পালি জয়াই বৰিলে মৃত্যু গদাপাণি কোঁৱৰক স্মৰি
নিতে ন-ন শাস্তি সহ্য কৰি
আঘাতে আঘাতে খাই, লতাডালি গ'ল জহি ছিগি ভাগি যত ফুল পাত
পৰি ৰ'ল মাটিতে বাগৰি।"

জয়মতীয়ে যি উদ্দেশ্যত সত্যাগ্ৰহ কৰি জীৱন আহুতি দিলে, সেই উদ্দেশ্য তেওঁৰ স্বামী গদাপাণিয়ে পূৰণ কৰিলে। পত্নী-বিয়োগৰ বাতৰি পাই অনাই-বনাই ঘূৰি ফুৰি গদাপাণি গুৱাহাটীলৈ গৈ তেওঁৰ ভিনীহিয়েক বন্দৰ ফুকনৰ লগ লাগিল। গদাপাণিয়ে বন্দৰ ফুকনৰ লগত সৈন্য সংগ্ৰহ কৰি উদ্ধত, অত্যাচাৰী ল'ৰাৰজাৰ কুশাসনৰ ওৰ পেলাই ৰাজ্যত সুশাসন প্ৰতিষ্ঠা কৰিলে। দেশৰ মানুহে সুখ-শান্তিৰ মুখ দেখিলে। সাধনাই সিদ্ধি লাভ কৰিলে। স্বৰ্গত দেৱীস্বৰূপা জয়মতীৰ ওঠত হাঁহি বিৰিঙি উঠিল।

জয়মতীৰ সত্যাগ্ৰহ, আত্মত্যাগ, পতিপ্ৰেম, মনোবল আৰু ধৈৰ্য্য অকল অসম বা ভাৰতৰ ইতিহাসতে নহয়, পৃথিৱীৰ ইতিহাসতো অতুলনীয়। স্বদেশৰ ভৱিষ্যত মঙ্গলৰ কাৰণে অমানুষিক শাস্তি ভোগ কৰি নিজৰ দেহ ধূলিৰ লগত মিহলাই আত্মত্যাগ কৰা ৰমণী পৃথিৱীৰ ইতিহাসত বিৰল। জয়মতীয়ে মনৰ সংযম আৰু পবিত্ৰতাৰে জীৱন ধন্য কৰি সতী প্ৰতিভাৰ আদৰ্শ চিৰযুগমীয়াকৈ ৰাখি থৈ গ'ল।

"কালৰ সোঁতত উটি গ'ল মহাসতী
ৰ'ল খোজ সময় বালিত,
যুগযুগান্তৰ হেতু সতীত্বৰ চানেকি
ৰাখি গলা সবাৰে স্মৃতিত।"

# '৪২ ৰ শ্বহীদ কনকলতা

অত্যাচাৰী, শোষণকাৰী ইংৰাজ শাসকসকলক ভাৰতৰ পৰা খেদি দেশত শান্তি-শৃঙ্খলা আৰু সুশাসন প্ৰতিষ্ঠা কৰিবলৈ ভাৰতীয় জাতীয় বীৰসকলে স্বাধীনতা সংগ্ৰাম চলালে। মহাত্মাৰ নেতৃত্বৰ অসহযোগ-আন্দোলন আৰু আইন অমান্য আন্দোলনৰ পাছত ১৯৪২ চনত ভাৰত ত্যাগ বা আগষ্ট বিপ্লৱ আৰম্ভ হ'ল। ভাৰতে পূৰ্ণ-স্বৰাজ্যৰ দাবী কৰিলে আৰু ইংৰাজক ভাৰত ত্যাগ কৰি যাবলৈ প্ৰস্তাৱ আগ বঢ়ালে। এই প্ৰস্তাৱ আগ বঢ়োৱাত মহামানৱ মহাত্মা গান্ধী, জৱহৰলাল নেহৰু, বল্লৱভাই পেটেল, মৌলানা কালাম আজাদ, ৰাজেন্দ্ৰ প্ৰসাদ প্ৰভৃতি দেশৰ নেতাসকলক বন্দী কৰি জেলত সোমাই থোৱা হ'ল। ভাৰতৰ মুখ্য নেতাসকল জেলৰ ভিতৰত আৱদ্ধ হৈ থাকিল বুলিয়েই যে বিদেশী বৃটিছৰ বিৰুদ্ধে আন্দোলন চলাবলৈ ভাৰতত মানুহ নাথাকিব এনে হ'ব নোৱাৰে। ইংৰাজ শাসকসকলে হয়তো ভাবিছিল বৃটিছ শাসনৰ বিৰুদ্ধে আন্দোলন চলাই থকা নেতাসকলক বন্দী কৰি থলেই সকলো কথাৰ সমাধান হৈ যাব। কিন্তু তেওঁলোকে তাৰ বিপৰীত ৰূপহে দেখিলে। এইবাৰ ইংৰাজৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আগবাঢ়ি আহিল জনতা। ভাৰতৰ কোটি কোটি জনতাই আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিলে। ভাৰতৰ 'প্ৰত্যেকজন কৰ্মীয়েই নেতা' বুলি মহাত্মা গান্ধীয়ে জেললৈ যোৱাৰ মুহূৰ্ত্তত কৈ যোৱা বাণীষাৰ জনতাই ভালদৰে উপলব্ধি কৰিলে। ভাৰত-মাতৃৰ বুকুত গণ-বিপ্লৱ আৰম্ভ হ'ল। আগষ্ট মাহৰ এই গণ-বিপ্লৱ আমাৰ দেশৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ বিপ্লৱ আৰু অবিস্মৰণীয় ঘটনা। মনকৰিব লগীয়া যে

ভাৰতৰ এই গণ-বিপ্লৱ সত্য, প্ৰেম আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত।

ভাৰতৰ আন আন ৰাজ্যসমূহৰ নেতাসকল কাৰাগাৰত আৱদ্ধ হৈ থকাৰ দৰে অসমৰ মুখ্যনেতা গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, দেবেশ্বৰ শৰ্মা, অমিয়কুমাৰ দাস প্ৰভৃতি নেতাসকলো গণ-বিপ্লৱৰ সময়ত জেলৰ ভিতৰত আছিল। দেশৰ নেতাসকলক বৃটিছ চৰকাৰে বন্দী কৰি ৰখাত চহৰে-নগৰে, গাঁৱে-ভূঁৱে থকা সকলো লোক জাগি উঠিল। বীৰ-বীৰাঙ্গনাৰ সাজেৰে ডেকা-গাভৰুৰ দল পৃথিৱী কপাঁই 'বৃটিছে ভাৰত ত্যাগ কৰক' বুলি বজ্ৰকণ্ঠেৰে ধ্বনি তুলি আগবাঢ়ি গ'ল। অসম-জননীৰ বুকুত জন্ম গ্ৰহণ কৰা কুশল কোঁৱৰ, কনকলতা, মুকুন্দ কাকতী, ভোগেশ্বৰী ফুকননী, মদন ৰাউতা, লক্ষ্মী হাজৰিকা, বলোৰাম সূত, ঠগীৰাম সূত আদিয়ে স্বাধীনতাৰ কাৰণে প্ৰাণ-বিসৰ্জন দিলে। তেওঁলোকে '৪২ ৰ শ্বহীদ।

ভাৰতৰ বিয়াল্লিছৰ আন্দোলনত প্ৰাণ বলি দিয়া কৃষক-জীয়ৰী কনকলতাৰ নাম ভাৰতৰ স্বাধীনতাৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। কনকলতা দৰং জিলাৰ অন্তৰ্গত তেজপুৰৰ বৰঙাবাৰী অঞ্চলৰ দোলাকাষৰীয়া গাঁৱৰ কৃষকৰ ঘৰৰ জীয়ৰী। তেওঁৰ দেউতাকৰ নাম বগাৰাম বৰুৱা আৰু মাকৰ নাম কনকেশ্বৰী বৰুৱানী। সৰুকালতে কনকলতা মাক-দেউতাকৰ মৰম-স্নেহৰ পৰা বঞ্চিত হয়। পিতৃ-মাতৃহাৰা কনকলতা খুৰাক আৰু বুঢ়াদেউতাকৰ লালন-পালনত ডাঙৰ-দীঘল হয়। গাঁৱৰ ছোৱালী কনকলতাৰ পঢ়াশলীয়া শিক্ষা তৃতীয় শ্ৰেণীতে অন্ত পৰে। লিখা-পঢ়া বিদ্যাৰ অভাৱত অসমৰ জীয়ৰী-বোৱাৰীৰ জীৱন মৰহি নাযায়। অসমৰ প্ৰতি গৰাকী জীয়ৰী-বোৱাৰী জন্মতে শিপিনী আৰু জাতীয় বীৰাঙ্গনা। স্বদেশ আৰু স্বামীৰ হকে আত্ম-বলিদান দিয়া সতী জয়মতী আৰু বীৰাঙ্গনা মূলা-গাভৰুৰ দেশৰ জীয়ৰী-বোৱাৰীয়ে যি কোনো মুহূৰ্তত স্বদেশৰ হকে প্ৰাণ বিসৰ্জন দিব জানে। কনকলতা এনেখন দেশৰে জীয়ৰী। দেশৰ স্বাৰ্থতকৈ আন একোৱেই কনকলতাৰ জীৱনত শ্ৰেষ্ঠ হ'ব নোৱাৰে।

"আমি আগবাঢ়িমেই। মৰণলৈ আমাৰ ভয় নাই। আমাৰ কৰ্ত্তব্য আমি কৰি যাম। তোমাৰ কৰ্ত্তব্য তুমি কৰি যোৱা।" —বুলি উন্মত্ত পুলিচৰ বন্দুকৰ গুলীলৈকো কেৰেপ নকৰি বুকু পাতি তেজেৰে বলিশাল বোলাই যোৱা স্বভাৱ-চপলা সুকোমলা তেজস্বিনী ষোড়শী গাভৰু—



কনকলতা

জাতিৰ জনক মহাত্মা গান্ধীৰ সকলো বাণী কনকলতাই আখৰে আখৰে পালন কৰিছিল। নিজ হাতে সূতা কাটি, কাপোৰ বৈ পিন্ধিবলৈ মহাত্মাই যি আহ্বান জনাইছিল, সেই আহ্বান কৃষক-জীয়ৰী কনকলতাই মনে-প্ৰাণে মানি চলিছিল।

দেশৰ মুক্তিৰ হেতুকে কাৰাবাস, লাঠিৰ কোব, গুলীৰ আঘাত—আনকি ফাঁচিকাঠকো ভয় নকৰি যেতিয়া হাজাৰ হাজাৰ লোকে সংগ্ৰামত জঁপিয়াই পৰিল, তেতিয়া ষোড়শী কনকলতাই হাত সাৱটি বহি থাকিব নোৱাৰিলে। স্বভাৱ চপলা, সজল নয়না গাভৰুৰ বিদ্ৰোহিনী ৰূপ মূৰ্ত্ত হৈ উঠিল। বিদেশী চৰকাৰৰ কুশাসন, নিৰ্য্যাতন, দমন-নীতিক ওফৰাই পেলাবলৈ গাভৰু হৃদয় উদ্বেলিত হৈ উঠিল। দেশৰ হাজাৰ হাজাৰ জনতাৰ দৰে গাভৰু কনকলতায়ো বৃটিছৰ লাঠিৰ কোব, গুলীৰ আঘাত নাইবা মৃত্যুদণ্ডলৈকো ভ্ৰূক্ষেপ নকৰি মুক্তি-ৰণলৈ যাবলৈ সাজু হ'ল। কবি জ্যোতিপ্ৰসাদৰ ভাষাত—

"হুঙ্কাৰি উঠিল মুক্তি যুঁজাৰু
ওলাই আহিল অসমী গাভৰু
মৃত্যু বিজয়ী গাঁৱৰ জীয়ৰী
দীপ্ত কনকলতা,
লুইত পাৰৰ ৰণ ৰঙ্গিনী
স্বদেশ মুক্তিব্ৰতা।"

তেজপুৰ জিলাৰ কংগ্ৰেছৰ কাৰ্য্যসূচীমতে গহপুৰ, বিহালী, তেজপুৰ আৰু ঢেকীয়াজুলি থানাত এটা নিৰ্দিষ্ট দিনত জাতীয় পতাকা তুলিবলৈ সিদ্ধান্ত কৰা হয়। তেওঁলোকৰ নিৰ্দিষ্ট দিনটো আছিল ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ। সেই দিনটো স্বেচ্ছাসেৱকসকলে জাতিৰ এটা মহানন্দৰ দিন বুলি গণ্য কৰি আনন্দ-উল্লাসত কাম কৰিবলৈ ওলাই আহিল। কংগ্ৰেছৰ সিদ্ধান্তৰ কথা জানিব পাৰি গহপুৰ থানাত পতাকা উঠাবলৈ জনতাই অসীম উৎসাহ আৰু কৰ্মপ্ৰেৰণাৰে উঠি-পৰি কামত লাগিল। গোটেই অঞ্চল জুৰি বিৰাট আয়োজন চলিল। হেলেম, কলংপুৰ,



ব্ৰহ্মাজান মৌজাৰ লোকসকলে দেশৰ কাৰণে নিজক উছৰ্গা কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰিলে। 'কাৰ্য্যসিদ্ধি নাইবা শৰীৰ পতন' যেন তেওঁলোকৰ জীৱনৰ মহাব্ৰত হৈ পৰিল। ডেকা-গাভৰু, জীয়ৰী-বোৱাৰী, বৃদ্ধ-বৃদ্ধা সকলোৱে সমদলে আগবাঢ়িছে গহপুৰ থানা অভিমুখে। মুক্তিকামী, দৃঢ়পতিজ্ঞ যুঁজাৰু দলৰ নায়িকা কনকলতাই হাতত ত্ৰিৰঙ্গ পতাকা লৈ সকলোৰে মনত উদ্যম আৰু সাহস যোগাই সকলোতকৈ আগত গ'ল। লুইতৰ পাৰত জীৱন ধাৰণ কৰিবলৈ সৌভাগ্য উদয় হোৱা কোনো লোকে কেতিয়াও মৰণলৈ ভয় নকৰে আৰু সেইবাবে তেওঁলোকে নিজৰ 'ডিঙি পাতি পাতি তেজেৰে বলিশাল' বোলাই যাবলৈ ভয় নকৰে।

সত্য, প্ৰেম আৰু অহিংসাৰ মন্ত্ৰেৰে উদ্বুদ্ধ মুক্তিবাহিনী আগবাঢ়ি গৈ থানাৰ সন্মুখত উপস্থিত হ'ল। 'বন্দে মাতৰম,' 'জয় গান্ধীজীৰ জয়' ধ্বনিৰে তেওঁলোকে ধৰণী কপাঁই তুলিলে। জনতাক বাধা দিবলৈ পুলিচ বাহিনীয়ে হাতত বন্দুক টোৱাই মৃত্যু ভয় দেখুৱালে। এফালে দেশোদ্ধাৰৰ প্ৰতিজ্ঞা, আনফালে সন্মুখত পুলিচৰ বন্দুকৰ গুলী। দেশৰ স্বাৰ্থতকৈ মৃত্যু নিশ্চয় তুচ্ছ। সেয়েহে অসম-জীয়ৰী অপৰূপা কনকলতাই পুলিচৰ গুলীলৈ কেৰেপ্ নকৰি পতাকা হাতত লৈ থানাৰ পিনে খোজ ললে। "আৰু এখোজ আগবাঢ়িলে মৰিবি, গুলী কৰিম"—বুলি থানাৰ উন্মত্ত পুলিচ বাহিনীয়ে কনকলতাক সাৱধান বাণী শুনালে। জাতীয় বীৰাঙ্গনাই গুলীলৈ বা মৰিবলৈ জানো ভয় কৰে! কনকলতাৰ তেজস্বিনী ৰূপটি প্ৰকট হৈ উঠিল আৰু নিৰ্ভীকভাবে উত্তৰ দিলে—"আমি আগ বাঢ়িমেই। মৰণলৈ আমাৰ ভয় নাই। আমাৰ কৰ্ত্তব্য কৰি যাম। তোমাৰ কৰ্ত্তব্য তুমি কৰি যোৱা।" দ্বিধাহীনা, বীৰাঙ্গনা, স্বদেশপ্ৰেমিকা গাভৰু কনকলতাই "বন্দেমাতৰম্", 'জয় মহাত্মাৰ জয়' ধ্বনিৰে আগবাঢ়ি যোৱাৰ লগে লগে গুৰুম্ গুৰুম্ গুৰুম্ বন্দুকৰ গুলীৰ শব্দ উঠিল। সেই বন্দুৰক গুলী কনকলতাৰ সুকোমল বুকু ভেদ কৰি গ'ল। বন্দুকৰ ভীষণ শব্দই জনতাৰ কাণ তাল মাৰি ধৰিলে। তাৰ মাজতে কোমল কণ্ঠৰ মৃদু শব্দ ভাহি

উঠিল—'আগবঢ়া, আগবঢ়া ।'

গাভৰু কনকলতাৰ ধুনীয়া দেহলতা মাটিত বাগৰি পৰিল, কিন্তু হাতৰ মুঠিৰ পৰা ত্ৰিৰঙ্গ মুক্তি পতাকা মাটিত পৰিবলৈ নাপালে । তৎক্ষণাত মুকুন্দ কাকতিয়ে পতাকা কনকলতাৰ হাতৰ পৰা তুলি ধৰি আগুৱাই গ'ল । কিন্তু ডেকাশক্তিৰ প্ৰতীক মুকুন্দ কাকতিৰ দেহো নিষ্ঠুৰ পুলিচৰ গুলীৰ আঘাতত মাটিৰ লগত মিলি গ'ল । অসমৰ মুক্তি যুঁজাৰুসকলক স্বদেশপ্ৰেমৰ অমৰ চানেকি দেখুৱাই অসমৰ বীৰ-বীৰাঙ্গনাই স্বৰ্গত আসন লাভ কৰিলে । অসমীৰ বুকুত জন্ম গ্ৰহণ কৰা ডেকাৰ দৰে গাভৰুৱেও "অ, মোৰ অসমী আই" বুলি স্বদেশৰ মুক্তিৰ কাৰণে জীৱন উছৰ্গা কৰি অসমী আইক ধন্য কৰি তুলিলে । দেশৰ মান, জাতিৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ষোড়শী কনকলতাই মধুৰ সপোন, নতুন নতুন আশা-আকাংখা, যৌৱনৰ লালসা সকলো জলাঞ্জলি দিলে । গাভৰু কনকলতাই '৪২ ৰ আন্দোলনত আত্ম বলিদান দি দেশপ্ৰেমৰ যি আদৰ্শ দেখুৱাই থৈ গ'ল, তাৰ তুলনা পাবলৈ নাই । কনকলতাৰ দেশপ্ৰেমৰ এনে আদৰ্শ দেশবাসীয়ে সদায় গৌৰৱেৰে স্মৰণ কৰিব ●

19448